




গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ৩ জুলাই, ২০২৬/১৮ আহাৰ ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ১২ ● Vol - 15, Issue - 12


# অসমৰ উন্নয়নৰ ধাৰাবাহিকতা ঃ শিক্ষা, স্বাস্থ্য আৰু নিযুক্তিৰ ৰূপান্তৰত ড° হিমন্ত বিশ্ব শৰ্মাৰ ভূমিকা

■ প্ৰকাশ কৈৰালা



**অ**সমৰ উন্নয়নৰ ইতিহাসক যদি নিৰপেক্ষভাৱে বিশ্লেষণ কৰা হয়, তেন্তে স্পষ্ট হয় যে এই ইতিহাস কোনো একক দিনত, কোনো একক চৰকাৰৰ আমোলত বা কোনো একক সিদ্ধান্তৰ ফলত সৃষ্টি হোৱা নহয়। উন্নয়ন হৈছে এক ধাৰাবাহিক প্ৰক্ৰিয়া, য'ত এটা যুগে ভেঁটি স্থাপন কৰে আৰু আন এটা যুগে সেই ভেঁটিক অধিক শক্তিশালী কৰি নতুন উচ্চতালৈ লৈ যায়। স্বাধীনতাৰ পিছত কংগ্ৰেছ চৰকাৰসমূহে আধুনিক অসমৰ শিক্ষা, স্বাস্থ্য আৰু প্ৰশাসনিক ব্যৱস্থাৰ ভেঁটি স্থাপন কৰিছিল। আনহাতে ২০১৬ চনৰ পিছত, বিশেষকৈ সৰ্বানন্দ সোণোৱাল আৰু ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত সেই ভেঁটিৰ ওপৰত দ্ৰুত সম্প্ৰসাৰণ, আধুনিকীকৰণ আৰু নিযুক্তি সৃষ্টিৰ এক নতুন অধ্যায় আৰম্ভ হয়।

**শিক্ষা খণ্ড ঃ ভেঁটিৰ পৰা বিস্তাৰলৈ**

স্বাধীনতাৰ পিছত অসমৰ শিক্ষাখণ্ডত যি কেইখন প্ৰতিষ্ঠানে যুগান্তকাৰী ভূমিকা পালন কৰিছিল, তাৰ ভিতৰত অন্যতম হৈছে গুৱাহাটী বিশ্ববিদ্যালয় ১৯৪৮ চনত স্থাপিত এই বিশ্ববিদ্যালয়ে অসমত উচ্চ শিক্ষাৰ নতুন দুৱাৰ মুকলি কৰে। ইয়াৰ পিছত ডিব্ৰুগড় বিশ্ববিদ্যালয় (১৯৬৫) আৰু অসম কৃষি বিশ্ববিদ্যালয় (১৯৬৯) স্থাপিত হয়। এই প্ৰতিষ্ঠানসমূহে অসমৰ বৌদ্ধিক, কৃষি আৰু গৱেষণামূলক বিকাশৰ ভিত্তি গঢ়ি তোলে। কিন্তু ২১শ শতিকাত শিক্ষাৰ প্ৰয়োজনীয়তা আৰু পৰিসৰ বহুগুণে বৃদ্ধি পায়। এই পৰিপ্ৰেক্ষিতত অসম চৰকাৰে নতুন বিশ্ববিদ্যালয় স্থাপন আৰু উচ্চ শিক্ষাৰ বিকেন্দ্ৰীকৰণৰ ওপৰত গুৰুত্ব *১০ পৃষ্ঠাত*

# ডিজিটেলভাৱে স্বাৱলম্বী ভাৰত গঢ়াৰ দিশে এক ঐতিহাসিক অগ্ৰযাত্ৰা আৰু 'বিকশিত ভাৰত-২০৪৭'ৰ সুদৃঢ় ভেঁটি স্থাপন

## ডিজিটেল ইণ্ডিয়াৰ ১১ বছৰ

**গুৱাহাটী ঃ** ডিজিটেল ইণ্ডিয়া কাৰ্যসূচীৰ সফল ১১ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিজেপি অসম প্ৰদেশৰ মুখপাত্ৰ ড° জাফ্ৰিন মেহজাবিনে কয় যে, স্বাধীনোত্তৰ ভাৰতৰ ইতিহাসত ডিজিটেল ইণ্ডিয়া হৈছে শাসন ব্যৱস্থাৰ ক্ষেত্ৰত হাতত লোৱা আটাইতকৈ গভীৰ, সুদূৰপ্ৰসাৰী আৰু ৰূপান্তৰমুখী সংস্কাৰসমূহৰ অন্যতম। ২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত আৰম্ভ হোৱা এই কাৰ্যসূচীয়ে কেৱল চৰকাৰী সেৱাক ডিজিটেল ৰূপ দিয়াৰ সীমাতে সীমাবদ্ধ নাথাকি শাসন সংস্কাৰ, প্ৰতিষ্ঠানগত আধুনিকীকৰণ, অৰ্থনৈতিক পুনৰ্গঠন, নাগৰিক সবলীকৰণ আৰু প্ৰযুক্তিনিৰ্ভৰ উন্নয়নৰ এক বিস্তৃত ৰাষ্ট্ৰীয় দৰ্শনত পৰিণত হৈছে। স্বচ্ছতা, কাৰ্যদক্ষতা, জবাবদিহিতা আৰু অন্তৰ্ভুক্তিমূলক শাসনৰ নীতি ডিজিটেল পৰিকাঠামোৰ সৈতে যুক্ত কৰি ই ৰাষ্ট্ৰ আৰু নাগৰিকৰ মাজৰ সম্পৰ্কক এক নতুন উচ্চতালৈ উন্নীত কৰাৰ লগতে ভাৰতক 'ডিজিটেল পাব্লিক ইনফ্ৰাষ্ট্ৰাকচাৰ'ৰ ক্ষেত্ৰত বিশ্বৰ অগ্ৰণী দেশ হিচাপে প্ৰতিষ্ঠা কৰিছে।

ড° মেহজাবিনে উল্লেখ কৰে যে, ২০১৫ চনৰ পূৰ্বে চৰকাৰী সেৱা লাভ কৰাৰ ক্ষেত্ৰত জটিল প্ৰশাসনিক প্ৰক্ৰিয়া, দীঘলীয়া অপেক্ষা, কাগজভিত্তিক ব্যৱস্থা আৰু সীমিত ডিজিটেল সংযোগেই আছিল বাস্তৱতা। বিগত ১১ বছৰত এই সমগ্ৰ শাসনৰ ধাৰণাই মৌলিকভাৱে ৰূপান্তৰ লাভ কৰিছে। আজিৰ ভাৰতত শাসন ব্যৱস্থা কাগজ-নিৰ্ভৰ আমোলাতান্ত্ৰিক ব্যৱস্থাৰ পৰা এক সমন্বিত, প্ৰযুক্তি-সমৰ্থিত আৰু নাগৰিক-কেন্দ্ৰিক ব্যৱস্থালৈ ৰূপান্তৰিত হৈছে, য'ত চৰকাৰী সেৱা অধিক দ্ৰুত, স্বচ্ছ, সুনিয়ন্ত্ৰিত আৰু ফলপ্ৰসূভাৱে প্ৰদান কৰা হৈছে। ডিজিটেল ইণ্ডিয়াই প্ৰযুক্তিক প্ৰতিজন নাগৰিকৰ অধিকাৰ আৰু ক্ষমতায়নৰ শক্তিশালী মাধ্যমত পৰিণত কৰিছে।

তেওঁ কয় যে, জেম ট্ৰিনিটি প্ৰধানমন্ত্ৰী *১১ পৃষ্ঠাত*

## আজি শুভ-মুক্তি লাভ কৰিব

# ককাদেউতা, নাতি আৰু হাতী ২




**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** ১৯৮৩ চনৰ ১৮ নবেম্বৰত মুক্তি লাভ কৰা অসমীয়া চলচ্চিত্ৰ 'ককাদেউতা, নাতি আৰু হাতী'ৰ কথা হয়টো নতুন প্ৰজন্মই খুব ভালদৰে জ্ঞাত নহয়। কিন্তু সেই সময়ত চলচ্চিত্ৰখনে যি সমাদৰ লাভ কৰিছিল সেই কথা ১৯৮০-৯০ চনৰ প্ৰজন্মই আজিও *৫ পৃষ্ঠাত*

ৰাষ্ট্ৰীয় বঁটাপ্ৰাপক অভিনেতা, পৰিচালক পংকজ পল্লৱ শৰ্মা মুখ্য প্ৰশিক্ষক

# ঘগ্ৰাপাৰৰ বিষ্টুপুৰত অভিনয়ৰ আঠদিনীয়া কৰ্মশালাৰ আয়োজন

**মমতাজ আহমেদ, ঘগ্ৰাপাৰ ঃ** নলবাৰী জিলাৰ আগশাৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠান সৃষ্টি মাল্টি ডেভেলপমেণ্ট অৰ্গেনাইজেছনৰ উদ্যোগত আৰু পূৱ নলবাৰীৰ সৃষ্টি সংগীত বিদ্যালয়ৰ সহযোগত অভিনয়ৰ আঠদিনীয়া কৰ্মশালাৰ আয়োজন কৰা হৈছে। ঘগ্ৰাপাৰ ৰাজহ-চক্ৰৰ অন্তৰ্গত বিষ্টুপুৰস্থিত সৃষ্টি জাতীয় বিদ্যালয়ত অহা ১২ জুলাইৰ পৰা ১৯ জুলাইলৈ অনুষ্ঠিত হ'বলগীয়া অভিনয় কৰ্মশালাত মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকিব ৰাষ্টীয় বঁটাপ্ৰাপ্ত অভিনেতা, পৰিচালক, চিত্ৰ নাট্যকাৰ পংকজ পল্লৱ শৰ্মাই। তেওঁ বিশেষকৈ শিশুসকলক বৌদ্ধিক আৰু মানসিকভাৱে আগবঢ়াই নিবলৈ চেষ্টা কৰাৰ লগতে প্ৰশিক্ষাৰ্থীসকলক লৈ সমাজ সচেতনমূলক বাটৰ নাটক *১০ পৃষ্ঠাত*

# নগাঁৱৰ কলংপাৰ বিদ্যাপীঠত শিক্ষাবিদ হৰেশ্বৰ গোস্বামীৰ স্মৃতি দিৱসত পদ্মশ্ৰী নুৰুদ্দিন আহমেদ



**বিশেষ সংবাদদাতা, নগাঁও ঃ** মুছলমানসকলে ছবি-মূৰ্তি আঁকিব নাপায়। সৰুতে আমাক শিকোৱা হৈছিল। কিন্তু ডাঙৰ হৈ বুজিছিলোঁ শিল্পীৰ কোনো ধৰ্ম নাই। শিল্পকৰ্মৰ লগতো ধৰ্মৰ সম্পৰ্ক নাই। কৰ্মইহে আচল ধৰ্ম। এই মন্তব্য পদ্মশ্ৰী সন্মানেৰে সন্মানিত বিশিষ্ট চিত্ৰশিল্পী নুৰুদ্দিন আহমেদৰ। নগাঁৱৰ সমাজ জীৱনৰ পুৰোধা ব্যক্তি, অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, নগাঁও জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি, নগাঁও শিক্ষণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, অসম লোকসেৱা আয়োগৰ প্ৰাক্তন সদস্য, বিশিষ্ট শিক্ষাবিদ হৰেশ্বৰ গোস্বামীৰ ২৯ সংখ্যক স্মৃতি দিৱস উপলক্ষে নগাঁৱৰ কলংপাৰ বিদ্যাপীঠ ছিনিয়ৰ চেকেণ্ডেৰী স্কুলে আয়োজন কৰা স্মাৰক বক্তৃতা অনুষ্ঠানত মুখ্য অতিথি তথা সম্বৰ্ধিত ব্যক্তি হিচাপে *১০ পৃষ্ঠাত*

# সাংস্কৃতিক, সামাজিক কৰ্মী, হেমন্ত কলিতাৰ প্ৰয়োজনা আৰু হিমাংশু প্ৰসাদ দাসৰ পৰিচালনাত অসমীয়া ছবি 'এক্স বাই জেড'

## ২৪ জুলাইত শুভ মুক্তি




**ৰমেন ভৰালী, বংশৰ ঃ** অসমীয়া চিনেমাৰ দৰ্শকৰ বাবে আনন্দৰ খবৰ। কামৰূপ জিলাৰ শ্ৰীহাটী নিৱাসী, সাংস্কৃতিক, সমাজিককৰ্মী হেমন্ত কলিতাৰ প্ৰয়োজনা আৰু হিমাংশু প্ৰসাদ দাসৰ পৰিচালনাত নতুন ছবি 'এক্স বাই জেড' মুক্তিৰ বাবে সম্পূৰ্ণ সাজু উঠিছে। হেমন্ত কলিতাৰ প্ৰযোজনা আৰু 'ৰীদম ক্ৰিয়েশ্যন'ৰ বেনাৰত নিৰ্মিত এই ছবিখনে ইতিমধ্যে 'ফাষ্ট লুক' পোষ্টাৰ মুকলি কৰি সামাজিক মাধ্যমত চৰ্চা লাভ কৰিছে। পোষ্টাৰৰ মতে, ২০২৬ চনৰ ২৪ জুলাইত ৰাজ্যৰ চিনেমা হলত মুক্তি পাব 'এক্স বাই জেড'। ফাষ্ট লুকত দেখা গৈছে ৰহস্য আৰু যৌৱনৰ মিশ্ৰণ-নামটোৱেই যেন এক প্ৰশ্ন, এক উত্তৰৰ সন্ধান। ছবিখনৰ মূল কাহিনী লিখিছে যুৱ লেখক আশ্বিক জামানে। চিত্ৰনাট্য আৰু সংলাপৰ দায়িত্বত আছিল চাংকু নিৰঞ্জন নাথ, ছাহজাহান, মহৰ্ষি তুহিন কাশ্যপ আৰু পৰিচালক হিমাংশু প্ৰসাদ দাস নিজেই। কাহিনী, সংলাপ আৰু পৰিচালনা-তিনিওটা দিশত অসমৰ নতুন প্ৰজন্মৰ সৃজনশীল শক্তিৰ প্ৰতিফলন দেখা গৈছে। প্ৰযুক্তিগত দিশতো ছবিখন আগবঢ়া। চিত্ৰগ্ৰহণৰ দায়িত্বত আছিল অনিৰুদ্ধ বৰুৱা। সম্পাদনা কৰিছে হাৰ্দিক কাশ্যপে। আৱহ সংগীত দিছে চন্দন দাসে, শব্দ ব্যৱস্থাপনা অৰ্ণৱ বৰাৰ, ৰং সংমিশ্ৰণ ধনজিৎ দাসৰ আৰু ভি এফ এক্সৰ কাম অভিজিত সন্দিকৈৰ। কলা নিৰ্দেশনাত ৰূপজ্যোতি মহন্ত, সাজ-সজ্জাত নৱনীতা গগৈ আৰু ৰূপ সজ্জাত নিৰ্মালি কাশ্যপে নিজৰ ছাপ ৰাখিছে। প্ৰযোজনা নিয়ন্ত্ৰক নিৰঞ্জন শৰ্মা আৰু মুখ্য সহকাৰী পৰিচালক গৌৰৱজ্যোতি দাসৰ তত্ত্বাৱধানত ছবিখনৰ শ্যুটিং সম্পূৰ্ণ হয়। ছবিখনৰ আকৰ্ষণীয় পক্সষ্টাৰখন ডিজাইন কৰিছে সমুদ্ৰ কাজল শইকীয়াই। 'এক্স ৱাই জেড'ত অভিনয় কৰিছে নতুন আৰু পৰীক্ষিত শিল্পীৰ এক শক্তিশালী দলে। মুখ্য চৰিত্ৰত দেখা যাব ভৱেশ বৰুৱা, কে কে খ্যাত সিদ্ধাৰ্থ শৰ্মা আৰু অসীমকৃষ্ণ বৰুৱাক। মহিলা চৰিত্ৰত থাকিব পূৰ্ণদা হাজৰিকা, প্ৰণামী বৰা, পল্লবী ফুকন, অলিম্পী শ্ৰেয়ম গগৈ আৰু প্ৰেয়সী বৰা। তেওঁলোকৰ লগত আছে অপূৰ্ব বৰ্মন, ৰূপমজ্যোতি দাস, হৃদয় সৌৰভ আৰু চন্দন দাস আদি। হিমাংশু প্ৰসাদ দাসৰ ছবি মানেই নতুন মুখক মঞ্চ দিয়া। এইবাৰো সেই ধাৰা অব্যাহত ৰাখিছে দাসে। বহুকেইজন উদীয়মান অভিনেতা-অভিনেত্ৰীয়ে এই ছবিৰ জৰিয়তে বৃহৎ পৰ্দাত আত্মপ্ৰকাশ কৰিব। প্ৰযোজক হেমন্ত কলিতাৰ 'ৰীদম ক্ৰিয়েশ্যন'ৰ বেনাৰত নিৰ্মিত এইখন দ্বিতীয় ছবি। প্ৰথমখনৰ সফলতাৰ পিছত 'এক্স ৱাই জেড'ৰ জৰিয়তে তেওঁলোকে অসমীয়া ছবিৰ বাণিজ্যিক আৰু বিষয়বস্তুৰ মাজত ভাৰসাম্য ৰাখিবলৈ চেষ্টা কৰিছে বুলি জানিব পৰা গৈছে। ফাষ্ট লুক মুক্তিৰ পিছত দৰ্শকৰ মাজত ইতিমধ্যে আগ্ৰহ জন্মিছে ছবিখনৰ প্ৰতি। ২৪ জুলাইত 'এক্স ৱাই জেড'য়ে অসমীয়া চিনেমাৰ নতুন সমীকৰণ গঢ়িব পাৰে নে নোৱাৰে, সেইয়া চাবলৈ এতিয়া উৎসুক হৈ আছে দৰ্শক।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত দেশৰ প্ৰথম ঐতিহ্য ডিজিটাইজেচন ইণ্টাৰ্নশ্বিপ কাৰ্যসূচী আৰম্ভ ঃ চুক্তি স্বাক্ষৰত উপাচাৰ্য ড° হাজৰিকা



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** দেশত প্ৰথমবাৰৰ বাবে বিশ্ববিদ্যালয় পৰ্যায়ত এপ-ভিত্তিক ঐতিহ্য ডিজিটাইজেচন ইণ্টাৰ্নশ্বিপ কাৰ্যসূচী আৰম্ভ কৰাৰ লক্ষ্যৰে সোমবাৰে (২৯-৬-২০২৬) 'ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু নন্দ তালুকদাৰ ফাউণ্ডেচন' (এনটিএফ)-ৰ মাজত 'ডিজিটাইজিং অসম ২.০' আঁচনিৰ অধীনত এখন বুজাবুজিৰ চুক্তি (মউ) স্বাক্ষৰিত হয়। এই কাৰ্যসূচীৰ জৰিয়তে শিক্ষাৰ্থীসকলে এক বিশেষ মোবাইল এপ ব্যৱহাৰ কৰি গ্ৰীষ্মকালীন ইণ্টাৰ্নশ্বিপৰ অংশ হিচাপে নিজ নিজ অঞ্চলত থকা দুষ্প্ৰাপ্য গ্ৰন্থ, আলোচনী, পাণ্ডুলিপি আৰু অন্যান্য ঐতিহাসিক নথি-পত্ৰ ডিজিটাইজ কৰাৰ সুযোগ লাভ কৰিব। চুক্তি স্বাক্ষৰ অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই উপস্থিত থাকি সমগ্ৰ প্ৰক্ৰিয়াটো তদাৰক কৰে। অনুষ্ঠানত অসম জাতীয় বিদ্যালয় শিক্ষামূলক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ ড° নাৰায়ণ শৰ্মাও উপস্থিত আছিল। এই ইণ্টাৰ্নশ্বিপৰ অধীনত শিক্ষাৰ্থীসকলক ডিজিটাইজেচন, মেটাডাটা প্ৰস্তুতকৰণ, আৰ্কাইভ নথিভুক্তকৰণ আৰু ডিজিটেল সংৰক্ষণ সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। ডিজিটাইজ কৰা সকলো তথ্য নন্দ তালুকদাৰ ফাউণ্ডেচনৰ ডিজিটেল ৰিপ'জিটৰীত সংৰক্ষিত হ'ব। এই কাৰ্যসূচীৰ মূল লক্ষ্য হৈছে অসমৰ সাহিত্যিক আৰু জ্ঞান-ঐতিহ্য সংৰক্ষণ কৰাৰ লগতে শিক্ষাৰ্থীসকলক আধুনিক ডিজিটেল দক্ষতাৰে সমৃদ্ধ কৰি তোলা।এই পদক্ষেপক অসম চৰকাৰেও সমৰ্থন জনাইছে। শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে ৰাজ্যখনৰ সকলো বিশ্ববিদ্যালয়লৈ প্ৰেৰণ কৰা এখন পত্ৰত 'ডিজিটাইজিং অসম ২.০' অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ উল্লেখ কৰে যে বৰ্তমান এই ডিজিটেল ৰিপ'জিটৰীত ইতিমধ্যে ২.৭৬ মিলিয়ন পৃষ্ঠা দুষ্প্ৰাপ্য গ্ৰন্থ, আলোচনী, পাণ্ডুলিপি, চৰকাৰী নথি আৰু অন্যান্য আৰ্কাইভ সামগ্ৰী সংৰক্ষিত হৈছে। ভৱিষ্যতে এই ৰিপ'জিটৰী অসমত কৃত্ৰিম বুদ্ধিমত্তা (এ আই)-ভিত্তিক শাসন ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ জ্ঞানভঁৰাল হিচাপে কাম কৰিব। ৰাষ্ট্ৰীয় শিক্ষা নীতি (এন ই পি)-ৰ সৈতে সামঞ্জস্য ৰাখি আৰম্ভ কৰা এই কাৰ্যসূচীয়ে সম্প্ৰদায়ভিত্তিক অংশগ্ৰহণ, অভিজ্ঞতাভিত্তিক শিক্ষা আৰু আধুনিক প্ৰযুক্তিক একেলগে সংযুক্ত কৰি অসমৰ জ্ঞান-ঐতিহ্য সংৰক্ষণৰ লগতে সমগ্ৰ দেশৰ বাবে এক নতুন আদৰ্শ স্থাপন কৰাৰ লক্ষ্য লৈছে।

# নগাঁৱত পথ দুৰ্ঘটনা ৰোধৰ বাবে প্ৰশাসনৰ তৎপৰতা

## ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰে চলালে উচ্ছেদ অভিযান



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ মূল পথসমূহৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথৰ বিভিন্ন স্পৰ্শকাতৰ স্থানত সংঘটিত হোৱা পথ দুৰ্ঘটনা ৰোধ কৰাৰ লক্ষ্যৰে নগাঁও জিলা পথ সুৰক্ষা সমিতিয়ে দীৰ্ঘদিনৰ পৰা বিভিন্ন সময়ত সজাগতামূলক আৰু প্ৰশাসনিক পদক্ষেপ গ্ৰহণ কৰি আহিছে। এনে এক সুপৰিকল্পিত আৰু গুৰুত্বপূৰ্ণ পদক্ষেপৰ অংশ হিচাপে যোৱা শুকুৰবাৰে আৰক্ষী, জিলা প্ৰশাসন আৰু পৰিবহণ বিভাগৰ এক উচ্চস্তৰীয় দলে ৰাষ্ট্ৰীয় ঘাইপথৰ ঠেকেৰাগুৰিৰ পৰা বৰঘাট পৰ্যন্ত বিস্তৃত অংশত এক যুটীয়া পৰিদৰ্শন আৰু উচ্ছেদ অভিযান চলায়। আচলতে, জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতিম দাস, জিলা অতিৰিক্ত আয়ুক্ত গোপাল শৰ্মা আৰু জিলা পৰিবহণ বিষয়া সীমান্ত বৰাৰ নেতৃত্বত অতিৰিক্ত আৰক্ষী অধীক্ষক, ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়া, যান-বাহন আৰক্ষী আৰু অন্যান্য বিভাগীয় প্ৰতিনিধিৰ উপস্থিতিত এই বিশেষ উচ্ছেদ অভিযান গুৱাহাটী উচ্চতম ন্যায়ালয়ৰ কঠোৰ নিৰ্দেশনাৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় ঘাইপথৰ 'ৰাইট অৱ ৱে' অৰ্থাৎ পথৰ বাবে সংৰক্ষিত এলেকা সম্পূৰ্ণৰূপে বেদখলমুক্ত কৰাৰ উদ্দেশ্যে চলোৱা হয়। এই অভিযানৰ সময়ত পথৰ কাষত বেআইনীভাৱে গঢ়ি উঠা কুৰিখনৰো অধিক অবৈধ ব্যৱসায়িক তথা স্থায়ী অস্থায়ী গাঁথনি উচ্ছেদ কৰা হয় আৰু ফলস্বৰূপে প্ৰায় ২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এক ব্যস্ত পথচোৱা সম্পূৰ্ণৰূপে মুকলি কৰা হয়। উল্লেখ্য যে, এনেদৰে পথৰ কাষত চলি থকা অবৈধ বেদখলসমূহৰ বাবে চালকসকলে পথৰ গতিবিধি সঠিকভাৱে প্ৰত্যক্ষ কৰাত বাধাৰ সৃষ্টি হয়। যাৰ ফলত বিগত সময়চোৱাত উক্ত অঞ্চলবোৰত দুৰ্ঘটনাৰ মাত্ৰা বৃদ্ধি পায়। ইফালে, জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই সমগ্ৰ অভিযানৰ বুজ লৈ স্পষ্ট কৰি দিয়ে যে জিলাখনৰ যাত্ৰী তথা সৰ্বসাধাৰণ ৰাইজৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰাটো প্ৰশাসনৰ প্ৰধান দায়িত্ব। সেয়ে ভৱিষ্যতেও জিলাখনৰ প্ৰতিটো গুৰুত্বপূৰ্ণ পথ আৰু ঘাইপথক অধিক সুৰক্ষিত, সুচল আৰু দুৰ্ঘটনামুক্ত কৰি তুলিবলৈ এনে ধৰণৰ তীব্ৰতৰ আৰু নিৰন্তৰ প্ৰশাসনিক ব্যৱস্থা গ্ৰহণ কৰি থকা হ'ব।

# বিশ্বনাথ জিলা ব্ৰাহ্মণ মহিলা সমাজৰ সভানেত্ৰী মিনতি পূজাৰীৰ পৰলোক



**চন্দন শৰ্মা, তেজপুৰ ঃ** বৃহস্পতিবাৰে পুৱা সাত বজাত সকলোকে শোকত ম্ৰিয়মান কৰি বিশ্বনাথ জিলা মহিলা ব্ৰাহ্মণ সমাজৰ বৰ্তমানৰ সভানেত্ৰী মিনতি পূজাৰীৰ ৬৮ বছৰ বয়সত নিজা বাসস্থান দক্ষিণ কলাবাৰী কামদেৱালত আকস্মিকভাৱে পৰলোকপ্ৰাপ্তি ঘটে । এই খৱৰটিয়ে বিশ্বনাথ জিলা মহিলা ব্ৰাহ্মণ সমাজৰ লগতে সমূহ জিলা বিষয়ববীয়া তথা সদস্যক শোকাকুল কৰি তোলে। সামাজিকভাৱে খ্যাত তেখেতে ২০২৪ চনত জিলা সভানেত্ৰী দায়িত্ব লোৱাৰ পৰাই সহজ সৰল মনোভাৱৰ বাবে সমাজৰ সকলোৰে প্ৰিয় হৈ পৰিছিল । এগৰাকী অৱসৰপ্ৰাপ্ত কৃতী প্ৰধান শিক্ষয়িত্ৰী, চিত্ৰলেখা মইনা পাৰিজাত আৰু মহিলা সমিতিৰ প্ৰাক্তন সভানেত্ৰী লগতে শিশু সুলভ মনৰ সমাজ সংগঠক ব্যক্তি হিচাপে কলাবাৰী অঞ্চলৰ লগতে বিশ্বনাথ জিলাত তেখেতৰ সুখ্যাতি আছে। তেখেতৰ বিদেহ আত্মাৰ সদ্‌গতি প্ৰাৰ্থনা কৰি অসম ব্ৰাহ্মণ সমাজৰ পৰামৰ্শত বিশ্বনাথ জিলা মহিলা ব্ৰাহ্মণ সমাজৰ কাৰ্যকৰী সভানেত্ৰী আৰু সম্পাদিকা তৎপৰতাত জিলা ব্ৰাহ্মণ সমাজৰ কাৰ্যকৰী সভাপতি, সম্পাদক, কাৰ্যালয় সম্পাদক, জিলা পুৰোহিত সন্মিলনৰ সভাপতি লগতে জিলা যুৱ ব্ৰাহ্মণ সমাজৰ সম্পাদক মহোদয়ৰ প্ৰমুখ্যে প্ৰায় ৩০ জন বিষয়ববীয়া উপস্থিতিত, বিশ্বনাথ চাৰিআলি বামগাঁওস্থিত জিলা কাৰ্যালয়ত তিনিদিনৰ বাবে অসম ব্ৰাহ্মণ সমাজৰ ধৰ্মধ্বজাখন অৰ্ধনিৰ্মিত কৰি শোক পালন কৰা হয়।

# অসমীয়া জনজীৱনত নষ্টালজিয়ে ভৰপূৰ এটি নাম ঃ চাঙঘৰ

■ **লক্ষীনন্দন কলিতা**

অসমীয়া জনজীৱনৰ অতীত বুৰঞ্জী মেলিলে হয়তো চহা গ্ৰাম্য মানুহখিনিক প্ৰাধান্য দি তেওঁলোকৰ ওপৰত জাঁপিটোৰ দৰে থিয় হৈ থকা সেই যাদুকৰী আৱাসস্থলীটোনো কি বুলি যদি কোনোবাই সোধে তেন্তে একেমুখে ক'ব পাৰিম সেয়া হৈছে চাঙঘৰ। চাঙঘৰ অসমীয়া সমাজ-সংস্কৃতিৰ এক অনন্য ঐতিহ্য। ই কেৱল বাসস্থান নহয়, বৰং অসমৰ গ্ৰাম্য জীৱন, প্ৰকৃতিৰ সৈতে মানৱীয় সহাবস্থান আৰু আৱেগ-অনুভূতিৰ এক জীৱন্ত প্ৰতীক। যুগ যুগ ধৰি অসমীয়া মানুহে নদী, বন, বৰষুণৰ মাজত জীৱন গঢ়ি তুলিছে। এই জীৱনধাৰাৰ লগত খাপ খুৱাই সৃষ্টি হোৱা চাঙঘৰে আজিও অসমীয়া জাতিৰ পৰিচয় বহন কৰি আছে। আধুনিকতাৰ টৌত বহু পুৰণি ঐতিহ্য হেৰাই যোৱাৰ পথত থাকিলেও চাঙঘৰ আজিও অসমীয়া মানুহৰ হৃদয়ত স্মৃতি, শিপা আৰু সংস্কৃতিৰ ৰূপত বাচি আছে। চাঙঘৰ মূলতঃ মাটিৰ ওপৰত খুঁটি তুলি বনোৱা ঘৰ। বাঁহ, কাঠ, টোকৌপাত, তৃণ আদি প্ৰাকৃতিক সামগ্ৰীৰে এই ঘৰ নিৰ্মাণ কৰা হয়। অসমৰ অধিক বৰষুণ আৰু বন্যাপ্ৰৱণ অঞ্চলত মানুহে নিজকে সুৰক্ষিত ৰাখিবলৈ এই ধৰণৰ ঘৰ সাজিছিল। বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ নদীপাৰ অঞ্চলত চাঙঘৰৰ প্ৰচলন অধিক দেখা যায়। মাটিৰ ওপৰত ঘৰ তুলিলে পানী সহজে ঘৰত সোমাব নোৱাৰে, লগতে সাপ-পোক-মাকড়ৰ উপদ্ৰৱো কম হয়। এই ব্যৱস্থা অসমীয়া মানুহৰ প্ৰকৃতি-জ্ঞান আৰু বুদ্ধিমত্তাৰ পৰিচয় বহন কৰে। চাঙঘৰ কেৱল এটা স্থাপত্যশৈলী নহয়, ই এক জীৱনদৰ্শন। এই ঘৰত মানুহে প্ৰকৃতিৰ সৈতে যুঁজ নকৰি মিলি থাকিবলৈ শিকিছে। বাঁহৰ মজিয়াত বৰষুণৰ টোপালৰ শব্দ, শীতৰ ৰাতিৰ জুঁইৰ উম, গৰমৰ দিনত বতাহৰ প্ৰবাল টৌ -এই সকলো অনুভৱে চাঙঘৰক এক জীৱন্ত অভিজ্ঞতালৈ ৰূপান্তৰিত কৰে। চাঙঘৰত ডাঙৰ হোৱা এজন অসমীয়া মানুহৰ বাবে এই ঘৰ মানে শৈশৱৰ স্মৃতি, পৰিয়ালৰ মৰম আৰু গাঁৱৰ সৰল জীৱনৰ প্ৰতিচ্ছবি। অসমীয়া সমাজত পৰিয়াল আৰু সম্প্ৰদায়ৰ বন্ধন অতি গভীৰ। চাঙঘৰৰ আঙিনা এই সম্পৰ্কৰ এক কেন্দ্ৰবিন্দু। সন্ধিয়া সময়ত পৰিয়ালৰ সকলো সদস্য একেলগে বহি কথা পতা, আইতাই সাধুকথা কোৱা, দেউতাকে জীৱনৰ অভিজ্ঞতা শ্বেয়াৰ কৰা-এইবোৰে পৰিয়ালিক সম্পৰ্ক অধিক দৃঢ় কৰি তোলে। আজিৰ ব্যস্ত জীৱনত যি আন্তৰিকতা আৰু সময়ৰ অভাৱ দেখা যায়, চাঙঘৰৰ জীৱনত সেই সম্প্ৰীতি সহজভাৱে উপলব্ধ হৈছিল। অসমীয়া উৎসৱ-পাৰ্বণৰ লগতো চাঙঘৰৰ গভীৰ সম্পৰ্ক আছে। বিশেষকৈ ব'হাগ বিহু অসমীয়া মানুহৰ আটাইতকৈ আনন্দময় উৎসৱ। বিহুৰ দিনত চাঙঘৰৰ আঙিনাত ঢোল-পেঁপাৰ মাতত মুখৰিত হৈ উঠে। গাঁৱৰ ডেকা-গাভৰুৱে বিহু নাচে, ঘৰে ঘৰে পিঠা-লাডু বনোৱা হয় আৰু অতিথি আপ্যায়নেৰে ঘৰ ভৰি পৰে। এই উৎসৱসমূহে চাঙঘৰক আনন্দ, মিলন আৰু সংস্কৃতিৰ এক কেন্দ্ৰত পৰিণত কৰে।

চাঙঘৰৰ সৈতে অসমীয়া সাহিত্য আৰু সংগীতৰো গভীৰ সম্পৰ্ক আছে। বহু কবি-সাহিত্যিকে চাঙঘৰক অসমীয়া জীৱনৰ প্ৰতীক হিচাপে বৰ্ণনা কৰিছে। গাঁও, বৰষুণ, নদী আৰু চাঙঘৰৰ মিলনে অসমীয়া সাহিত্যত এক বিশেষ আবেগ সৃষ্টি কৰিছে। লোকগীত, বিহুগীত আৰু আধুনিক গীততো চাঙঘৰৰ উল্লেখ বাৰে বাৰে দেখা যায়। এই উল্লেখসমূহে প্ৰমাণ কৰে যে চাঙঘৰ অসমীয়া মানুহৰ মনোজগতত কিমান গভীৰভাৱে স্থান দখল কৰি আছে।

কিন্তু আধুনিকতাৰ প্ৰভাৱত চাঙঘৰৰ সংখ্যা ক্ৰমাৎ কমি আহিছে। চিমেণ্ট আৰু ইটাৰ পকী ঘৰ নিৰ্মাণৰ প্ৰৱণতা বৃদ্ধি পোৱাৰ ফলত বহু মানুহে পুৰণি চাঙঘৰ এৰি নতুন ধৰণৰ ঘৰলৈ গতি কৰিছে। নগৰায়ণ আৰু জীৱনধাৰাৰ পৰিৱৰ্তনে এই ঐতিহ্যক সংকটৰ সন্মুখীন কৰিছে। তথাপিও বহু মানুহে আজিও চাঙঘৰক নিজৰ শিপা আৰু পৰিচয়ৰ প্ৰতীক হিচাপে মানি লৈছে। বিশেষকৈ গাঁও অঞ্চলত আজিও চাঙঘৰ অসমীয়া সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে বিদ্যমান।

বৰ্তমান সময়ত পৰিৱেশ সংৰক্ষণ আৰু পৰম্পৰাগত স্থাপত্যৰ ওপৰত নতুনকৈ গুৰুত্ব দিয়া হৈছে। এই ক্ষেত্ৰত চাঙঘৰ এক উৎকৃষ্ট উদাহৰণ। সম্পূৰ্ণ প্ৰাকৃতিক সামগ্ৰীৰে নিৰ্মিত এই ঘৰ পৰিৱেশ-বান্ধৱ। গৰমত ঠাণ্ডা আৰু শীতত তুলনামূলক উমাল হোৱা বাবে চাঙঘৰ প্ৰাকৃতিকভাৱে আৰামদায়ক। আধুনিক বিজ্ঞানেও এতিয়া বুজিবলৈ আৰম্ভ কৰিছে যে স্থানীয় পৰিৱেশ অনুযায়ী গঢ়ি উঠা পৰম্পৰাগত স্থাপত্যৰ বিশেষ মূল্য আছে। সেয়েহে বহু গৱেষকে চাঙঘৰৰ গঠন আৰু প্ৰকৃতি-সামঞ্জস্যৰ ওপৰত অধ্যয়ন কৰি আছে।

চাঙঘৰৰ লগত জড়িত আছে অসমীয়া মানুহৰ মানসিক আৱেগো। বহু মানুহে নিজৰ গাঁও এৰি চহৰত বসবাস কৰিলেও মনত আজিও চাঙঘৰৰ স্মৃতি জীয়াই থাকে। দূৰত থাকিলেও শৈশৱৰ সেই বাঁহৰ ঘৰ, বৰষুণৰ দিন, গাঁৱৰ সেউজীয়া পথ আৰু পৰিয়ালৰ সৈতে কটোৱা মুহূৰ্তবোৰে তেওঁলোকক আৱেগিক কৰি তোলে। এই কাৰণেই চাঙঘৰ অসমীয়া মানুহৰ বাবে কেৱল এটা ঘৰ নহয়, ই এক অনুভূতি।

সামগ্ৰিকভাৱে ক'বলৈ গ'লে, চাঙঘৰ অসমীয়া সংস্কৃতি, ঐতিহ্য আৰু জীৱনবোধৰ এক মূল্যবান সম্পদ। ই অসমীয়া মানুহৰ প্ৰকৃতিৰ সৈতে গভীৰ সম্পৰ্ক, সামাজিক সম্প্ৰীতি আৰু আৱেগিক বন্ধনৰ প্ৰতীক। আধুনিকতাৰ যুগতো এই ঐতিহ্য সংৰক্ষণ কৰা অতি প্ৰয়োজনীয়, কিয়নো চাঙঘৰৰ মাজতেই অসমীয়া জাতিৰ শিপা আৰু আত্মাৰ স্পন্দন লুকাই আছে। নতুন প্ৰজন্মই যদি এই ঐতিহ্যৰ মূল্য বুজি সংৰক্ষণ কৰে, তেন্তে চাঙঘৰ আগন্তুক দিনতো অসমীয়া মানুহৰ গৌৰৱৰ প্ৰতীক হিচাপে জীয়াই থাকিব।

**ম'বাইল ঃ** ৮০৯৯৭-৮৭৭৪৭

# পৰীক্ষাত অকৃতকাৰ্যতাই জীৱনৰ বিফলতা নুবুজায়

■ **দিপ্তী মনি গোস্বামী,**
লখিমপুৰ, লালুক

***Failer is the pillar of success***


অকৃতকাৰ্যতাই কৃতকাৰ্যৰ মূল। আমাৰ জীৱন এখন যুদ্ধক্ষেত্ৰ, আমিবোৰ ৰণুৱা। যুদ্ধ বুলিয়েই হৰা-জিকা, জীৱন যুদ্ধত অনেক বিষয় বস্তু সাঙোৰ খাই থাকে। তাৰে এটা বিষয় ছাত্ৰ -ছাত্ৰীসকলৰ পৰীক্ষা পদ্ধতিটোও। সকলো যদি একেবাৰেই জিকি যায়, তেতিয়া হ'লে হাৰিব কোন? আমাক হৰাটোও প্ৰয়োজন,কাৰণ; আমি হাৰিলেহে নিজক সুক্ষ্ম বিশ্লেষণ কৰাৰ সুবিধাকণ পাম। যেতিয়া আমাৰ দুৰ্বল পইণ্টটো আমি বিচাৰি উলিয়াবলৈ সক্ষম হম, তেতিয়া আমাৰ জয় অনিবাৰ্য, মানে জিকি যাম। মকৰা এটাই জাল এখন গাঁথিবলৈ বহুবাৰ প্ৰয়াস কৰাৰ অন্তত হে কৃতকাৰ্যতা হ'ব পাৰে। সিহঁত কিন্তু হতাশ নহয়। গতিকে আমিও সেই উদাহৰণটোকে মাইলৰ খুঁটি হিচাবে লৈ জীৱন যুদ্ধত দুগুণ উৎসাহেৰে আগুৱাই যোৱাটোহে আমাৰ আচল পৰিচয়। জীৱশ্ৰেষ্ঠ মানৱী জনম ধৰাৰ সাৰ্থকতা। সফলতা আৰু বিফলতা আমাৰ জীৱনৰ এটা মুদ্ৰাৰ ইপিঠি সিপিঠি, এটি নিৰূপণৰ দিশ। সফলতাৰ বিপৰীতে বিফলতা, এটা আনটোৰ পৰিপূৰক। আমি সকলোৱে জীৱন যাত্ৰাত সফলতা লাভৰ প্ৰয়াস কৰোঁ। ই সকলোৰে কাম্য। কেতিয়াবা যথাসম্ভৱ চেষ্টা কৰাৰ পিছতো আমি কৰা কাৰ্যত বিফলতাৰ সন্মুখীন হওঁ। সেই আশাহত ফলাফলৰ সন্মুখীন হ'বলৈ বহুত কষ্ট পাওঁ। মানসিকভাৱে ভাগি পৰি মনৰ উদ্যম হেৰুৱাই পেলাওঁ। হতাশাই হৃদয়ত বাঁহ সাজে, ই শুভ লক্ষণ নহয়। আচলতে ই সমুলি অনুচিত। কিয়নো মানুহৰ জীৱনত সফলতা আৰু বিফলতা এই দুয়োটা দিশ অপৰিহাৰ্য। সকলো মানুহ সমানে একে সময়তে সফল হ'ব নোৱাৰে, ই অতি স্বাভাৱিক কথা। সাঁতুৰ খেল এখনত বা পৰ্বতাৰোহণৰ লক্ষ্যত প্ৰতিজন অংশগ্ৰহণ কাৰীয়েই বিজয়ী হ'ব নোৱাৰে বা বিশেষ স্থান দখল কৰিবলৈ সক্ষম হ'ব নোৱাৰে। বহু সংখ্যক আদবাটতে ৰৈ যাব লগীয়াত পৰে। আদবাটতে ৰৈ যোৱা প্ৰতিযোগীসকলক আমি মূল্যহীন বুলি ক'ব নোৱাৰোঁ। কাৰণ তেওঁলোকো একোজন একোজন খেলুৱৈ বা সু-অংশগ্ৰহণকাৰী। মাত্ৰ চেষ্টা কৰাৰ পিছতো তেওঁলোক স্থান লাভ কৰিবলৈ সক্ষম হ'ব পৰা নাই। হয়তো চেষ্টা অব্যাহত ৰাখিলে অনাগত দিনলৈ ভৱিষ্যতলৈ তেওঁলোকেও সেই যথাযোগ্য স্থান লাভ কৰিবলৈ সক্ষম হ'ব। সেই একে দৃষ্টিৰে ফঁহিয়াই চাওঁ......

বৰ্তমানৰ সময়ত মেট্ৰিক বা হায়াৰ ছেকেণ্ডেৰী পৰীক্ষাত বিফল হোৱা বা আশা কৰামতে ফলাফল লাভ কৰিবলৈ সক্ষম নোহোৱা পৰীক্ষাৰ্থীসকলৰ ক্ষেত্ৰতো একেই বুলিব পাৰি। কিছুমান সফল হৈছে আৰু কিছুমান বহু চেষ্টাৰ পিছতো বিফল হৈছে। হয়তো চেষ্টা অব্যাহত ৰাখিলে বিফল হোৱা পৰীক্ষাৰ্থীসকলো এদিন সফল হ'বলৈ সক্ষম হ'ব। ই ধ্ৰুৱপ। দুখৰ বিষয়, বৰ্তমান কিছু কিছু ঠাইত আমি দেখিবলৈ পাইছোঁ যে বহু যত্ন চেষ্টাৰে আগবাঢ়ি বিফল হোৱা পৰীক্ষাৰ্থীসকলৰ মন আজি ভাগি পৰিছে বা হতাশ হৈছে। জীৱনটোৰ প্ৰতি অনিহা মনোভাৱেৰে এটা নেতিবাচক মনোভাৱ কঢ়িয়াই আনিছে। ই কিন্তু একেবাৰেই গ্ৰহণযোগ্য হ'ব নোৱাৰে। পৰীক্ষাত সফল হোৱা মানেই সমস্ত জীৱন সফল তেনে মনোভাৱ একেবাৰেই ভুল ধাৰণা। আৰু বিফল হোৱা মানেই যে সমস্ত জীৱন বিফল, তেনে মনোভাৱ গ্ৰহণ কৰা সিও যোল্ল অনাই ভুল। এই পৰীক্ষা হ'ল আনুষ্ঠানিক শিক্ষাৰ ক্ষেত্ৰখনত আনুষ্ঠানিক মানদণ্ড নিৰূপণ কৰা এটা মাত্ৰ প্ৰক্ৰিয়া বা পদ্ধতি। ই কেতিয়াও কাৰোৰে জীৱনৰ সৰ্বস্ব নহয়। জীৱনটো বহু মূল্যবান। আগলৈ পৰি থকা জীৱনত কৰিবলগীয়া বহু আছে। সফলতা কেৱল আনুষ্ঠানিক শিক্ষাৰ পৰীক্ষাৰ নিৰূপণৰ দ্বাৰা নিৰূপণ কৰা ব্যস্ত নহয়। আমাৰ সমাজ ব্যৱস্থাত প্ৰতিটো দিশৰে প্ৰতিটো বস্তুৰে মূল্য আছে। মূল্যহীন বুলি কোনো বস্তু নাই। সকলো বস্তুৰে এটা নিৰ্দিষ্ট সময়ত মূল্য বিচাৰি পোৱা যায়। বনৰ ৰজা সিংহতকৈও কেতিয়াবা ক্ষুদ্ৰ নিগনিৰ মূল্য অধিক হয়। অৰণ্যৰ মাজত স-গৌৰৱেৰে জিলিকি থকা শাল, চেগুন আদিৰ দৰে মূল্যবান গজজোপাই কৰিব নোৱাৰা কাম এটা ভৰিৰ গছকত মৰা দুৰৰি বা মানিমুনি জোপাই কৰিব পাৰে। আমাৰ দেশৰ আমি সকলো শ্ৰমিক, কিছু ক্ষুদ্ৰ শ্ৰমিক কিছু ডাঙৰ শ্ৰমিক। কিন্তু সকলোৱে একেই দুবেলা দুসাজি খাই জীয়াই আছে। গতিকে সমাজখনত সকলোৰে সৰু-বৰ প্ৰয়োজন অপৰিহাৰ্য। সেয়ে পৰীক্ষাত বিফল হোৱা মানেই হতাশ হৈ পৰা বা জীৱনৰ প্ৰতি মোহভংগ হোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। নতুন উদ্যমেৰে বুকুত সৎ সাহসেৰে টঙালি বান্ধি যুদ্ধ ক্ষেত্ৰত অৱতীৰ্ণ হোৱাৰ মানস কৰাটোহে জীৱ-শ্ৰেষ্ঠ মানৱৰ প্ৰধান আৰু পৰম কৰ্তব্য আৰু লক্ষ্য হোৱাটো বাঞ্ছনীয়।

**ম'বাইল ঃ** ৬০০১৫-৭৪৫০৭

# শিৱসাগৰ আদৰ্শ চিকিৎসালয়ত জিলা পৰ্যায়ত ৰাষ্ট্ৰীয় টীকাকৰণ দিৱসৰ শুভাৰম্ভণি

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ৰাষ্ট্ৰীয় টীকাকৰণ দিৱস (National Immunization Day - NID) উপলক্ষে শিৱসাগৰ নগৰৰ আদৰ্শ চিকিৎসালয়ত যোৱা ২৮ জুন, দেওবাৰে জিলা পৰ্যায়ৰ শুভাৰম্ভণি অনুষ্ঠান সফলতাৰে অনুষ্ঠিত হৈ যায়। এই অনুষ্ঠানটি বন্তি প্ৰজ্বলনেৰে শুভ উদ্বোধন কৰে ৰাজ্যিক পৰ্যবেক্ষক জয়দীপ দাসে (প্ৰজেক্ট মেনেজাৰ,TICA)। লগতে অনুষ্ঠানত অতিৰিক্ত মুখ্য স্বাস্থ্য বিষয়া (Addl CM & HO) তথা ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অৰুন্ধতী বৰা হাজৰিকা, জিলা প্ৰতিষেধক বিষয়া (DIO) ৰুমা শ্যাম, মহকুমা স্বাস্থ্য বিষয়া (মুখ্য কাৰ্যালয়) ডাঃ দিপামণি শইকীয়া, জিলা আঁচনি প্ৰবন্ধক ধ্ৰুৱজ্যোতি শইকীয়া, কল্পনা ভৱালী, ডি পি এইচ এন, জিলা গণমাধ্যম বিশেষজ্ঞ, অন্যান্য স্বাস্থ্য বিষয়া, স্বাস্থ্যকৰ্মী আৰু কেইবাগৰাকীও পাঁচ বছৰ বয়সৰ অনুৰ্দ্ধৰ শিশু আৰু তেওঁলোকৰ পিতৃ-মাতৃসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, এই অনুষ্ঠানৰ জৰিয়তে ৫ বছৰৰ তলৰ প্ৰতিগৰাকী শিশুক পলিঅ'ৰ দুটা টোপাল খুৱাই এখন পলিঅ'মুক্ত শিৱসাগৰ গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰা হয় বুলি জিলা স্বাস্থ্য বিভাগৰ গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকনে জানিবলৈ দিছে। আহক, আমি সকলোৱে নিশ্চিত কৰোঁ-পাঁচ বছৰৰ তলৰ প্ৰতিগৰাকী শিশুৱে যাতে পলিঅ'ৰ দুটা টোপাল অৱশ্যেই সেৱন কৰে।



# চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গণিত আৰু বিজ্ঞান পৰীক্ষাগাৰ উন্মোচন

## চৰকাৰে বিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নয়ণত অধিক গুৰুত্ব দিছেঃ বিধায়ক ৰূপক শৰ্মা



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ উচ্চ শিক্ষাৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনির্মিত গণিত আৰু বিজ্ঞান পৰীক্ষাগাৰটি মঙলবাৰে উন্মোচন কৰা হয়। সমগ্ৰ শিক্ষা আঁচনিৰ অধীনত প্ৰায় ১৯ লাখ টকা ব্যয়ৰে নির্মাণ কৰি উলিওৱা এই পৰীক্ষাগাৰটি এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত আনুষ্ঠানিকভাৱে ফিটা কাটি উন্মোচন কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। তদুপৰি একেটা অনুষ্ঠানতে সাংসদ পুঁজিৰে নির্মিত ছাত্ৰ-ছাত্ৰীৰ অত্যাধুনিক টয়লেটটিও বিধায়কগৰাকীয়ে মুকলি কৰে। এই উপলক্ষে বিদ্যালয়ৰ সভাকক্ষত বিদ্যালয় পৰিচালনা আৰু উন্নয়ণ সমিতিৰ সভাপতি মনোৰঞ্জন বৰাৰ পৌৰহিত্যত এখনি সভা অনুষ্ঠিত কৰা হয়। বিদ্যালয়ৰ সহকাৰী শিক্ষক প্ৰাঞ্জু বৰঠাকুৰে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিৰ আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়ৰ অধ্যক্ষ ৰঞ্জন তামুলীয়ে। বিদ্যালয়ৰ ছাত্ৰী কৃষ্টিকন্যা শইকীয়াৰ দ্বাৰা পৰিৱেশিত এটি বৰগীতেৰে শুভাৰম্ভ কৰা সভাখনিত বিধায়ক ৰূপক শৰ্মাই প্ৰদান কৰা ভাষণত কয় যে--চৰকাৰে ৰাজ্যৰ শিক্ষা ব্যৱস্থা অধিক ত্বৰান্বিত কৰাৰ অৰ্থে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। বিশেষকৈ শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনিৰ উন্নয়ণত চৰকাৰে অধিক গুৰুত্ব আৰোপ কৰি ইয়াৰ বাবে প্ৰয়োজনীয় কাম-কাজ ৰূপায়ণ কৰি আহিছে। ভাষণ প্ৰসংগত তেওঁ দ্বিতীয় বিশ্বযুদ্ধ আৰু প্ৰাক স্বাধীনতা সংগ্ৰামৰ সময়ছোৱাত প্ৰতিষ্ঠা লাভ কৰা চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়খন অনাগত দিনত আদৰ্শ বিদ্যালয়লৈ উন্নিত কৰাৰ পদক্ষেপ গ্ৰহণৰ প্ৰতিশ্ৰুতি দিয়াৰ লগতে ইয়াৰ বাবে বিদ্যালয়ৰ ফলাফল ধাৰাবাহিকভাৱে উন্নত হোৱাৰ লগতে বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অতি কমেও তিনিশ গৰাকী হোৱাৰ ব্যৱস্থা কৰিবলৈ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজৰ প্ৰতি আহ্বান জনায়। গাম্ভীৰ্যপূৰ্ণ সভাখনিত খাগৰিজান আঞ্চলিক পঞ্চায়তৰ সভাপতি ৰাণা বৰা, পাখিমৰীয়া আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী সংগীতা ভূঞা, জামুগুৰি-কুজিদাঁহ পঞ্চায়তৰ সভানেত্ৰী জ্যোতিস্না দাস, আঞ্চলিক পঞ্চায়তৰ সদস্য কৌস্তুৱ বৰা, মাজ জাজৰি-দৰঙীয়াল পঞ্চায়তৰ সভানেত্ৰী হিমাক্ষী শইকীয়া বৰা, আঞ্চলিক পঞ্চায়তৰ সদস্য পূৰবী মহন্ত বৰা, সমগ্ৰ শিক্ষাৰ অভিযন্তা আব্দুছ চাত্তাৰ, খাগৰিজান শিক্ষা খণ্ডৰ অভিযন্তা কুমকুম হাজৰিকা, বিদ্যালয় পৰিচালনা আৰু উন্নয়ণ সমিতিৰ উপ-সভাপতি চেনাৰাম নাথকে প্ৰমুখ্য কৰি অঞ্চলৰ বহুকেইজন বিশিষ্ট ব্যক্তিৰ লগতে বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, মাতৃগোট সদস্যা আদি উপস্থিত থাকে।

# কামপুৰৰ নৱ নির্মিত ৰে'লৰে উৰণ সেতুৰ শোচনীয় অৱস্থা

## বখলা-বখলে এৰাইছে পকীৰ প্ৰলেপ



**জয়ন্ত মুদৈ, নগাঁও ঃ** ৰাইজৰ প্ৰৱল দাবীৰ প্ৰতি সঁহাৰি জনাই কোটি কোটি টকা ব্যয়ৰে নগাঁও জিলাৰ কামপুৰত ৰে'ল বিভাগে নির্মাণ কৰা উৰণ সেতুখনৰ বিভিন্ন স্থানৰ পকী অংশ শেহতীয়াকৈ এৰাই যাবলৈ ধৰাত সচেতন ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কিয়নো, সম্প্ৰতি উৰণ সেতুখনৰ কেইবা ঠাইতো বেলুনৰ দৰে ফুলি যোৱা ৰাইজে প্ৰত্যক্ষ কৰাৰ বিপৰীতে উৰণ সেতুখনৰ এটা স্থানত লোহাৰৰ ৰ'ড পৰ্যন্ত ওলাই গৈছে। যাৰ ফলত দিনটোত হাজাৰো অধিক যান-বাহন চলাচল কৰা উৰণ সেতুখনেদি যাতায়াতৰ ক্ষেত্ৰত বাৰুকৈয়েই অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে ৰাইজ। উল্লেখ্য যে, মাত্ৰ এবছৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুকলি কৰিছিল কামপুৰৰ উৰণ সেতুখন। অৱশ্যে নির্মাণৰ সময়তে উৰণ সেতুখনৰ বিসংগতি সমূহ দেখাই দিছিল সচেতন ৰাইজে। কিন্তু গুৰুত্ব নিদিলে ঠিকাদাৰ তথা ৰে'ল বিভাগে। আনকি এবছৰ পাৰ হৈ যোৱাৰ পাছতো আজি পৰ্যন্ত সেতুখনত কোনো ধৰণৰ পোহৰৰ ব্যৱস্থা নকৰিলে। যাৰ ফলত উৰণ সেতুখনৰ গইনা লৈ বহু অসামাজিক কাৰ্যকলাপ সংঘটিত হোৱাৰো অভিযোগ উত্থাপিত হৈছে বিভিন্ন সময়ত। গতিকে, স্থানীয় সচেতন ৰাইজে শীঘ্ৰে উৰণ সেতুখনৰ বিসংগতিসমূহ দূৰ কৰাৰ লগতে ভগ্ন অংশ সমূহ মেৰামতি কৰি যাতায়াৰ সুচল কৰি তুলিবলৈ ৰে'ল বিভাগক সজোৰে দাবী জনাইছে।

# চুটিগল্পৰ পৃথিৱী, অসমৰ প্ৰথম প্ৰতিষ্ঠা দিৱস উপলক্ষে দুগৰাকী বিশিষ্ট সু-সাহিত্যিকক সম্বৰ্ধনা



**ৰমেন ভৰালী, বংশৰ ঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই কৈছিল 'কামৰূপা মোৰ সুৱদি সুৰীয়া অসমীয়া ভাষা জগত সভালৈ যাব, উজ্বল সুজ্বল কহিনুৰ পিন্ধি হাঁহি জ্যোতিৰূপা হ'ব'। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ এই কথাষাৰকে সাৰোগত কৰি অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত চুটিগল্পৰ প্ৰচাৰ আৰু প্ৰসাৰ তথা পাঠক আৰু লেখক সৃষ্টিৰ প্ৰয়াসেৰে গঠিত 'চুটিগল্পৰ পৃথিৱী, অসম' নামৰ এটি সাহিত্যানুষ্ঠানৰ জন্ম। এই চুটিগল্পৰ পৃথিৱী, অসমৰ মঞ্চখনলৈ চুটিগল্পক ভালপোৱা সমাজখনৰ মৰম, ভালপোৱা আৰু সহযোগিতা সঁচাকৈয়ে আদৰণীয়। অনাগত দিনতো আপোনালোকৰ দিহা-পৰামৰ্শ আৰু সহযোগিতা এনেদৰেই অটুট থাকিব বুলি এই সাহিত্যানুষ্ঠান 'চুটিগল্পৰ পৃথিৱী, অসম'ৰ যোৱা ২৫ জুনত প্ৰথম প্ৰতিষ্ঠা দিৱস উপলক্ষে যোৱা ৩০ জুনত অসমৰ বিশিষ্ট সু-সাহিত্যিক তথা সাহিত্য অকাডেমি বঁটা বিজয়ী জয়ন্ত মাধৱ বৰা আৰু বিশিষ্টা সু-সাহিত্যিক, আধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধ মৃণালিনী দেৱীক তেখেত দুগৰাকী সু-সাহিত্যিকৰে গুৱাহাটীস্থিত বাসগৃহত গৈ সম্বৰ্ধনা জনোৱা হয়। ভাৰতৰ পূৰ্ব দিশৰ সূৰ্য উঠা দেশ আই অসমীৰ শীতল কোলাত জন্মগ্ৰহণ কৰি জাতিৰ দাপোন স্বৰূপ সাহিত্য আৰু আধ্যাত্মিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদান আৰু চুটিগল্পৰ পৃথিৱী, অসমৰ মুখ্য উপদেষ্টা হিচাপে যোৱা এবছৰে চুটিগল্পৰ পৃথিৱী, অসমৰ মঞ্চখনত চিন্তাৰ বীজেৰে অঙ্কুৰিত হোৱা সাহিত্যৰ সৃষ্টিৰাজিৰে জাতীয় জীৱনৰ মূল্যবোধক নিৰন্তৰ উৎসাহিত কৰি আহিছে। আধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধ সৃষ্টিৰাজি নতুন প্ৰজন্মৰ সোণোৱালী ভৱিষ্যত গঢ়াৰ কণ্টকময় পথ মসৃণ কৰাৰ মহাস্ত্ৰ হিচাপে বিশিষ্টা সু-সাহিত্যিক আধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধ, আদৰ্শ মাতৃ বঁটাৰে বিভূষিত মৃণালিনী দেৱী আৰু অসমীয়া ভাষা-সাহিত্যৰ আকাশত এক উজ্বল জ্যোতিষ্ক হিচাপে জীৱনজোৰা সাহিত্য সাধনা, গভীৰ জীৱনবোধ আৰু অনন্য সৃষ্টিশীলতাৰ স্বীকৃতিস্বৰূপে ভাৰতীয় সাহিত্যৰ সৰ্বোচ্চ সন্মান সাহিত্য অকাডেমি বঁটাৰে সমগ্ৰ অসমীয়া জাতিকে গৌৰৱান্বিত কৰা কালজয়ী সৃষ্টি 'মৰিয়াহোলা' গ্ৰন্থই অসমীয়া সাহিত্যক ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰাৰ লগতে অগণন পাঠকৰ হৃদয়ত মানৱতা, প্ৰেম আৰু সমাজ চেতনাৰ বীজ ৰোপণ কৰি অসমৰ মাটিৰ গোন্ধ, মানুহৰ সুখ-দুখ আৰু জাতীয় জীৱনৰ স্পন্দন বিশ্ব দৰবাৰত প্ৰতিধ্বনিত কৰি সাধকৰ বাবেই অসমীয়া ভাষা আজিও জীয়াই আছে, বৈ আছে, গৌৰৱেৰে শিৰ তুলি আছে। নতুন প্ৰজন্মৰ সাহিত্যিকৰ বাবে এক জীৱন্ত অনুপ্ৰেৰণাৰ প্ৰতীক হিচাপে বিশিষ্ট সু-সাহিত্যিক জয়ন্ত মাধৱ বৰাক সম্বৰ্ধনা জনোৱা হয়। এই সম্বৰ্ধনা অনুষ্ঠানত চুটিগল্পৰ পৃথিৱী, অসমৰ সভাপতি ৰমেন ভৰালী, উপ-সভাপতি তথা সংকলন সম্পাদিকা পূৰৱী বৰুৱা ফুকন, ৰত্না ৰংচেহন পী, ঊষা কিৰণ মজুমদাৰ আৰু জিতু মনি দাস উপস্থিত আছিল।

# শিৱসাগৰ জিলা আয়ুক্তৰ সৈতে নদীসমূহৰ বৰ্ধিত জলপৃষ্ঠৰ সন্দৰ্ভত পৰ্যালোচনা অভিভাৱক মন্ত্ৰী বিমল বড়াৰ



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ লগতে শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বড়াই ইংৰাজী ২৯ জুন তাৰিখে শিৱসাগৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ ভাৰ্চুৱেল সভাকক্ষত শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত মৃদুল যাদৱ প্ৰমুখ্যে অন্যান্য বিভাগীয় বিষয়াসকলৰ সৈতে জিলাখনৰ নদীসমূহৰ বৰ্ধিত জলপৃষ্ঠ সন্দৰ্ভত আলোচনা কৰাৰ অৰ্থে এখন জৰুৰী পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। উল্লেখ্য যে, সভাত মন্ত্ৰীগৰাকীয়ে জিলাখনৰ দুৰ্যোগ প্ৰশমন ব্যৱস্থাপনা আৰু বিভিন্ন উন্নয়নমূলক পদক্ষেপৰ অগ্ৰগতিৰ বিস্তৃত পৰ্যালোচনা কৰাৰ লগতে যিকোনো দুৰ্যোগৰ মুখামুখি হ'ব পৰাকৈ পৰ্যাপ্ত ব্যৱস্থা আগতীয়াকৈ প্ৰস্তুত কৰাৰ লগতে জনসাধাৰণে সময়মতে উন্নয়নমূলক আঁচনিৰ সুফল লাভ কৰাটো নিশ্চিত কৰিবলৈ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। উক্ত সভাত জিলা আয়ুক্তৰ সৈতে জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাস, অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া মীনাক্ষী পেৰ্মে, সহকাৰী আয়ুক্ত পৰীস্মিতা দিহিঙীয়া, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া বিজয়লক্ষ্মী গগৈ আৰু সংশ্লিষ্ট বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

# শংকৰদেৱৰ গুৰুজনাৰ জন্মভূমি সংযোগী পথৰ দুয়োকাষক নান্দনিক ৰূপ দিয়াৰ প্ৰয়াস

## শুভা বৰ্ধন কৰিব শাৰী শাৰী থলুৱা গছৰ আচ্ছাদনে



**জয়ন্ত মুদৈ, নগাঁও ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ জন্মস্থান বটদ্ৰৱা থানলৈ যোৱা সমগ্ৰ পথছোৱাক এক নান্দনিক ৰূপ দিয়াৰ লক্ষ্যৰে নগাঁও চহৰৰ পৰা ঐতিহাসিক বটদ্ৰৱা থান পৰ্যন্ত পথৰ দুয়োকাষে গছপুলি ৰোপণ কৰি এক সুন্দৰ, শীতল আৰু প্ৰকৃতি-অনুকূল পৰিৱেশ গঢ়ি তোলাৰ বাবে পূৰ্ণ প্ৰস্তুতি চলোৱা হৈছে। জানিব পৰা মতে, পৰিৱেশ সুৰক্ষাৰ লগতে যাত্ৰাপথৰ সৌন্দৰ্য বৰ্ধনৰ উদ্দেশ্যেৰে পথৰ দুয়োকাষে শাৰী শাৰীকৈ কৃষ্ণচূড়া, ৰাধাচূড়া, এজাৰ আৰু নাহৰৰ দৰে আমাৰ থলুৱা তথা মনোমোহা গছসমূহ ৰোপণ কৰা হ'ব। যাৰ ফলত ভৱিষ্যতে এই পথছোৱা প্ৰতিগৰাকী তীৰ্থযাত্ৰী আৰু পৰ্যটকৰ বাবে অত্যন্ত আকৰ্ষণীয় হৈ পৰিব। সেই অনুসৰি, খাগৰিজান উন্নয়ন খণ্ডৰ সৌজন্যত যুগুত কৰা এই অভিলাষী আঁচনিৰ সোমবাৰে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়।

এই মৰ্মে, বটদ্ৰৱাৰ শান্তিজান বজাৰত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উপস্থিত থাকি নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা আৰু জিলা আয়ুক্ত দেৱাশীষ শৰ্মা এই কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে। নিজৰ ভাষণত বিধায়ক ৰূপক শৰ্মাই এই সেউজ পদক্ষেপৰ বিষয়ে আলোকপাত কৰি কয় যে- মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থানলৈ অহা ভক্ত আৰু পৰ্যটকসকলক এক আধ্যাত্মিক তথা প্ৰাকৃতিকভাৱে মায়াময় পৰিৱেশ উপহাৰ দিয়াটো আমাৰ কৰ্তব্য। এই বৃক্ষৰোপণ অভিযানে কেৱল পথছোৱাৰ সৌন্দৰ্যই বৰ্ধন নকৰে, বৰঞ্চ অঞ্চলটোৰ পৰিৱেশ সুৰক্ষাতো এক বৈপ্লৱিক ভূমিকা গ্ৰহণ কৰিব। তেখেতে স্থানীয় ৰাইজক এই গছপুলি নিজৰ সন্তানৰ দৰে প্ৰতিপালন কৰিবলৈ আহ্বান জনায়। লগতে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই নিজৰ ভাষণত কয় যে- গোলকীয় উষ্ণতা বৃদ্ধিৰ এই সময়ত এনেধৰণৰ সেউজ প্ৰকল্পৰ প্ৰাসংগিকতা অতি বেছি। থলুৱা গছ-গছনিৰে পথছোৱা সজাই তুলিলে পৰিৱেশ সন্তুলন ৰক্ষা পৰাৰ লগতে বাটচ'ৰাটোৱে এক স্বকীয় অসমীয়া ঐতিহ্য বহন কৰিব। তেখেতে বিভিন্ন বিভাগ আৰু স্থানীয় আত্মসহায়ক গোটসমূহক এই কাৰ্যত সক্ৰিয়ভাৱে জড়িত হৈ থকাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তদুপৰি 'এজোপা গছ হাজাৰ জনৰ প্ৰাণ, গছ থাকিলেহে আমি থাকিম, গছ ৰুই যাওঁ' শীৰ্ষক এই কাৰ্যসূচীৰ শুভাৰম্ভণি অনুষ্ঠানত জিলা আয়ুক্তগৰাকীয়ে সুধাকণ্ঠৰ 'মানুহে মানুহৰ বাবে' শীৰ্ষক কালজয়ী গীতটি পৰিৱেশন কৰি ৰাইজক আপ্লুত কৰি তোলে। এই কাৰ্যসূচীত নগাঁও জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলী হাজৰিকা, নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়া, আঞ্চলিক বন বিষয়া সুহাস কদম, খাগৰিজান উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া প্ৰাণজিৎ দত্ত, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ নগাঁও জিলা প্ৰকল্প পৰিচালক শংখপ্ৰবাল শ্যাণ্ডিল্য, বিশিষ্ট সমাজকৰ্মী সুৰ্বণ সিং, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা সমিতিৰ বিষয়ববীয়া, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ বিষয়ববীয়া, বিভিন্ন বিভাগৰ বিষয়ববীয়া, পঞ্চায়তৰ প্ৰতিনিধিসকল, আত্মসহায়ক গোটৰ মহিলাসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

*প্ৰথম পৃষ্ঠাৰ পৰা*

## ককাদেউতা, নাতি আৰু হাতী ২

স্মৰণ কৰিবলৈ বাধ্য হয়। কেতিয়াবা এখন চলচ্চিত্ৰ মুক্তিৰ আগতেই তাৰ কাহিনী আৰম্ভ হৈ যায়। পৰ্দাত দেখা কাহিনীটোৰ বহু আগতেই জন্ম লয় আন কিছুমান কাহিনীৰ- মানুহৰ, স্মৃতিৰ, সংগ্ৰামৰ, সম্পৰ্কৰ আৰু সময়ৰ। ঠিক তেনেদৰেই নানা কৌতূহলৰ মাজেৰে আজি ৩ জুলাইত মুক্তিলাভ কৰিব অসমীয়া চলচ্চিত্ৰ 'ককাদেউতা, নাতি আৰু হাতী ২'। অসমীয়া চলচ্চিত্ৰৰ ইতিহাসত কিছুমান নাম আছে যিসমূহ নামে দৰ্শকৰ মাজত এক বিশেষ বিশ্বাসৰ জন্ম দিয়ে। নিপ বৰুৱা, নিপন গোস্বামী, প্ৰাঞ্জল শইকীয়া, মৃদুলা বৰুৱা, তপন দাস, যতীন বৰা, উৎপল দাস, প্ৰস্তুতি পৰাশৰ- এই নামসমূহে কেৱল শিল্পীৰ পৰিচয় বহন নকৰে, বহন কৰে দৰ্শকৰ স্মৃতি। মুক্তিৰ ক্ষণ গণা 'ককাদেউতা, নাতি আৰু হাতী ২'ত উৎপল দাসক দেখা যাব এক বিশেষ গুৰুত্বপূৰ্ণ চৰিত্ৰত। লগত আছে বিশিষ্ট অভিনেতা যতীন বৰা, অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ আৰু বহু অভিজ্ঞ আৰু প্ৰতিভাশালী শিল্পী তপন দাস। ইয়াৰোপৰি আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অভিনেতা আদিল হুছেইনৰো সমাৱেশ ঘটা দেখিবলৈ পোৱা যাব এই চলচ্চিত্ৰখনত। এই সমাৱেশ কেৱল কাষ্টিং নহয়; ই একাধিক সময়, একাধিক অভিজ্ঞতা আৰু একাধিক সফলতাৰ সমাৱেশ। তদুপৰি আছে পৰিচালক বিশ্বজিৎ বৰাৰ নাম। তেওঁৰ কামৰ ধৰণ লক্ষ্য কৰিলে দেখা যায় যে তেওঁ বাণিজ্যিক আৰু কলাত্মক চলচ্চিত্ৰৰ মাজত কৃত্ৰিম বিভাজন সৃষ্টি নকৰে। কাহিনীৰ প্ৰয়োজন অনুসৰি তেওঁ চলচ্চিত্ৰক গঢ় দিয়ে। সেই কাৰণেই তেওঁৰ নতুন ছবিক লৈ দৰ্শকৰ কৌতূহল স্বাভাৱিক। ইতিমধ্যে সদ্যমুক্তিপ্ৰাপ্ত ছবিখনিৰ ট্ৰেইলাৰে ইংগিত বহন কৰিছে যে 'ককাদেউতা, নাতি আৰু হাতী ২' কেৱল এখন সাধাৰণ পাৰিবাৰিক ছবি নহয়। ইয়াত আছে উন্নত কাৰিকৰী কৌশল, বৃহৎ পৰিসৰৰ নিৰ্মাণশৈলী, অভিজ্ঞ শিল্পীৰ সমাৱেশ আৰু দৰ্শকৰ আবেগ স্পৰ্শ কৰিব পৰা উপাদান। ইয়াকে লৈ এতিয়া চৰ্চা আৰম্ভ হৈছে বস্ত্ৰনগৰীৰ মহাবিদ্যালয়, বজাৰ সমাৰ, ৰাজহুৱা স্থান সকলোতে। যথেষ্ট সংখ্যকে কব বিচাৰিছে যে 'ককাদেউতা, নাতি আৰু হাতী ২' হ'ব অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ এক বৃহৎ সফলতা। অসমীয়া চলচ্চিত্ৰজগতে এতিয়াও পূৰ্ণাংগ উদ্যোগ হিচাপে নিজকে সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিব পৰা নাই যদিও যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ প্ৰচেষ্টাত অসমীয়া চলচ্চিত্ৰ জগতখনে সফলতাৰ দিশলৈ আগুৱাই যাবলৈ সক্ষম হৈছিল। এতিয়াও বাণিজ্যিকভাৱে সফল, দৰ্শকনন্দিত আৰু গুণগত ছবিৰ ধাৰাবাহিকতাই সেই পথ মসৃণ কৰিব পাৰিব বুলি আশা কৰিছে বস্ত্ৰনগৰীৰ ৰাইজে। এসময়ত অসমীয়া ছবি চাবলৈ দৰ্শক দৌৰি দৌৰি চিনেমা হললৈ গৈছিল। জুবিন গাৰ্গে 'মিছন চাইনা'ৰ সময়ত উচ্চাৰণ কৰা আহ্বান- 'দৌৰি দৌৰি যাম, অসমীয়া চিনেমা চাম' - কেৱল এটা প্ৰচাৰ বাক্য নাছিল, সেয়া আছিল অসমীয়া চলচ্চিত্ৰক জীয়াই ৰখাৰ এক সাংস্কৃতিক আন্দোলন। সেই আন্দোলনৰ জুইযে আজিও নুমাই যোৱা নাই সেই কথা পুনৰ যেন প্ৰমাণিত হোৱাৰ পথত। 'ককাদেউতা, নাতি আৰু হাতী ২'ক লৈ সকলো যেন আশাবাদী। যদিও ৰাজ্যখনৰ চৌদিশে ছবিখন দৰ্শকে হৃদয়েৰে গ্ৰহণ কৰে, তেন্তে এই চলচ্চিত্ৰখনে বাণিজ্যিক সফলতাৰ সীমা অতিক্ৰম কৰি অসমীয়া চলচ্চিত্ৰ উদ্যোগলৈ নতুন আত্মবিশ্বাস, নতুন শক্তি আৰু নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব পাৰিব যেন অনুমান হয়।

# ঘগ্ৰাপাৰৰ নৱনিযুক্ত ৰাজহ-চক্ৰ বিষয়াৰ সাংবাদিকসহ বিভিন্ন দল-সংগঠনৰ সৈতে মত-বিনিময়



**মমতাজ আহমেদ, ঘগ্ৰাপাৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ-চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ নৱনিযুক্ত ৰাজহ-চক্ৰ বিষয়া হিৰোমণি মিলিয়ে ২০ জুনৰ আবেলি ভাগত ঘগ্ৰাপাৰ ৰাজহ-চক্ৰ বিষয়া কাৰ্যালয়ত সাংবাদিক, জ্যেষ্ঠ নাগৰিক, আছু, বিজেপি, কংগ্ৰেছসহ বিভিন্ন দল-সংগঠনৰ সৈতে পৃথকে পৃথকে মত-বিনিময় কৰে। ঘগ্ৰাপাৰ প্ৰেছ ক্লাৱৰ তৰফৰ পৰা ৰাজহ-চক্ৰ বিষয়া গৰাকীক অভিনন্দন জ্ঞাপন কৰা হয়। ঘগ্ৰাপাৰ প্ৰেছ ক্লাৱৰ সাংবাদিকৰে হোৱা মত-বিনিময় অনুষ্ঠানৰ পুৰ্বে ঘগ্ৰাপাৰ প্ৰেছ ক্লাবৰ তৰফৰ পৰা বিষয়া গৰাকীক ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। ইপিনে সাংবাদিকৰে হোৱা আলোচনাত ৰাজহ-চক্ৰ বিষয়া গৰাকীয়ে আগন্তুক দিনত বিভিন্ন দিশত সাংবাদিকসকলৰ পৰা সহযোগ বিচাৰে লগতে চৰকাৰী কাম -কাজ, উন্নয়নমুলক আঁচনিৰ প্ৰচাৰ আৰু স্থানীয় সমস্যা সমাধানৰ ক্ষেত্ৰতো সহযোগিতা কামনা কৰে। তদুপৰি মাটিৰ সমস্যা, ভূমিৰ বেদখল, বা দুৰ্যোগ ব্যৱস্থাপনা সম্পৰ্কে কিবা খবৰ থাকিলে বিষয়াগৰাকীৰ সৈতে পোনপটীয়াকৈ যোগাযোগ কৰিবলৈও আহ্বান জনায়। আনহাতে ৰাজহ-চক্ৰ বিষয়া গৰাকীৰ সৈতে সাংবাদিকৰে হোৱা মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে অসমীয়া প্ৰতিদিন কাকতৰ সাংবাদিক তপন দাস, নিয়মীয়া বাৰ্তা কাকতৰ সাংবাদিক বীৰেন কলিতা, আমাৰ অসম কাকতৰ সাংবাদিক ৰাতুল চন্দ্ৰ ডেকা, দৈনিক অসম কাকতৰ সাংবাদিক হামিদ আলী, অসমীয়া খবৰ কাকতৰ সাংবাদিক জগত তালুকদাৰ, দৈনিক অগ্ৰদূত কাকতৰ সাংবাদিক দ্বিজেন ডেকা, বাতৰি কাকতৰ সাংবাদিক ৰবীন্দ্ৰনাথ কলিতাই। উক্ত অনুষ্ঠানতে সাংবাদিক সকলে ঘগ্ৰাপাৰ অঞ্চলৰ কেইবাটাও গুৰুত্বপূৰ্ণ সমস্যাৰ বিষয়ে চক্ৰ বিষয়া গৰাকীক অৱগত কৰে। ইয়াৰ পাছতে ৰাজহ-চক্ৰ বিষয়া গৰাকীয়ে ঘগ্ৰাপাৰ অঞ্চলৰ অন্যান্য দল-সংগঠনৰ সৈতে বৈঠকত মিলিত হয়।

# নগাঁৱৰ বঢ়মপুৰৰ বৰবাৰীত চৰকাৰী পথৰ দখলক লৈ উত্তপ্ত পৰিস্থিতি



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ বঢ়মপুৰৰ বৰবাৰীত কেইবাশ পৰিয়ালৰ ভূমিক কেন্দ্ৰ কৰি পৰিস্থিতিৰ সৃষ্টি হৈছে। স্থানীয়লোকে জানিবলৈ দিয়া মতে- বৰবাৰী অঞ্চলৰে প্ৰায় ৩০০ গৃহস্থীৰ মাটিৰ মাজেদিয়েই পথাৰলৈ অহা যোৱা এটি চৰকাৰী পথ আছে। প্ৰায় দুবছৰ মান পূৰ্বে সেই স্থানতে এটি পৰিয়ালে স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। এতিয়া কথা হ'ল যিহেতু সেই চৰকাৰী পথটোদিয়েই স্থানীয় লোকসকলে পথাৰলৈ অহা-যোৱা কৰে। তেনেস্থলত দুবছৰ পূৰ্বে বাস কৰা পৰিয়াটোৰ সদস্যসকলে সেই পথটোদি অহা-যোৱা গাঁৱৰ স্থানীয় লোকসকলক বিভিন্ন অজুহাত দেখুৱাই সেই পথটোদি অহা-যোৱা বন্ধ কৰি দিয়ে। সেয়ে আজি স্থানীয় ৰাইজ একত্ৰিত ৰাজপথলৈ ওলাই আহে। ৰাইজৰ অভিযোগ অনুসৰি এটি চৰকাৰীভাৱে অনুমোদন প্ৰাপ্ত এটি পথত এখন গাঁৱৰ ৰাইজক অহা-যোৱা কেনেদৰে বন্ধ কৰিব বুলি স্থানীয় ৰাইজ আৰু পৰিয়াটিৰ মাজত বাক যুদ্ধৰ সৃষ্টি হয়। পিছলৈ পুৰণিগুডাম আৰক্ষীচকীৰ পৰা আৰক্ষীৰ লোক ঘটনাস্থলীত উপস্থিত হোৱাত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে। উল্লেখ্য যে ঘটনাৰ সন্দৰ্ভত ৰাইজৰ অভিযোগৰ ভিত্তিত পৰিয়ালটিৰ ওপৰত আৰক্ষীয়ে এতিয়া কি ব্যৱস্থা হাতত লয় সেয়া সময়তহে গম পোৱা যাব।

# শিশু সুৰক্ষা আৰু POCSO আইন

## শিক্ষকৰ দায়বদ্ধতা, প্ৰতিৰোধ আৰু সামাজিক জাগৰণ

**প্ৰেম বৈষ্ণৱ,** বিহালী, বিশ্বনাথ

**শি**ক্ষা মানৱ জীৱনৰ এক পবিত্ৰ যাত্ৰা। এই যাত্ৰাই মানুহক অন্ধকাৰৰ পৰা পোহৰৰ দিশলৈ লৈ যায়। শিক্ষক কেৱল জ্ঞানৰ বিতৰক নহয়, তেওঁ এগৰাকী নিৰ্ভীক পথপ্ৰদৰ্শক। আজিৰ পৰিৱৰ্তিত সমাজ ব্যৱস্থাত জ্ঞানদানৰ দায়িত্বৰ সমান্তৰালভাৱে শিক্ষকৰ কান্ধত এক অতি গধুৰ দায়িত্ব আহি পৰিছে - সেয়া হৈছে শিশু সুৰক্ষা। বৰ্তমান সময়ত শিশুসকলে বিভিন্ন ধৰণৰ যৌন অপৰাধৰ সন্মুখীন হৈছে। এই ভয়াৱহ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে POCSO আইন প্ৰৱৰ্তন কৰিলে। প্ৰাথমিক পৰ্যায়ৰ শিক্ষকসকল শিশুৰ আস্থাৰ পাত্ৰ হোৱা বাবে এই আইনৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতা অপৰিসীম।

POCSO আইনৰ দৰ্শন আৰু আইনী ভিত্তি কি? এই প্ৰশ্নৰ উত্তৰ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকা আৰু সৰ্বসাধাৰণ ৰাইজে জনাটো খুবেই প্ৰয়োজন। ২০১২ চনত কাৰ্যকৰী হোৱা POCSO আইনখন শিশুৰ অধিকাৰ ৰক্ষাৰ সংকল্প। ইয়াৰ মূল লক্ষ্য ১৮ বছৰৰ অনুৰ্ধৰ শিশুক লিংগ ভেদাভেদ নোহোৱাকৈ সুৰক্ষা প্ৰদান কৰা। আইনখনৰ অধীনত প্ৰযুক্তিৰ অপব্যৱহাৰ আৰু প'ৰ্ণ'গ্ৰাফীৰ প্ৰভাৱ আদি বিষয়বোৰো সামৰি লোৱা হৈছে। বিশেষকৈ শিক্ষকৰ বাবে এই আইনৰ ধাৰাসমূহ জনাটো নৈতিক দায়িত্ব, কিয়নো অভিযুক্তৰ বিৰুদ্ধে গোচৰ তৰাৰ সময়ত শিশুৰ পৰিচয় গোপন ৰখাটো আইনী বাধ্যবাধকতা।

এই বিষয়ে পৰ্যালোচনা কৰিলে 'গুড টাচ' আৰু 'বেড টাচ' কি সেয়া ভালকৈ জানিব লাগিব। শিশুৰ সুৰক্ষাৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ পাঠ হৈছে নিজৰ শৰীৰৰ সীমা নিৰ্ধাৰণ কৰা। অধিকাংশ শিশুৱে অসংগত স্পৰ্শৰ পাৰ্থক্য বুজি নোপোৱাৰ বাবে বিপথগামী লোকৰ কবলত পৰে। শিক্ষক হিচাপে আমাৰ প্ৰাথমিক দায়িত্ব হৈছে শিশুক শৰীৰৰ প্ৰতিটো অংশৰ পবিত্ৰতাৰ বিষয়ে অৱগত কৰা। 'গুড টাচ' হৈছে মৰম আৰু সুৰক্ষাৰ প্ৰতীক। শিশুৱে যেতিয়া মাক-দেউতাকৰ সাৱটি লোৱা অনুভৱ কৰে বা শিক্ষকৰ পৰা পিঠিত স্নেহশীল স্পৰ্শ পায়, তেতিয়া তেওঁলোকৰ মনত নিৰাপত্তাবোধ জন্ম হয়। ইয়াৰ বিপৰীতে, 'বেড টাচ' হৈছে সেই আচৰণ যিয়ে শিশুৰ মনত অস্বস্তি, ভয় বা অপৰাধবোধৰ সৃষ্টি কৰে।

যদি কোনো ব্যক্তিয়ে শিশুৰ বক্ষস্থল, উৰুৰ মাজভাগ বা নিতম্বৰ দৰে ব্যক্তিগত অংগত স্পৰ্শ কৰে, তেন্তে সেয়া স্পষ্টভাৱে 'বেড টাচ'। ইয়াৰ উপৰিও, অস্বাভাৱিকভাৱে ঘনিষ্ঠ হোৱা বা অশালীন অংগী-ভংগী প্ৰদৰ্শন কৰাটোও এই পৰিসৰৰ অন্তৰ্ভুক্ত। শিক্ষকসকলে শিশুসকলক বুজাব লাগে যে শৰীৰৰ এই অংশবোৰ তেওঁলোকৰ ব্যক্তিগত সম্পত্তি আৰু কাৰো অধিকাৰ নাই সেয়া স্পৰ্শ কৰাৰ। যদি কোনো অচিনাকি ব্যক্তিয়ে উপহাৰ, মিঠাই বা টকাৰ প্ৰলোভন দি শিশুৰ শৰীৰ স্পৰ্শ কৰিবলৈ চেষ্টা কৰে, তেন্তে শিশুটিয়ে তৎক্ষণাত সেই ব্যক্তিজনক সম্পূৰ্ণৰূপে নাকচ কৰিব লাগে।

আমি শিশুসকলক শিকাব লাগে যে তেওঁলোকৰ শৰীৰৰ মালিক তেওঁলোকে নিজেই। আনকি কোনো পৰিচিত আত্মীয়ৰ আচৰণ যদি অস্বস্তিকৰ হয়, তেন্তে তাকো কেতিয়াও উপেক্ষা কৰিব নালাগে। শিশুক শিকাব লাগে যে যদি কিবা স্পৰ্শত তেওঁলোকে নিজৰ মনত যন্ত্ৰণা অনুভৱ কৰে, তেন্তে সেই কাৰ্যটো লগে লগে পৰিহাৰ কৰিব লাগে। শিক্ষকসকলে শ্ৰেণীকোঠাত এনেদৰে অভিনয় বা চিত্ৰৰ মাধ্যমেৰে এই পাঠটো দিব লাগে যাতে শিশুৰ মনত ভয়ৰ সলনি সতৰ্কতাৰ সৃষ্টি হয়। শিশুৰ মনত এই বিশ্বাসটো সোমোৱাই দিব লাগে যে, 'বেড টাচ' কৰা ব্যক্তিজনৰ বিৰুদ্ধে চিঞৰাটো কোনো লাজৰ কথা নহয়, আচলতে সেয়া নিজৰ সুৰক্ষাৰ অধিকাৰহে। তেওঁলোকক শিকাব লাগে - 'না' ক'বলৈ শিকাটোৱেই জীৱনৰ আটাইতকৈ ডাঙৰ সাহস। যদি কোনোবাই তেওঁলোকক ভয় দেখুৱায় যে এই কথা কাৰোবাক ক'লে বিপদ হ'ব, তেন্তে শিশুটিয়ে জানিব লাগে যে সেই ধমকটো অপৰাধীৰ নিজৰ বচাৱৰ বাবে কৰা প্ৰৱঞ্চনাহে। এনে ধৰণৰ প্ৰতিটো সতৰ্কবাণীয়ে শিশুক এক সুৰক্ষিত মানসিক পৰিসৰ প্ৰদান কৰিব।

বিদ্যালয় কেৱল পাঠ্যপুথিৰ শিক্ষাৰ স্থান নহয়, ই সুৰক্ষাৰ প্ৰথম শিক্ষানুষ্ঠান। শ্ৰেণীকোঠাৰ পৰিৱেশ এনে হ'ব লাগে যাতে ছাত্ৰ-ছাত্ৰীয়ে কোনো ভয় অবিহনে নিজৰ কথা প্ৰকাশ কৰিব পাৰে। শিক্ষকৰ সৈতে গঢ়া মৰমৰ সম্পৰ্কই তেওঁলোকক নিৰ্ভীক কৰি তোলে। শ্ৰেণীকোঠাত এনে এক পৰিৱেশ সৃষ্টি কৰিব লাগে য'ত শিশুৱে অনুভৱ কৰিব পাৰে যে শিক্ষক তেওঁলোকৰ সুৰক্ষাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

শিশুৰ স্বভাৱত হোৱা পৰিৱৰ্তনবোৰ গভীৰ কথাৰ ইংগিত দিয়ে। অকাৰণত কান্দি থকা, স্কুললৈ আহিবলৈ ভয় কৰা বা অকলশৰীয়া হৈ পৰা - এইবোৰ লক্ষণে ইংগিত দিয়ে যে শিশুটি হয়তো কোনো মানসিক আঘাতৰ মাজেৰে পাৰ হৈছে। এনে সময়ত শিক্ষকে ধৈৰ্যৰে শিশুটিৰ সৈতে ব্যক্তিগত কথোপকথন কৰিব লাগে। শিক্ষকৰ সূক্ষ্ম নিৰীক্ষণ শক্তিয়ে বিপদত পৰা শিশুৰ বিষাদ ধৰা পেলাবলৈ সক্ষম হয়। প্ৰতিটো অস্বাভাৱিক আচৰণৰ আঁৰত থকা কাহিনীটো বুজি পোৱাৰ দায়িত্ব শিক্ষকৰ।

আইনৰ ধাৰা ২১ অনুযায়ী, নিৰ্যাতনৰ কথা অৱগত হোৱাৰ পাছত সেয়া আৰক্ষীক নজনোৱাটো দণ্ডনীয় অপৰাধ। বহু সময়ত শিক্ষকসকলে সমাজৰ ভয়ত ঘটনা লুকুৱাবলৈ চেষ্টা কৰে। আমাৰ কৰ্তব্য নিৰ্ভয়ে আৰক্ষী বা শিশু কল্যাণ সমিতিক অৱগত কৰা। শিক্ষক হিচাপে আমাৰ দায়বদ্ধতা সুৰক্ষাৰ প্ৰহৰী হোৱা। যদি আমি পদক্ষেপ নলওঁ, তেন্তে অপৰাধীৰ সৈতে সাঙোৰ খাই পৰিম।


ইণ্টাৰনেটৰ যুগত চাইবাৰ নিৰ্যাতন এক জটিল প্ৰত্যাহ্বান। অনলাইন গেম বা ছচিয়েল মিডিয়াৰ জৰিয়তে শিশুসকলক যৌন নিৰ্যাতনৰ জালত পেলোৱাৰ চেষ্টা চলোৱা হয়। শিক্ষকসকলে অভিভাৱকৰ সৈতে মিলি মোবাইল ফোনৰ সঠিক ব্যৱহাৰৰ বিষয়ে সজাগ কৰিব লাগে। 'প্ৰাইভেচী' কি, কিমানখিনি তথ্য ইণ্টাৰনেটত দিব লাগে - এই সকলোবোৰ বিষয় শিক্ষকসকলে ক্লাছত মুকলিভাৱে আলোচনা কৰিব লাগে। অভিভাৱক সভাৰ জৰিয়তে গাঁও বা নগৰৰ প্ৰতিটো পৰিয়ালৰ লগত সংযোগ স্থাপন কৰা সম্ভৱ। অভিভাৱক সভাত POCSO আইনৰ ওপৰত আলোচনা কৰি সমাজত থকা ভুল ধাৰণাবোৰ আঁতৰাব লাগে। শিক্ষকৰ নেতৃত্বত সামাজিক বিপ্লৱ গঢ়ি তুলিব পাৰি, য'ত শিশুৰ সুৰক্ষাক সকলোতকৈ ওপৰত স্থান দিয়া হ'ব।

শিক্ষক হোৱাটো বিশাল দায়িত্ব। সমাজৰ আৱৰ্জনাৰ পৰা শিশুক বচাই ৰখাৰ ঢাল হৈছে শিক্ষক। শিক্ষকৰ নিজৰ আচৰণ স্বচ্ছ আৰু আৰ্হি স্বৰূপ হ'ব লাগিব। আদৰ্শ শিক্ষক তেৱেঁই, যি নিজৰ ব্যক্তিত্বৰে শিশুৰ বাবে সুৰক্ষিত পৰিৱেশ সৃষ্টি কৰিব পাৰে। শিক্ষকসকলে নিয়মিতভাৱে কৰ্মশালাৰ জৰিয়তে নিজক আপ-টু-ডেট কৰি ৰাখিব লাগে। বিদ্যালয়ত নিয়মিতভাৱে সুৰক্ষা বিষয়ক আলোচনা-চক্ৰ অনুষ্ঠিত কৰিব লাগে, য'ত আইন বিশেষজ্ঞক আমন্ত্ৰণ কৰি আনি সজাগতা বৃদ্ধি কৰিব পাৰি। এনে ধৰণৰ প্ৰচেষ্টাই শিক্ষকৰ মনত আত্মবিশ্বাস যোগায়।

শিশুসকল হ'ল আমাৰ দেশৰ ভৱিষ্যত। তেওঁলোকৰ হাঁহি আৰু নিৰ্ভীক শৈশৱক সুৰক্ষিত কৰাটো আমাৰ নৈতিক কৰ্তব্য। POCSO আইনখনে আমাক সেই ক্ষমতা প্ৰদান কৰিছে। আমাৰ এই প্ৰচেষ্টা কেৱল আইনী প্ৰবন্ধ বা সভাতে সীমাবদ্ধ নাথাকিব লাগে। ই প্ৰতিদিনৰ শ্ৰেণীকোঠাৰ অবিচ্ছেদ্য অংগ হ'ব লাগে। যেতিয়া প্ৰতিজন শিক্ষকে নিজকে শিশুৰ সজাগ প্ৰহৰী বুলি অনুভৱ কৰিব, তেতিয়াই এখন সুৰক্ষিত সমাজৰ সপোন বাস্তৱায়িত হ'ব।

# নয়নমণি দাসৰ 'চিন্তা লহৰ' ঃ এক চমু অৱলোকন

■ **জয়প্ৰকাশ পেগু**




**সু**লেখিকা নয়নমণি দাসৰ শেহতীয়া প্ৰকাশিত গ্ৰন্থ 'চিন্তা লহৰ'। 'চিন্তা লহৰ' প্ৰবন্ধ সংকলনটিত তিনিটা খণ্ডৰে সৈতে মুঠ উনত্ৰিশটা বিভিন্ন বিষয়ক লেখা সন্নিবিষ্ট কৰা হৈছে। ইয়াৰে প্ৰথম খণ্ডত যোল্লটা মননশীল প্ৰবন্ধৰে সাম্প্ৰতিক সময়ৰ ক্ষয়িষ্ণু মানসিকতা, সমাজ জীৱনত দেখা দিয়া বিভিন্ন সমস্যাৱলী, যেনে- পৰকীয়া প্ৰেম, বিবাহ- বিচ্ছেদ, শিক্ষানুষ্ঠান সমূহত সততে দেখা দিয়া ৰেগিং আৰু ইয়াৰ পাৰ্শ্বপ্ৰভাৱ, ধঁপাত, ভাং ড্ৰাগচ আসক্তি আদিয়ে কোঙা কৰা ন-প্ৰজন্ম, সামাজিক বিশ্বাস-অন্ধবিশ্বাস আদিৰ সামগ্ৰীক প্ৰভাৱ, সস্তীয়া জনপ্ৰিয়তাৰ ব্যতিব্যস্ততা, শিক্ষিত নিবনুৱা সকলৰ সমস্যা আৰু সেইবোৰৰ মানসিক আৰু সামাজিক প্ৰভাৱ ইত্যাদি ইত্যাদি জ্বলন্ত সমস্যাৰাজিৰ বিষয়ে পুংখানুপুংখ আলোচনা কৰি সেইবোৰৰ পৰা কি দৰে পৰিত্ৰাণ পাব পাৰি সেয়া উল্লেখ কৰিছে। আনহাতে গ্ৰন্থখনৰ দ্বিতীয় খণ্ডত কেবাগৰাকীও মহীয়সী নাৰীৰ কথা আলোচনা কৰি সুস্থ নাৰীবাদ প্ৰতিষ্ঠাৰ হকে সবল যুক্তি দাঙি ধৰিছে লেখিকাই। নাৰী দিৱস আৰু ইয়াৰ প্ৰাসংগিক চিন্তা, ঘৰৰ পৰা দূৰৈত চাকৰি কৰি থকা মহিলাসকলৰ সুৰক্ষা, অসমীয়া নাৰীৰ অনন্য ভূষণ 'ওৰণি' আদিৰ ওপৰত আলোচনা কৰাৰ উপৰিও শান্তি সতী ৰাধিকা আই, সাহসী নাৰী তুলসীপ্ৰভা দাস, ভাৰতৰ প্ৰথম গৰাকী শিক্ষয়ত্ৰী সাবিত্ৰী বাই ফুলে, পূণ্যলতা দাস আদি মহীয়সী নাৰীৰ গভীৰ ব্যক্তিত্বৰ ওপৰত আলোকপাত কৰি তেওঁলোকৰ ত্যাগ আৰু আদৰ্শই সমাজ আৰু মানুহক কিদৰে উদ্বুদ্ধ কৰিব পাৰে সেয়া সাৰ্থকভাৱে বিশ্লেষণ কৰিবলৈ সক্ষম হৈছে প্ৰগতিশীল লেখিকা গৰাকীয়ে।

গ্ৰন্থখনৰ শেষৰটো খণ্ড 'আত্মবীক্ষণ'ত লেখিকা নয়নমণি দাসে নিজৰ ল'ৰালি কালত পোৱা বিভিন্ন ৰমণীয় অভিজ্ঞতা আৰু আপোন ঠাইত পোৱা সোনসেৰীয়া অসমীয়া সংস্কৃতিৰ কথা বৰ্ণনা কৰিছে। শৈশৱ কালৰ নষ্টালজিক অনুভৱৰ জৰিয়তে অসমীয়া গাঁৱত সততে পোৱা সৰলতা, আপোনত্ব আৰু অসমীয়া মানুহৰ মনত নিভাঁজকৈ বাহ লৈ থকা বিশাল মানৱীয় প্ৰমূল্যবোধৰ কথা উপস্থাপন কৰাত সিদ্ধহস্ত হৈছে। ফাগুনৰ অনাবিল সৌন্দৰ্যক অনুভৱ কৰিব নোৱাৰাকৈ শীত-তাপ নিয়ন্ত্ৰিত কোঠাত বসবাস কৰা এচাম অত্যাধুনিক মহানাগৰিকৰ মানসিক জড়তাৰ কথা উল্লেখ কৰি তেখেতে অত্যন্ত দুখ প্ৰকাশ কৰিছে। খণ্ডটোৰ আন এটা লেখাত নৱৈৰ দশকত শিক্ষানুষ্ঠানসমূহত পালন কৰা সৰস্বতী পূজাৰ ৰীতি-নীতিৰ কথা বৰ্ণনা কৰি নষ্টালজিক হৈ পৰিছে লেখিকা। স্কুলৰ জাননী বৰ্ডত সৰস্বতী পূজাৰ বাবে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে আনিবলগীয়া দহখিলা কলপাত, এখন কঠ, পায়স কিম্বা পিঠাগুৰি প্ৰস্তুতৰ বাবে এপোৱা চাউল, পূজাৰ আগদিনা বিদ্যালয় গৃহ মাটি, পানী আৰু গোবৰ দি মুচা আদি পৰম্পৰাৰ কথা উল্লেখ কৰি সাম্প্ৰতিক সময়ত পূজাৰ নামত সৃষ্ট ফেশ্যন মুখী অপসংস্কৃতিৰ বিৰোদ্ধে বিযোধগাৰ প্ৰকাশ গ্ৰন্থখনৰ এক উল্লেখনীয় বিষয়। সুখপাঠ্য পুথি খনৰ আন এক নষ্টালজিক লেখা 'কলাপৰ্দাৰ সোনোৱালী দিনবোৰত'। নৱৈৰ দশকত অসমীয়া গাঁওসমূহৰ দুই-তিনি ঘৰ মান মানুহৰ ঘৰত থকা এণ্টেনা লগোৱা কলাপৰ্দাৰ টিভিত ৰামায়ণ, মহাভাৰত, হনুমান আদি চিৰিয়েল চাবলৈ সমগ্ৰ গাঁওখনৰ মানুহ কিদৰে চোতালত জুম বান্ধিছিল, তামোলৰ পাগ লগাই লগাই মুখৰোচক কথা আৰু আত্মীয়তাৰ এনাজৰীৰে সহজ সৰল মানুহবোৰে কিদৰে বান্ধ খাইছিল, সেয়া নিখুঁত বাবে বৰ্ণনা কৰিবলৈ সক্ষম হৈছে লেখিকা নয়নমণি দাসে। লেখিকাৰ আপোন ভূমি ঢকুৱাখনাৰ চাৰিকড়ীয়া নৈ আৰু নৈখনক লৈ গঢ় লৈ উঠা ঐতিহ্য-সংস্কৃতি আৰু একান্ত অনুভৱ পুথিখনৰ আন এক অনন্য বৈশিষ্ট। স্কুলীয়া বয়সত নিজে পঢ়া স্কুল আৰু স্কুলৰ বৰ্ণনা, শিক্ষক- শিক্ষয়ত্ৰীক লৈ সহজ শিশুৱে কল্পনা কৰা ইতিবাচক আৰু নেতিবাচক মনস্তত্বক গভীৰভাৱে ৰেখাপাত কৰিছে লেখিকাৰ স্মৃতিৰ মণিকুটত নজহা-নপমাকৈ থকা দুখন স্কুলৰ কথাই। স্মৃতি ৰোমন্থনত সিদ্ধহস্ত লেখিকা নয়নমণি দাসে কিতাপখনৰ শেষৰটো লেখা সামৰিছে তেওঁৰ মনত অহৰহ দোলা দি থকা অতীতৰ বহুতো বাখৰুৱা কথাৰে। ব্যস্ততাপূৰ্ণ, আধুনিক যন্ত্ৰবৎ সময়ৰ পৰিৱৰ্তে তাহানিকালত জোনাক ৰাতি চোতালত ককা-আইতাৰ কোলাত বহি সাধু শুনা, বৰলৰ টোপেৰে বৰশী বোৱা, গছ বগাই বগাই চৰাইৰ পোৱালী আনি পোহনীয়া কৰা, ভাওনা, গুডু খেলা, নদীত জঁপিয়াই জঁপিয়াই সাতোৰা, মোৱা-ভেচেলী ধৰা, বাৰীৰ জামু-লিচু চোৰ কৰি খোৱা আদি অনন্য অভিজ্ঞতাৰে পৰিপূৰ্ণ পুথিখন। তাহানি দিনৰ সেইবোৰ ৰমণীয় অনুভৱৰ পৰিৱৰ্তে আজিৰ শিশুক যেন আমি যন্ত্ৰ হিচাপে গঢ়ি তুলিছো। পঢ়া, পঢ়া আৰু পঢ়া। পুৱাতে টিফিন লৈ স্কুল যোৱা, টিউচন কৰা, অংক-বিজ্ঞানত অধিক গুৰুত্ব দিয়া আদি কামেৰে যেন আমি মানুহ গঢ়িব বিচৰা নাই, বনাইছো অন্তৰ-বিবেকহীন একো একোটা যন্ত্ৰ। এক কথাত ক'বলৈ গ'লে লেখিকা নয়নমণি দাস এগৰাকী সবল প্ৰতিবাদী কণ্ঠ। কলমৰ কাপেৰে তেওঁ মানুহৰ যন্ত্ৰৱৎ আচৰণৰ ঘোৰ প্ৰতিবাদ কৰিছে আৰু হৃদয়বান এখন সুস্থ সমাজ গঢ়াৰ বাবে ব্ৰতী হৈছে। ধন্যবাদ নয়নমণি দাস। আশা কৰো কিতাপখনে পাঠক সমাজৰ মন জয় কৰিব।

# চকলাঘাটত ‘নূপূৰ মোমাইদেউ’ খ্যাত যশস্বী শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যৰ ৭৬ সংখ্যক জন্মদিন পালন

## গীত-মাত-কবিতাৰে অনুৰাগীয়ে জনালে ওলগ




**জয়ন্ত মুদৈ, নগাঁও ঃ** যশস্বী শিশু সাহিত্যিক ‘নুপূৰ মোমাইদেউ’ খ্যাত ত্ৰৈলোক্য ভট্টাচাৰ্যৰ ৭৬ সংখ্যক ওপজা দিনটি শুকুৰবাৰে তেখেতৰ অনুৰাগীসকলে ব্যতিক্ৰমীভাৱে পালন কৰে। এই উপলক্ষে সাহিত্যিকগৰাকীৰ নগাঁও জিলাৰ চকলাঘাটৰ ব্ৰাহ্মণগাঁওস্থিত বাসগৃহৰ চোতালত নগাঁৱৰ সুৰৰ পানচৈ শিল্পী সমাজৰ ব্যৱস্থাপনাত এক মনোগ্ৰাহী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বিয়লি চাৰে তিনি বজাৰ পৰা সুৰৰ পানচৈ শিল্পী সমাজৰ সভাপতি আৰিফ উল হকৰ সঞ্চালনাত অনুষ্ঠিত হোৱা অনুষ্ঠানটিৰ প্ৰাক্‌ক্ষণত আমাৰ মাজৰ হেৰাই যোৱা গুণীজ্ঞানী লোকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদি বন্তি প্ৰজ্বলন কৰে লেখিকা কুমকুম বৰুৱাই। অৱসৰী শিক্ষয়িত্ৰী মীনা বৰাৰ ঘোষাৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° নমিতা কলিতাই। ইয়াৰ পিছতে সুৰৰ পানচৈ শিল্পী সমাজৰ উপ-সভাপতি অনুপ বৰুৱা আৰু অৱসৰী অধ্যক্ষা দিপিকা লস্কৰে সাহিত্যিক গৰাকীৰ প্ৰতি শুভেচ্ছামূলক বক্তব্য প্ৰদানৰ অন্তত ওপজাদিন উপলক্ষে প্ৰকাশ কৰি উলিওৱা সাহিত্যিকগৰাকীৰ বহুকেইটা তত্ত্বগধুৰ লেখাৰে সন্নিবিষ্ট ‘বৈচিত্ৰ বৈভৱ’ শীৰ্ষক প্ৰবন্ধ সংকলনখনি উন্মোচন কৰে নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়ে। গ্ৰন্থখনি উন্মোচন কৰি ড° বৰকটকীয়ে জন্মদিন সংখ্যাৰে নহয়, আত্ম সমীক্ষাৰেহে পালন কৰিব লাগে বুলি উল্লেখ কৰি কয় যে- শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যই এখনি প্ৰৱন্ধ সংকলনৰ জৰিয়তে নিজৰ জন্মদিনৰ দিনা নীৰৱে অসমীয়া সাহিত্য জগতলৈ এক উপহাৰ দিছে। যাৰ জৰিয়তে তেওঁ এক সৃষ্টিৰ স্বাক্ষৰ ৰাখি থৈ যাবলৈ সক্ষম হৈছে। আমি আজি আচলতে কলমৰ জন্ম উৎসৱহে পালন কৰিছো। শিশু সাহিত্য সৃষ্টিৰ বাবে শিশুৰ কোমল মনৰ অধিকাৰী হ’ব লাগিব। পিছে কোমল মনৰ অধিকাৰী হ’বলৈ হ’লে অন্তৰখন শুদ্ধ, নিকা আৰু পৰিস্কাৰ হ’ব লাগিব। ভাষণ প্ৰসংগত তেওঁ শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যৰ শিশু উপযোগী সাধুবোৰ ইংৰাজীলৈ অনুবাদ হ’ব লাগে বুলি মন্তব্য কৰি এনে কৰিলে ইংৰাজী সাহিত্যই এক সুকীয়া মৰ্যাদা লাভ কৰিব বুলি আশা ব্যক্ত কৰে। সুৰৰ পানচৈ শিল্পী সমাজৰ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক প্ৰাঞ্জল বৰদলৈয়ে সামগ্ৰিকভাৱে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত উপস্থিত অনুৰাগীসকলে সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যক গ্ৰন্থ, ফুলাম গামোচা, চেলেং আদিৰে সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনাৰে ওপজা দিনৰ ওলগ জনাই। অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি দ্বীজেন্দ্ৰ নাথ হাজৰিকা, কবি অশোক ৰাম ভট্টাচাৰ্য, সংগীত শিল্পী ৰঞ্জন বেজবৰুৱা, কানু কন্দলি, জিতু শ্ৰাৱন, মীনা শইকীয়া, নৃপেন শৰ্মা, পদুম বৰা, জ্যেষ্ঠ সাংবাদিক জয়ন্ত মুদৈ, সুলেখক ৰঞ্জিত সভাপণ্ডিত, কবি মদাৰজ্যোতি, ইলোৰা ভূএঞা বৰাৰ, লক্ষিমী মহন্ত, জয়ন্তী বৰা, সাহিত্যিক গৰাকীৰ সহধৰ্মিনী ৰূপা দেৱী, পুত্ৰ ৰিষিৰাজ ভৰদ্বাজ, বোৱাৰী মধুস্পৰ্শা গোস্বামী, কন্যা তন্বীতা ভৰদ্বাজ, জোৱাই চিৰঞ্জিত ভট্টাচাৰ্যকে ধৰি শিক্ষা, সাহিত্য আৰু সাংস্কৃতিক জগতৰ লগত জড়িত শতাধিক লোক উপস্থিত থকা অনুষ্ঠানটি উপস্থিত বহুকেইজন শিল্পী আৰু কবিয়ে পৰিৱেশন কৰা সুন্দৰ গীত আৰু কবিতাৰে উজ্বলাই গ্ৰীষ্মৰ আবেলিটো উপভোগ্য কৰি তোলে।

# গুৱাহাটীত গোৰ্খা জনগোষ্ঠীৰ বৌদ্ধিক আৰু সাংস্কৃতিক সমাৰোহ সম্পন্ন

## ড° ইন্দুপ্ৰভা দেৱীক অসম সাহিত্য সভাৰ ‘বাসুদেৱ জালান স্মাৰক বঁটা’ প্ৰদান


**ৰমেন ভৰালী, বংশৰ ঃ** ‘এটা কাম ভালকৈ কৰিব পৰাটোৱেই হ’ল, সেই কামৰ বঁটা বা পুৰস্কাৰ। যিটো বস্তু যাৰ প্ৰাপ্য তাৰ পৰা তেওঁক কোনেও বঞ্চিত কৰিব নোৱাৰে। নিজৰ প্ৰাপ্যৰ বাবে নিজেই যথেষ্ট। কৰ্মস্পৃহা আৰু পৰিশ্ৰমতকৈ কোনো ৰাজকীয় একো হ’ব নোৱাৰে। আমি ভোগ কৰি থকা দুখ-কষ্টৰ অৱসান ঘটাব পাৰে একমাত্ৰ পৰিশ্ৰমে। সকলো শ্ৰেণীৰ সংস্কৃতিৰ আধাৰ হৈছে কঠোৰ পৰিশ্ৰম।’- যোৱা ৩০ জুনত অসম সাহিত্য সভাৰ গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অসম সাহিত্য সভাৰ উদ্যোগত আৰু অসম নেপালী সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত গোৰ্খা জনগোষ্ঠীৰ এক বৌদ্ধিক আৰু সাংস্কৃতিক সমাৰোহত সভাপতিৰ আসন গ্ৰহণ কৰি এই মন্তব্য কৰে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। গণেশগুৰি শাখা সাহিত্য সভাৰ শিল্পীসকলে পৰিৱেশন কৰা চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটো উদ্বোধন কৰি অসম নেপালী সাহিত্য সভাৰ সভাপতি ড° চিন্তামণি শৰ্মাই ভাষণ প্ৰসংগত কয় যে- ‘অসম সাহিত্য সভাই আজি নেপালী সাহিত্য সভাৰ সহযোগত গোৰ্খা জনগোষ্ঠীৰ বিদ্যায়তনিক আৰু সাংস্কৃতিক সমাৰেশ আয়োজন কৰি বৃহত্তৰ অসমীয়া জাতিৰ অভিন্ন অংগস্বৰূপ গোৰ্খা জনগোষ্ঠীক যি স্বীকৃতি প্ৰদান কৰিলে তাৰ বাবে আমি আনন্দিত হৈছোঁ। জনগোষ্ঠীয় সমন্বয়ৰ দিশত বৰ্তমান অসম সাহিত্য সভাই যি উদ্যোগ লৈছে, সেই পদক্ষেপে অসমৰ জনগোষ্ঠীসমূহৰ মাজত ঐক্য বৃদ্ধি কৰাৰ লগতে সমন্বয়ৰ এনাজৰী কটকটীয়া কৰিব। অসম সাহিত্য সভাৰ আমাৰ অভিভাৱকস্বৰূপ।’ ইফালে এই সমাৰেশতেই অসম সাহিত্য সভাই বিশিষ্ট সমাজসেৱী, ব্যৱসায়ী, কলা-সংস্কৃতিৰ সমন্বয়ক বাসুদেৱ জালান স্মাৰক বঁটা এই বছৰ বি. বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক, অসমীয়া আৰু নেপালী ভাষাৰ বিশিষ্ট লেখক গৱেষক তথা অসম নেপালী সাহিত্য সভাৰ কাৰ্যকৰী সভাপতি ড° ইন্দুপ্ৰভা দেৱীক প্ৰদান কৰে। স্মাৰক বঁটা গ্ৰহণ কৰি ভাষণ প্ৰসংগত ড° ইন্দুপ্ৰভা দেৱীয়ে কয় যে সাহিত্য সভাৰ এই স্বীকৃতিয়ে মোক কাম কৰিবলৈ অধিক উৎসাহিত কৰিলে।’ সভাৰ প্ৰাৰম্ভতে প্ৰধানসম্পাদক দেৱজিৎ বৰাই উদ্দেশ্য ব্যাখ্যা কৰি ভাষণত প্ৰসংগত কয় যে- ‘অসম সাহিত্য সভাই পূৰ্বেও ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীৰ সৈতে সংযোগ স্থাপন কৰি একাধিক বৌদ্ধিক আৰু সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰিছে। গোৰ্খা জনগোষ্ঠীক কেন্দ্ৰ কৰি আয়োজিত কৰা এই সমাৰোহেও অসমৰ সম্প্ৰীতি, ভাতৃত্ববোধ আৰু জাতীয় সংহতিৰ এক উজ্বল নিদৰ্শন হিচাপে পৰিগণিত হৈছে। অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত থকা পাৰস্পৰিক সন্মান, সহাৱস্থান আৰু সম্প্ৰীতিয়ে ভাষা-সাহিত্য আৰু সংস্কৃতিৰ মাজত এক সম্পৰ্ক গঢ়ি তোলাৰ লগতে নতুন প্ৰজন্মক সমন্বয়ৰ মাজেৰে আগবাঢ়ি যোৱাত অনুপ্ৰাণিত কৰিব। লগতে প্ৰধান সম্পাদকগৰাকীয়ে কয় যে- অসমৰ জাতীয় জীৱনত বিভিন্ন জনগোষ্ঠীৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ মাজত সম্প্ৰীতি, ঐক্য আৰু ভাতৃত্ববোধ অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

### ব্ৰহ্মপুত্ৰৰ জলস্তৰৰ বিপদসীমা অতিক্ৰম

# মাজুলী-যোৰহাট সংযোগী ফেৰী চলাচল বন্ধ

**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** বোকাখাত সমজিলাৰ ধনশিৰিমুখত বিপদসীমা অতিক্ৰম কৰিছে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠই। ইয়াৰ লগে লগে ব্ৰহ্মপুত্ৰৰ নদীপৰীয়া দ অঞ্চলবোৰ প্লাৱিত হৈছে। বিপদসীমা অতিক্ৰম কৰাৰ পাছত ধনশিৰিমুখৰ পশ্চিম দিশতে লাগি থকা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখনত ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানী প্ৰৱেশ কৰিছে। বিভিন্ন নলাৰে প্ৰৱেশ কৰা এই পানীয়ে ইতিমধ্যেই কাজিৰঙাৰ দ অঞ্চলবোৰ প্লাৱিত কৰিছে। ৰাষ্ট্ৰীয় উদ্যানত ব্ৰহ্মপুত্ৰৰ পানী সোমাবলৈ আৰম্ভ কৰিলেও এইপৰ্যন্ত কোনোধৰণৰ জটিলতাৰ সৃষ্টি হোৱা নাই লগতে দক্ষিণৰ কাৰ্বি পাহাৰলৈ বন্যপ্ৰাণীৰ সামূহিক প্ৰব্ৰজনো আৰম্ভ হোৱা নাই বুলি জানিব পৰা গৈছে। ইফালে, ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ পাছত উপনদী ধনশিৰি আৰু ডিফলুৰ জলপৃষ্ঠ স্থিৰ হৈ ৰৈছে। দুয়োখন উপনদীত ব্ৰহ্মপুত্ৰৰ ওভতনি পানী এতিয়াও প্ৰৱেশ কৰা নাই। ইফালে, কেন্দ্ৰীয় জল আয়োগে জনোৱা মতে যোৱানিশা ধনশিৰিমুখত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ ০.৪৩ মিটাৰ আৰু নিমাতীঘাটত ০.২৮ মিটাৰ বৃদ্ধি পাইছে। নিমাতীঘাটত সম্প্ৰতি বিপদসীমাৰ ০.৩৯ মিটাৰ ওপৰেদি প্ৰৱাহিত হৈ আছে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ। আয়োগৰ তথ্য মতে, ৪ জুলাইলৈকে নিমাতীঘাট আৰু ধনশিৰিমুখত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ ধীৰ গতিত বাঢ়ি থাকিব। নিমাতীঘাটত ৪ জুলাইৰ বিয়লিলৈ জলপৃষ্ঠ নিম্নগামী হৈ ৫ জুলাইত বিপদসীমাৰ তললৈ নামিব পাৰে বুলি কেন্দ্ৰীয় জল আয়োগে জনাইছে। এই প্ৰতিবেদন প্ৰস্তুতৰ সময়লৈকে ধনশিৰিমুখত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বিপদসীমাৰ ০.২১ মিটাৰ ওপৰেদি প্ৰৱাহিত হৈ আছে।

# চি আৰ পি এফৰ অৱসৰপ্ৰাপ্ত হাবিলদাৰ কন্দৰ্প তালুকদাৰৰ মৃত্যু



**শংকৰ দাস, নলবাৰী-মুকালমুৱা ঃ** নলবাৰী জিলাৰ টিহু বিধানসভা সমষ্টিৰ অন্তৰ্গত চতেমাৰী গাঁৱৰ নিৱাসী তথা কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (CRPF)ৰ অৱসৰপ্ৰাপ্ত হাবিলদাৰ কন্দৰ্প তালুকদাৰ (৫৮)ৰ পৰলোকপ্ৰাপ্তি হয়। জানিব পৰা অনুসৰি কন্দৰ্প তালুকদাৰে দুদিন পূৰ্বে নিজ বাসগৃহত কাম কৰি থকা অৱস্থাত হঠাতে অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰে। চিকিৎসাধীন অৱস্থাত নিশা তেখেতৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতে পত্নীসহিতে দুগৰাকী পুত্ৰ আৰু দুজনী কন্যা সন্তানক ইহ সংসাৰত এৰি থৈ যায়। সহস্ৰাধিক গুণমুগ্ধৰ উপস্থিতিত দিনৰ ভাগত গাঁওখনৰ ৰাজহুৱা শ্মশানত শেষকৃত সম্পন্ন কৰা হয়। পূব চতেমাৰী গাঁৱৰ অমৰজ্যোতি সংঘৰ প্ৰতিষ্ঠাপক সভাপতি আছিল কন্দৰ্প তালুকদাৰ। ঘোগা জি বি এল উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতি আৰু ৰঘুনাথ চৌধাৰী সাহিত্য সভাকে ধৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ স’তে জড়িত হৈ আছিল কন্দৰ্প তালুকদাৰ। উদাসীন স্বভাৱৰ কন্দৰ্প তালুকদাৰৰ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (CRPF)ৰ চাকৰিৰ পৰা স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰি সমাজ উত্তৰণৰ হকে কাম কৰি আহিছিল। উদাৰ মনৰ কন্দৰ্প তালুকদাৰে চাকৰি কালৰে পৰা অঞ্চলটোৰ ভিন্ন স্তৰৰ বিভিন্নজনক আৰ্থিকভাৱে সহায়-সহযোগিতা আগবঢ়াই আহিছিল। কন্দৰ্প তালুকদাৰৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। তেখেতৰ মৃত্যুত বিভিন্ন দল-সংগঠন তথা ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰে।

# বগুৰিহাটীৰ শংকৰদেৱ শিশু নিকেতনত ককা-আইতা দিৱস উদ্‌যাপন

**নগেন তালুকদাৰ, নলবাৰী ঃ** নলবাৰী জিলাৰ ৪০ নং টিহু বিধান সভা সমষ্টিৰ অন্তৰ্গত বগুৰিহাটীৰ শংকৰদেৱ শিশু নিকেতনত শিশু শিক্ষা সমিতিৰ নিৰ্দেশ মৰ্মে ২৯ জুনত ককা-আইতা দিৱস উদ্‌যাপন কৰা হয়। বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰা এই দিৱসত নিকেতনখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰৰে ৩৫ গৰাকী ককা-আইতা উপস্থিত থাকে। নিকেতনখনৰ প্ৰধানাচাৰ্য্য পুলেন কুমাৰ হালৈয়ে অনুষ্ঠানটিৰ আঁত ধৰাৰ লগতে ককা-আইতা দিৱসৰ তাৎপৰ্যও বাখ্যা কৰে। ইয়াৰ পিছতে নিকেতনখনৰ ছাত্ৰ-ছাত্ৰী (নাতি-নাতিনী)সকলে ককা-আইতাসকলৰ চৰণ ধুৱাই কপালত চন্দনৰ ফোঁট দি হাতত ফুলেৰে সহিতে সেৱা জনায়। নাতি-নাতিনীসকলৰ এনে শুভ কাৰ্যত ককা-আইতাসকলে আনন্দত আত্মহাৰা হৈ তেওঁলোকক প্ৰাণঢালি আশীৰ্বাদ দিয়াৰ লগতে নিকেতনখনৰ উন্নতিও কামনা কৰে । ককা-আইতাসকলক শ্ৰদ্ধা কৰাৰ নৈতিকতাৰ জ্ঞান শিশু অৱস্থাৰ পৰা যোগাই তোলাৰ প্ৰয়াস কৰা বিদ্যা ভাৰতীৰ অন্তৰ্গত বগুৰিহাটীৰ শংকৰদেৱ শিশু নিকেতনখন নৈতিকতা আৰু আধ্যাত্মিকতাৰ এখন আদৰ্শ বিদ্যালয় হিচাপে ৰাইজৰ মাজত সমাদৃত হোৱা বুলি ককা-আইতাসকলৰ নিজ নিজ বক্তব্যত প্ৰকাশ কৰে।

# কামৰূপত ৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক দিৱস পালন

## প্ৰায় ২ লাখ শিশুক প'লিঅ' প্ৰতিষেধক প্ৰদানৰ লক্ষ্য



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছিঃ** কামৰূপ জিলাত ৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক দিৱস (National Immunization Day) উপলক্ষে তিনিদিনীয়া পলিঅ' প্ৰতিষেধক অভিযান আৰম্ভ হৈছে। হাজো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত শিঙিমাৰী-দদৰা আদৰ্শ চিকিৎসালয়ত অনুষ্ঠিত জিলা পৰ্যায়ৰ পলিঅ' প্ৰতিষেধক প্ৰদান অনুষ্ঠানত উপস্থিত থাকি কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই এই অভিযানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত 'স্বাস্থ্য) মনিকা বৰগোহাঁইও উপস্থিত থাকে। জিলা স্বাস্থ্য বিভাগে সদৰী অনুসৰি, ২৮ জুনৰ পৰা ৩০ জুনলৈ চলিবলগীয়া এই অভিযানত ০ ৰ পৰা ৫ বছৰৰ বয়সৰ প্ৰায় ১,৯৯,৬৩৭ গৰাকী শিশুক মুখেৰে প্ৰদান কৰা পলিঅ' প্ৰতিষেধক (OPV) দিয়াৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। দেশক পলিঅ'মুক্ত আৰু অক্ষুণ্ণ ৰখাৰ উদ্দেশ্যে এই অভিযান গ্ৰহণ কৰা হৈছে। এই অভিযান সফলভাৱে ৰূপায়ণৰ বাবে জিলাখনত ১,১৮০টা টিকাকৰণ বুথ স্থাপন কৰা হৈছে। ইয়াৰ ভিতৰত স্বাস্থ্য প্ৰতিষ্ঠানসমূহৰ লগতে পথৰ কাষত স্থাপিত প্ৰতিষ্ঠানিক আৰু ট্ৰানজিট বুথো অন্তৰ্ভুক্ত। সমগ্ৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ৪,৪৮৬ জন স্বাস্থ্যকৰ্মী, ২৩৬ জন বুথ পৰ্যবেক্ষক, ৫৪ জন খণ্ড বিষয়াৰ লগতে জিলা আৰু খণ্ড পৰ্যায়ৰ বিভিন্ন তদাৰকী দল নিয়োজিত কৰা হৈছে। বিশেষকৈ নদীবেষ্টিত আৰু দুৰ্গম অঞ্চলসমূহৰ শিশুসকলক সামৰি লোৱাৰ উদ্দেশ্যে নাও ক্লিনিকৰ ব্যৱস্থাও কৰা হৈছে, যাতে কোনো যোগ্য শিশু পলিঅ' প্ৰতিষেধকৰ পৰা বঞ্চিত নহয়।অনুষ্ঠানত ভাষণ প্ৰদান কৰি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কয় যে, ০ ৰ পৰা ৫ বছৰৰ শিশুসকলক পলিঅ'ৰ পৰা সুৰক্ষিত ৰাখিবলৈ ৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক দিৱস এক গুৰুত্বপূৰ্ণ জনস্বাস্থ্য কাৰ্যসূচী। তেওঁ জিলাখনৰ স্বাস্থ্যকৰ্মীসকলৰ নিষ্ঠা আৰু সহযোগিতাৰ ওপৰত আস্থা প্ৰকাশ কৰি নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত লক্ষ্য পূৰণ হ'ব বুলি আশা ব্যক্ত কৰে। লগতে সকলো অভিভাৱকক তেওঁলোকৰ সন্তানক পলিঅ' টিকা প্ৰদান নিশ্চিত কৰিবলৈ আহ্বান জনায়। অভিযানৰ পূৰ্বে জিলা আয়ুক্তৰ সভাপতিত্বত দুবাৰকৈ জিলা টাস্ক ফ'ৰ্চৰ বৈঠক অনুষ্ঠিত কৰি কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে বিস্তৃত পৰিকল্পনা আৰু সমন্বয় সাধন কৰা হৈছে। জিলাখনত এই অভিযানৰ বাবে মুঠ ২,১৯,৬০০ ড'জ OPV লাভ কৰিছে। এই প্ৰতিষেধকসমূহ জিলাৰ ৪৩টা ক'ল্ড চেইন পইণ্টত (CCP) বিতৰণ কৰা হৈছে। একে সময়তে স্বাস্থ্যকৰ্মীসকলক প্ৰশিক্ষণ প্ৰদান কৰি উচ্চ-ঝুঁকিপূৰ্ণ আৰু দুৰ্গম অঞ্চলসমূহত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত ৰাজ্যিক নিৰীক্ষণ বিষয়া (IDSP) ডাঃ ভাৰতী বৰকাকতি, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ অজিত দাস, চিএম অ্যান্ড এইচঅ', জিলা প্ৰতিষেধক বিষয়া, হাজো বিএইচপিচিৰ এছডিএম অ্যান্ড এইচঅ', শিঙিমাৰী-দদৰা মডেল হাস্পতালৰ উপ-অধীক্ষক, স্বাস্থ্য বিভাগৰ বিষয়ববীয়া আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# ৫০ সংখ্যক ৰাষ্ট্ৰীয় আলোকচিত্ৰ প্ৰদৰ্শনীত শিল্পী অঞ্জন ডেকাৰ সোণৰ পদক অৰ্জন



**চন্দন শৰ্মা, তেজপুৰ ঃ** চিত্ৰ-ভাস্কৰ্য আৰু আলোকচিত্ৰ চৰ্চাৰ উপৰিও বিভিন্ন কলা চৰ্চাৰ সৈতে জড়িত হৈ থাকি দেশৰ লগতে বিদেশতো সমাদৰ লাভ কৰা 'মণিকৰ্ণিকা আৰ্ট গেলাৰী'ৰ উদ্যোগত যোৱা ১৩ জুনৰ পৰা ২২ জুনলৈ অনলাইন যোগে অনুষ্ঠিত হোৱা ৫০ সংখ্যক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোকচিত্ৰ প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাত অংশগ্ৰহণেৰে অসমৰ আলোকচিত্ৰ ক্ষেত্ৰখনৰ চিনাকী আলোকচিত্ৰ শিল্পী গুৱাহাটীৰ অঞ্জন ডেকাই সোণৰ পদক কঢ়িয়াই আনিবলৈ সক্ষম হয়। কভিদ অতিমাৰীৰ সংকটৰ পিছত বিভিন্ন বিষয়ত সমগ্ৰ বিশ্বজুৰি অনলাইন কাৰ্যসূচীৰ সম্প্ৰসাৰণ হোৱাৰ লগতে কলাচৰ্চায়ো একে বাটেৰে আগুৱাইছে। সময়ৰ লগে লগে এই অনলাইন কাৰ্যসূচী সমূহে বেচ জনপ্ৰিয়তা অৰ্জন কৰিছে। তাহানিৰ ক'লা বগা ছবিৰ পৰা শেহতীয়া কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তি ব্যৱহাৰ হোৱা আলোকচিত্ৰ চৰ্চালৈকে এক দীঘলীয়া সময় জুৰি আলোকচিত্ৰ চৰ্চাৰ সৈতে জড়িত হৈ থকা অঞ্জন ডেকা, অসমৰ আলোকচিত্ৰ ক্ষেত্ৰখনৰ এটা চিনকী নাম। প্ৰায় চাৰিটা দশক ধৰি একেৰাহে আলোকচিত্ৰ চৰ্চাৰ সৈতে জড়িত হৈ থকা আলোকচিত্ৰ শিল্পী গৰাকীয়ে বিভিন্ন সময়ত দেশৰ বিভিন্ন স্থানত ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। দেশ বিদেশৰ বিভিন্ন স্থানত তেওঁৰ তোলা ছবি প্ৰকাশ আৰু পৰিৱেশিত হৈছে। শেহতীয়াকৈ কলিকতাৰ লেন্সকাৰ্ট আৰু বেঙ্গল আৰ্ট ফেক্টৰীৰ আমন্ত্ৰণ ক্ৰমে কলিকতাৰ নিউ টাউনৰ 'নজৰুল তীৰ্থ' আৰু 'বিড়লা একাডেমী অৱ আৰ্ট এণ্ড কালচাৰত' আলোকচিত্ৰ প্ৰদৰ্শনেৰে দৰ্শকৰ সমাদৰ লাভ কৰে। গুৱাহাটী আৰু দেশৰ বিভিন্ন স্থানত আলোকচিত্ৰ প্ৰদৰ্শনেৰে অভিজ্ঞতা গোটোৱা শিল্পীগৰাকীয়ে ২০১৫ বৰ্ষত 'Aura of silence" শীৰ্ষত একক আলোকচিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰাৰ উপৰিও ২০১৭ বৰ্ষত ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ অন্তৰ্গত 'ভাৰতীয় সাংস্কৃতিক সম্বন্ধ পৰিষদ' (ICCR)ৰ পৃষ্ঠপোষকতাত পৰিৱেশ্য কলা বিষয়ক একক আলোকচিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰে। বিভিন্ন মাধ্যমত আলোকচিত্ৰ চৰ্চা সম্পৰ্কীয় লেখা প্ৰকাশ পোৱাৰ লগতে বিভিন্ন বিষয়ক আলোকচিত্ৰ চৰ্চা কৰা অঞ্জন ডেকাৰ প্ৰিয় বিষয় 'পৰিৱেশ্য কলা' আৰু 'পুৰাতাত্ত্বিক ঐতিহ্য'। এক দীঘলীয়া সময়ৰ আলোকচিত্ৰ চৰ্চাৰ সৈতে জড়িত হৈ থকা শিল্পীগৰাকীৰ একাগ্ৰতা আৰু সাধনা ভৱিষ্যত প্ৰজন্মৰ বাবে উৎসাহৰ কাৰণ হ'ব পাৰে।

# লোক বিশ্বাসত অম্বুবাচী বা আমতি চুৱা

■ **চন্দনা চৌধুৰী**

জ্যোতিষশাস্ত্ৰ মতে, আহাৰ মাহত মৃগশিৰা নক্ষত্ৰৰ তিনিপাদ অতীত হ'লে চতুৰ্থপাদ আদ্ৰা নক্ষত্ৰৰ প্ৰথম পাদৰ ভিতৰত পৃথিৱী ঋতুমতী হয় ; এই সময়খিনিক অম্বুবাচী বা আমতি চুৱা বোলে। অম্বুবাচী এক লোকাচাৰ। সংস্কৃত শব্দ 'অম্বু' আৰু 'বাচী' শব্দ দুটাৰ পৰা 'অম্বুবাচী' শব্দটি গঠিত হৈছে বুলি পণ্ডিতসকলে ক'ব খোজে। 'অম্বুবাচী' শব্দটিৰ 'অম্বু' শব্দটোৱে পানী আৰু 'বাচী' শব্দটোৱে প্ৰকাশ কৰা বুজায়। গ্ৰামাঞ্চলত বসবাস কৰা জনগণে সৰল বিশ্বাসত নানা নিয়ম-নীতিৰ মাজেৰে পৰম্পৰাগতভাৱে 'অম্বুবাচী' পালন কৰি আহিছে। জেঠৰ শেষৰ তিনিদিন আৰু আহাৰৰ প্ৰথম তিনিদিনক একেলগে 'সাথ' বুলি কোৱা হয়। অম্বুবাচীৰ লগত এই সাথৰ বিশেষ সম্পৰ্ক থাকে। সাধাৰণতে প্ৰতি বছৰে ছয় নতুবা সাত আহাৰৰ পৰা দহ নাইবা এঘাৰ আহাৰলৈ অম্বুবাচী যোগ থাকে। অম্বুবাচী আৰম্ভ হ'বৰ দিনাক 'অম্বুবাচী প্ৰবৃত্তি' আৰু শেষৰ দিনাক 'অম্বুবাচী নিবৃত্তি' বোলে। পৃথিৱীখনক সাধাৰণতে মাতৃজ্ঞান কৰা হয়। লোকবিশ্বাস মতে, অম্বুবাচীৰ সময়ত ধৰিত্ৰী ৰজস্বলা হয়। সেয়ে এই ধৰিত্ৰী ৰজস্বলা হোৱা বাবে গঞাৰ কৃষিজীৱী লোকসকলে এই অম্বুবাচী নানাধৰণে পালন কৰি আহিছে। আহাৰ মাহটো কৃষকসকলৰ বাবে বৰ গুৰুত্বপূৰ্ণ মাহ। কৃষকসকলে এই মাহটোত পূৰ্বতে সিচি থোৱা কঠিয়াখিনি ৰুবলৈ পথাৰত মাটি সমূহ চহাবলৈ আৰম্ভ কৰে। ধৰিত্ৰী ঋতুমতী হোৱা বাবে কৃষকসকলে চাৰিদিন হালখটি কৰে। ধৰিত্ৰী অশুদ্ধি হৈ থাকে বুলি বিশ্বাস কৰিয়েই হিন্দু ধৰ্মালম্বী লোকসকলে মাংগলিক কাম কৰাৰ পৰা বিৰত থকাৰ উপৰি মাটি খন্দা, ফল-মূল ছিঙা কাৰ্য্যবোৰৰ পৰাও বিৰত থাকে। বিশ্বপ্ৰসিদ্ধ শক্তিপীঠ কামাখ্যা মন্দিৰৰ লগতে সকলো মঠ-মন্দিৰৰ পূজা-সেৱাও বন্ধ থাকে এই সময়খিনিত। এই দিনকেইটাত বিধবা সকলে জুই স্পৰ্শ নকৰে। সেয়ে জুইৰ লগত সম্পৰ্ক থকা খাদ্য ভক্ষণ নকৰি ফল-মূল, চাণ্ড, দৈ আদি ভক্ষণ কৰে। এই সময়ত বাৰীত আম, কঁঠাল, লেচু, পনিয়ল, কলা জাম, প্লাম আদি পকি গোন্ধত আমোল-মোলাই থাকে। সাধবা সকলে ব্ৰত পালন কৰে। কৃষকসকলে ভঁৰাল ঘৰত উঠি ধান নমাই ননাৰ লগতে গোঁসাইঘৰ, মাৰৈ ঘৰতো প্ৰৱেশ নকৰে। প্ৰতিটো পৰিয়ালৰে একেবাৰে লাগতিয়াল বস্তুখিনিৰ বাহিৰে অইন বস্তুবোৰ একাশৰীয়াকৈ ৰাখে আৰু এই বস্তুখিনি পৰিয়ালৰ কোনো সদস্যই স্পৰ্শ নকৰে। চাৰিদিনৰ পিছত অৰ্থাৎ নিবৃত্তিৰ দিনা গাঁৱৰ প্ৰতি ঘৰৰে জীয়ৰী-বোৱাৰীহঁতে কাপোৰ-কানি, চৰু-হাৰি, ঢাৰি-ঢকুৱা আদি ধোৱাৰ উপৰি ঘৰ-চোতাল মচা-কচা কৰি পৰিষ্কাৰ কৰে। সিদিনাই পুৰণি বাঢ়নী সমূহ চুৱা বুলি মানি লৈ সেইবোৰ পেলাই নতুন বাঢ়নী ব্যৱহাৰ কৰে। লোকবিশ্বাস মতে, ফল নধৰা গছত আমতিৰ চুবা বাঢ়নী বান্ধি দিলে ফল ধৰে। সেয়ে ফল নধৰা আম-কঁঠাল গছত চুৱা বাঢ়নী আৰি দিয়া দেখা পোৱা যায়। শিপিনীসকলে তাঁতৰ শালত নবহে। অম্বুবাচীৰ সময়ত কম-বেছি পৰিমাণে প্ৰতি ঘৰৰ লোকে এই সময়চোৱাত পকা ফলসমূহ ভক্ষণ কৰে। এই অম্বুবাচীৰ কেইদিনত 'আমতি বুঢ়া' মানুহৰ ঘৰলৈ আহে বুলি জনবিশ্বাসত প্ৰচলিত আছে।

শক্তিপীঠ কামাখ্যা মন্দিৰত বিভিন্ন উৎসৱ অনুষ্ঠিত হয় যদিও আহাৰ মাহত অনুষ্ঠিত হোৱা 'অম্বুবাচী মেলা' আটাইতকৈ জনপ্ৰিয়। জনবিশ্বাস মতে, অম্বুবাচীৰ সময়ত কামাখ্যা দেৱী ঋতুপ্ৰাপ্ত হয় আৰু ঋতু ধৰ্মৰ যি অশুচিতা ; সেয়া কঠোৰ ভাৱে পালন কৰা হয়। এই সময়চোৱাত অৰ্থাৎ তিনিদিন বন্ধ থাকে মন্দিৰ দুৱাৰ। সেই তিনিদিন দৰ্শনাৰ্থীৰ দৰ্শন আদি নহয়। চতুৰ্থ দিনা অৰ্থাৎ অম্বুবাচীৰ নিবৃত্তিৰ দিনা ৰীতি-নীতিৰে দেৱীৰ স্নান পূজা আদি সম্পন্ন কৰাৰ পিছত মন্দিৰৰ দুৱাৰ ভক্তসকলৰ বাবে খুলি দিয়া হয়। ভক্তসকলে এই দিনটো দেৱী দৰ্শনৰ বাবে আটাইতকৈ শুভ দিন বুলি মানি আহিছে। কামাখ্যাৰ অম্বুবাচী মেলাত ভাৰতবৰ্ষৰ দূৰ-দূৰান্তৰৰ পৰা যাত্ৰীৰ সমাগম হয়। দেশ-বিদেশৰ সাধু-সন্নাসীৰ উপস্থিতি এই মেলাৰ বিশেষ আকৰ্ষণ। অম্বুবাচী যোগত জগন্ময়ী কামাখ্যা দেৱীৰ ৰক্তবস্ত্ৰৰ মাহাত্ম্য হিন্দু মাত্ৰেই বিদিত আছে। জনবিশ্বাসত এই ৰক্তবস্ত্ৰ শৰীৰত ধাৰণ কৰিলে অভীষ্টফল লাভ হয় আৰু এই ৰক্তবস্ত্ৰ লগত ৰাখি আন ঠাইত জপ পূজা কৰিলেও ভক্তৰ কামনা পূৰ্ণ হয়। অসমৰ এক ঐতিহ্য আৰু আন্তঃৰাষ্ট্ৰীয় জনসংযোগৰ মাধ্যম কামাখ্যাৰ 'অম্বুমাচী মেলা' অনুষ্ঠানটিৰ প্ৰতি চৰকাৰ কৰ্তৃপক্ষই বিশেষ ভূমিকা পালন কৰি যাব বুলি আশা কৰিলোঁ।

# মানাহ প্ৰেছ ক্লাৱৰ নতুন কাৰ্যনিৰ্বাহক গঠন



**প্ৰসন্ন নাথ, শালবাৰী ঃ** মানাহ বিধানসভা সমষ্টিৰ পৰা সংবাদ সেৱা আগবঢ়োৱা সাংবাদিক সকলৰ এখন সাধাৰণ সভা বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাহবাৰী ৰেঞ্জৰ পৰিদৰ্শন বঙলাত অনুষ্ঠিত হয়। জ্যেষ্ঠ সাংবাদিক ৰাজীৱ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আৰম্ভণিতে উদ্দেশ্য বাখ্যা কৰে সাংবাদিক শাকিল আহমেদে। সভাত সাংবাদিক ক্ৰমে- আমিৰ আলী, জাহিদুল ইছলাম, মনিল দৈমাৰী, নজৰুল ইছলাম, প্ৰসন্ন নাথ, ইমদাদুল ইছলাম, খাইৰুল ইছলামে বৃহত্তৰ মানাহ বিধানসভা সমষ্টি তথা শালবাৰী মহকুমাৰ সংবাদ সেৱাৰ ক্ষেত্ৰখনত সাংবাদিকতাৰ নীতিৰে তথা গণতান্ত্ৰৰ চতুৰ্থ স্তম্ভৰ নীতিৰে ৰাইজৰ পক্ষত সাংবাদিকতা কৰাৰ ওপৰত বক্তৃতা প্ৰদান কৰে। সভাত ৰাজীৱ তালুকদাৰক সভাপতি আৰু শাকিল আহমেদক সাধাৰণ সম্পাদকৰূপে লৈ ৰজনীয়াকৈ নৱ গঠিত মানাহ প্ৰেছ ক্লাৱৰ কাৰ্যনিৰ্বাহক সমিতি এখন গঠন কৰা হয়। লগতে বৃহত্তৰ মানাহ বিধানসভা সমষ্টি তথা শালবাৰী মহকুমাৰ সাংবাদিকতাৰ ক্ষেত্ৰখনৰ উন্নয়নৰ লক্ষ্যৰে কেবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# পহুমৰা শাখা সাহিত্য সভাৰ স্থায়ী গৃহ মুকলি



**বুলমণি বৰি, লখিমপুৰ ঃ** অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ চৰ্চাক অধিক গতিশীল কৰা লক্ষ্যৰে ২৮ জুন তাৰিখে পহুমৰা শাখা সাহিত্য সভাই সাহিত্য ভৱন নামেৰে পহুমৰা মাজগাঁৱত স্থায়ী গৃহ এভাগ আনুষ্ঠানিকভাৱে মুকলি কৰে। পুৱা এক মাংগলিক ৰীতি নীতিৰে বন্তি প্ৰজ্বলন কৰে মাকন ভঁৰালীয়ে। গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত গৃহভাগ ফিটা কাটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি শাখা সাহিত্য সভাৰ সভাপতি পূৰ্ণানন্দ চুতীয়াই কয় যে এই স্থায়ী গৃহভাগ কেৱল পকী পঁজা নহয়। ই হ'ল এটা জাতিৰ ভাষা সংস্কৃতি চৰ্চাৰ প্ৰাণকেন্দ্ৰ। এই গৃহই আগন্তুক দিনবোৰত নতুন প্ৰজন্মক সাহিত্য চৰ্চাৰ বাবে অনুপ্ৰাণিত কৰিব বুলি মোৰ দৃঢ় বিশ্বাস শাখাৰ সহকাৰী সম্পাদক উপেন দাসে কয় যে এই স্থায়ী গৃহটোত খুব সোনকালেই এক পুথিভঁৰাল স্থাপন কৰা হ'ব। নিয়মীয়াকৈ যুৱ প্ৰজন্মৰ বাবে সাহিত্য কৰ্মশালা আৰু আলোচনা-চক্ৰ অনুষ্ঠিত কৰা হ'ব। স্থানীয় লেখক-লেখিকাসকলৰ গ্ৰন্থ প্ৰকাশৰ বাবে বিশেষ পদক্ষেপ লোৱা হ'ব। এই ঐতিহাসিক ক্ষণত শাখা সাহিত্য সভাৰ সভাপতি আৰু সহঃসম্পাদকৰ লগতে প্ৰাক্তন সভাপতি দীপক কুমাৰ বৰদলৈ ২০২৬ বৰ্ষৰ মুখপত্ৰ সম্পাদিকা বুলমণি বৰি আকাশৰ আহ্বায়িকা দিপ্তী চুতীয়া কাৰ্যনিৰ্বাহক সদস্য লুকুমণি গগৈ শিক্ষক পূৰ্ণানন্দ দুৱৰা লখিমপুৰ জিলা কৃষি পৰিদৰ্শক লক্ষ্মণ মালা লগতে বহুকেইগৰাকী আজীৱন সভ্য উপস্থিত থাকে। দীৰ্ঘদিনীয়া আশা আৰু প্ৰচেষ্টাৰ অন্তত স্থায়ী গৃহভাগ হোৱাত অঞ্চলটোৰ সাহিত্যনুৰাগীসকলৰ মাজত ব্যাপক উৎসাহ উদ্দীপনাৰ সৃষ্টি হৈছে।

## গভীৰ অৰণ্যত যন্ত্ৰণাৰ বীজ

**বনজিত দাস**
ৰিহাবাৰী, বজালী

যন্ত্ৰণাবোৰ ক্ৰম
মৰুদ্যানৰ গভীৰ অৰণ্য ভেদি
য'ত গজে
মহাশূন্যতাৰ সুখৰ গজালি
গজিব তাত নৱ সপোনৰ অংকুৰ
সুখৰ বাঁহীৰ অনন্ত সুৰ।
যন্ত্ৰণাবোৰ ক্ৰম
মৰুদ্যানৰ নিৰ্জনতাৰ বুকুত
নিশ্বাসে প্ৰাণ পায়
গভীৰ অৰণ্য ভেদি গৈ
য'ত বিষাদৰ ছাঁ হেৰাই
গজে আশাৰ সেউজীয়া বীজ
মহাশূন্যতাৰ নীৰৱতাত
বাজি উঠে সুখৰ বাঁহীৰ সুৰ
শুকান বালিতো সেউজীয়া সপোনৰ বীজ
যন্ত্ৰণাৰ গজালি
বকুৰ মৰুদ্যানৰ সুখৰ হাঁহি।

## এজাৰ ফুলৰ ঠিকনা

**ৰূপালী গগৈ চুতীয়া**
ডিব্ৰুগড়

হাঁহিব বিচাৰিও মনত বেজাৰ
তুমিয়েই নেকি বাৰু এজাৰ?
নৈখন ধুনীয়া নে তুমি
ভাবিও আজিলৈকে
পোৱা নাই পাৰাপাৰ,
তোমাৰ আছে নেকি
কিবা বিশেষ বেজাৰ?
নৈৰ চকুত ডুব যোৱা
বেলি আজি
কাৰ প্ৰেমত বলিয়া
তুমি জানা নেকি?
হাঁহি হাঁহি আলিংগন চাই
সুখী জানোঁ তুমিয়েই নোহোৱা,
সেয়ে বিষাদ ভৰা হৃদয় এৰি
নৈ পাৰত ঘৰ সাজিলা।

ঠিকনা বিহীন তুমি
বিচাৰি হাবাথুৰি খাইছোঁ
এবাৰ চুই চোৱাৰ হেঁপাহত
ৰ'দ বৰষুণ একাকাৰ কৰি
নৈ পাৰত লগ পাই
আজি সুখী হ'লোঁ,
লগ পোৱাৰ আকুলতাত
ডুব যোৱা বেলিটি
দুয়ো প্ৰাণ ভৰি চালোঁ
প্ৰাণ ভৰি চালোঁ।

## শান্তিৰ অন্বেষণ

**উৰিশ্মা নাথ**
গৰখুটি, দৰং

জীৱনটো সহজ কৰাৰ
ইমান উপায় আবিষ্কাৰ হৈছে,
তথাপি জীৱন কিয়
আজি ইমান দুৰ্বোধ্য ৰহস্য?
সন্মুখত হাঁহিবলৈ ইমান উপলক্ষ্য,
আনন্দ কৰাৰ ইমান আয়োজন,
তথাপি দিনবোৰ কিয়
এখন অব্যক্ত ক্লান্তিৰ চাদৰেৰে
ছদ্মাবৰণ দিয়া হৈছে ।
চাৰিওফালে পোহৰ বাঢ়ি যায়,
অথচ অন্তৰখন ক্ৰমান্বয়ে
ধূসৰ হৈ পৰে;
কোলাহলৰ মাজতো
এবুকু নিসংগতাইহে সঙ্গ দিয়ে।
সম্ভাৱনাৰে ভৰা এই সময়ত
ক'ত হেৰাই গ'ল
সৰল সুখৰ সোৱাদ?
জীৱন সহজ কৰাৰ
সকলো কৌশল থাকিও,
এটুকুৰা শান্তিৰ বাবে কিয়
আজিও অবিৰত অপেক্ষা।

## এজাৰ ৰঙী চহৰ

**হীৰক জ্যোতি দাস**
চেঁচা মুখ, হাজো

জীৱনৰ উকা কেনভাছত
অকণমান গুলপীয়া
আঁকিব সানি দিবা নেকি?
তুমিচোন জানাই...
এই নীলা অথচ গুলপীয়া ৰঙবোৰ
মই কিমান ভাল পাওঁ
ঠিক এজাৰ পাহিৰ দৰে।
মোৰ চহৰত এতিয়া এজাৰৰ পয়োভৰ,
আহিবা কেতিয়াবা মোৰ এজাৰ ৰঙী চহৰলৈ
একেলগে ঘূৰি ফুৰি উপভোগ কৰিম এজাৰৰ সৌন্দৰ্য,
তোমাৰ হৃদয়ত আঁকি দিম নীল-গুলপীয়া ৰঙৰ আভা।
পাৰিলে আবেলি আহিবা...
মোৰ এজাৰৰ চহৰত আবেলিৰ হেঙুলীয়া কিৰণে
এজাৰৰ ফাঁকেৰে আঁকি দিয়া হেঙুল বৰণীয়া সৌন্দৰ্যত
দুয়ো বিলীন হ'ম।
হৃদয়ে হৃদয়ৰ বতৰা লৈ
হেজাৰ যুগৰ অৱসাদবোৰ ধুই পেলাম,
এজাৰৰ চহৰৰ মায়াসনা সন্ধিয়াবোৰত।
কথাবাৰ্তাৰ মাজেৰে গুলাই পৰা তোমাৰ হাঁহিৰ সঁফুৰাৰে,
জীৱনৰ অজস্ৰ বিষাদ ধুই পেলাই
হৃদয়ত আঁকি ল'ম সুখৰ এমুঠি আবিৰ।

## অপৰাধী মই !!

**বিনিময় দাস**

তোমাক ভাল পোৱাৰ ইচ্ছা হৃদয়ত সাঁচি থোৱাটো
সমাজে মানি নলয়,
চৌপাশৰ পৰা প্ৰশ্নবাণে
অন্তৰক কৰিব ক্ষয়।
যিমানে ভাঙি যাওক হৃদয়—
প্ৰশ্নৰ উত্তৰ দি যাম শেষলৈ,
কাৰণ তুমি যে অজানিতে
আহিছা মোৰ হৃদয়ৰ দেশলৈ।
সমাজে ক'ব—
ইমান ইতিকিং কৰাৰ পাছতো
কৰা নাই পলায়ন—
তুমি যেন নিলাজ পাথৰে গঢ়া।
মোৰ কথা—
হৃদয়ত যদি হৈছে তোমাৰ অৱস্থান—
মোৰ বাবে কৰ্তব্যৰ ভিতৰত পৰে—
এনেকুৱা অপৰাধ কৰা।

## আখৰুৱা বুকু

**সঙ্গীতা ডেকা,** ৰঙিয়া

ভাবিছোঁ, অভিলাষী পথত
অভিমানী হিয়াখন মেলি দিও নে?
শিহৰণ জাগিব কিন্তু... !
নে হেৰুৱা বাটত খোজ দিও?
পিছে, বন্ধ পৃষ্ঠাবোৰ আৰু মেলিবলৈ মন নাই...

যন্ত্ৰবৎ ভাৱনাৰে কাঁচৰ অট্টালিকা,
বনাবও নোখোজোঁ
নীলিম জুপুৰী হৈ স্বপ্ন ৰচি,
ভাল লাগে এতিয়া
শব্দৰ ফুলবোৰ যে সজাব পাৰোঁ তাত....

মই নাজানোঁ,
আকাশখনৰ পৰিব্যাপ্ততাই
সাগৰখনৰ বিশালতাক কিমানলৈকে সামৰিব.. !

কিন্তু মোৰ মনৰ পৃথিৱীখনক,
আখৰুৱা বুকুখনেৰে আঁৰবিব খোজোঁ মই
কাব্যিক ধৰাত।

ম'বাইল ঃ ৯১০১০-১১৮৬৫

## চৰিত্ৰ

**শচীন্দ্ৰ কুমাৰ দাস**
পলাশবাৰী

দাপোনত যদি ব্যক্তিৰ চৰিত্ৰ ধৰা পৰিলেহেঁতেন
তেন্তে সকলো চৰিত্ৰবান হ'লহেঁতেন।
পানীৰ দৰে নিৰ্মল চিত্ত
সকলোৰে হোৱা হ'লে
কেতিয়াও হিয়া নাভাঙিলেহেঁতেন।
'আৱেগবোৰ' বৰ কঠোৰ,
মলয়াৰ দৰে জুৰাব নোৱাৰে,
বিষাদ হৃদয়ৰ তীক্ষ্ণতা।
ভাৱনাৰ যাতনা ইমানেই সজীৱ যেন
আগ্নেয়গিৰিৰ উত্তপ্ত লাভা হৈ
জীয়াই থকাৰ স্বাৰ্থ
ভৰিৰ গোচকত মোহাৰি পেলায়।
জীৱন থকালৈকে সহি যাম
পৃথিৱীয়ে যেনেকৈ সহিছে
ময়ো ঠিক তেনেদৰে
ব্যতিক্ৰম নহয়।

# মানুহৰ জীৱনত পৰিস্থিতিৰ ভূমিকা

**■ শতাব্দী শৰ্মা**
আমোলাপট্টি, নগাঁও

কিছুমান পৰিস্থিতিয়ে মানুহক বেয়ালৈ নিয়ে আৰু কিছুমান পৰিস্থিতিয়ে মানুহক ভাললৈ নিয়ে। মানুহ পৰিস্থিতিৰ দাস। পৰিস্থিতিৰ ঠেকাত মানুহে নানা কাম কৰিবলৈ বাধ্য হয়। মানুহে কেতিয়াবা পৰিস্থিতিৰ তাগিদাত নিজস্ব মনৰ বিৰোধিতাও কৰিবলগীয়া হয়। পৰিস্থিতি বিচাৰ কৰি চালে কামটো দেখি এজন ব্যক্তিৰ ব্যক্তিগত তথা নৈতিক দিশটোৰ পৰ্যালোচনা কৰিব পৰা নাযায়। এজন ঠগ, প্ৰৱঞ্চক এটা সময়ত গৈ ভাল মানুহ উঠিব পাৰে। পৰিস্থিতিৰ পাকচক্ৰত মানুহ ভিক্ষাৰী হৈ উঠিব পাৰে, পৰিস্থিতিৰ পাকচক্ৰতে আকৌ মানুহ ৰাতিটোৰ ভিতৰতে ধনকুবেৰ হৈ উঠিব পাৰে। এসময়ত খুব ভালকৈ থন ধৰি উঠা গছৰ পুলিটোও তাৰ পূৰ্বৰ অৱস্থাত কৰ্কৰীয়া হৈ শুকাই থাকে। পানী, সূৰ্যৰ তাপ, মাটিৰ সাৰুৱা অংশই তাক বৃদ্ধি কৰাত সহায় কৰে। তাৰপিছত কাৰোবাক ছাঁ দিব পৰাকৈ সি এজোপা গছ হৈ উঠে। পৰিৱেশ আৰু পৰিস্থিতিৰ তাগিদাত মানুহৰ স্বভাৱ-চৰিত্ৰৰো যথেষ্ট বিকাশ সাধন হয়। মানুহৰ প্ৰকৃতি গঠন হয় পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি। এজন সৰু ল'ৰাই অপৰাধ কৰিবলৈ কুণ্ঠাবোধ নকৰে, কাৰণ তেওঁৰ ঘৰৰ পৰিৱেশ আৰু পৰিস্থিতিয়ে তেওঁৰ চৰিত্ৰ গঠনত ভূমিকা লৈছে। তেওঁৰ অপৰাধপ্ৰৱণ মনোভাৱ ঘৰৰ যিকোনো সদস্যক অনুসৰণ কৰি গঢ়ি উঠিছে। পৰিস্থিতি অনুযায়ী মানুহ গঢ় লৈ উঠে। এজন ল'ৰা বা এগৰাকী ছোৱালীৰ স্বভাৱ-চৰিত্ৰ



গঠনৰ মূল বুনিয়াদ হৈছে ঘৰখন। ঘৰখনত সৰুৰে পৰা যেনেধৰণৰ শিক্ষা দিয়ে, তেনে শিক্ষাৰেই গঢ় লৈ ডাঙৰ হয় আৰু সামাজিক পৰিৱেশতো তেনে আচৰণ কৰিবলৈ লয়। পৰিস্থিতিয়ে মানুহক পৰিচালনা কৰে। সেয়ে যিকোনো মানুহৰ পৰিস্থিতি নজনাকৈ তেওঁক বিচাৰ বিভেদ কৰা উচিত নহয়।

ম'বাইল ঃ ৬৯০১১-৫২৪২৯

*প্ৰথম পৃষ্ঠাৰ পৰা*

# অসমৰ উন্নয়নৰ ধাৰাবাহিকতা ঃ শিক্ষা, স্বাস্থ্য আৰু নিযুক্তিৰ ৰূপান্তৰত ড° হিমন্ত বিশ্ব শৰ্মাৰ ভূমিকা

আৰোপ কৰে। অসম উচ্চশিক্ষা বিভাগৰ তথ্য অনুসৰি ‘বৰ্তমান ৰাজ্যখনত ১৪খনতকৈ অধিক ৰাজ্যিক বিশ্ববিদ্যালয়’ আৰু কেইবাখনো ব্যক্তিগত আৰু কেন্দ্ৰীয় বিশ্ববিদ্যালয় মিলি উচ্চ শিক্ষাৰ বিস্তৃত পৰিসৰ গঢ় লৈ উঠিছে। ভট্টদেৱ বিশ্ববিদ্যালয় (২০১৭), মাধৱদেৱ বিশ্ববিদ্যালয় (২০১৭), মাজুলী বিশ্ববিদ্যালয় অৱ কালচাৰ (২০১৭) আদিয়ে উচ্চ শিক্ষাৰ সুযোগ অধিক বিস্তৃত কৰিছে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত কেৱল সংখ্যাগত বিস্তাৰেই নহয়, গুণগত উৎকৰ্ষ সাধনতো সমান্তৰালভাৱে গুৰুত্ব আৰোপ কৰা হৈছে। The Times of Indiaৰ ২৪ আগষ্ট ২০২৫ৰ প্ৰতিবেদন অনুসৰি ২০২১ চনত অসমত NAAC স্বীকৃত কলেজৰ সংখ্যা আছিল ১০৪খন; ২০২৫ চনত ই ২০২খনলৈ বৃদ্ধি পায়। অৰ্থাৎ চাৰি বছৰত প্ৰায় ৯৪ শতাংশ বৃদ্ধি। এই তথ্যই দেখুৱায় যে বৰ্তমান সময়ত শিক্ষাখণ্ডত গুণগত মান উন্নয়নকো সমান গুৰুত্ব দিয়া হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা ঃ দুটা যুগৰ মাজৰ এক সেতু**

অসমৰ শিক্ষা আৰু স্বাস্থ্যখণ্ডৰ উন্নয়নৰ কথা ক’লে ড° হিমন্ত বিশ্ব শৰ্মাৰ নাম উল্লেখ নকৰাকৈ আলোচনা সম্পূৰ্ণ নহয়। কিয়নো তেওঁ কেৱল বৰ্তমানৰ মুখ্যমন্ত্ৰী হিচাপেই নহয়, কংগ্ৰেছ চৰকাৰৰ সময়তো শিক্ষা আৰু স্বাস্থ্য বিভাগৰ গুৰুত্বপূৰ্ণ দায়িত্বত আছিল। কংগ্ৰেছ আমোলত স্বাস্থ্য মন্ত্ৰী হিচাপে তেওঁ জিলা চিকিৎসালয় উন্নীতকৰণ, মাতৃ-শিশু স্বাস্থ্যসেৱা শক্তিশালীকৰণ আৰু স্বাস্থ্যখণ্ডত কেন্দ্ৰীয় আঁচনিসমূহ ৰূপায়ণত গুৰুত্ব দিছিল। একেদৰে শিক্ষা বিভাগৰ দায়িত্বত থকাৰ সময়ত বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন, শিক্ষক নিযুক্তি আৰু শিক্ষাৰ সুযোগ বিস্তাৰৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছিল। ২০১৬ চনত বিজেপি চৰকাৰ গঠন হোৱাৰ পিছত সৰ্বানন্দ সোণোৱালৰ মন্ত্ৰীসভাত স্বাস্থ্য আৰু বিত্ত মন্ত্ৰী হিচাপে ড° শৰ্মাই নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন আৰু স্বাস্থ্যখণ্ডৰ সম্প্ৰসাৰণত গুৰুত্ব আৰোপ কৰে। ধুবুৰী, লখিমপুৰ, নগাঁও, নলবাৰী আৰু কোকৰাঝাৰৰ দৰে স্থানত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কাম এই সময়তে দ্ৰুতগতিত আগবাঢ়ে। ২০২১ চনত মুখ্যমন্ত্ৰী হোৱাৰ পিছত শিক্ষা আৰু স্বাস্থ্যখণ্ডত এই গতি আৰু বৃদ্ধি পায়। AIIMS গুৱাহাটী কাৰ্যকৰিতা আৰম্ভ, নতুন চিকিৎসা মহাবিদ্যালয়, MBBS আসন বৃদ্ধি, নাৰ্চিং কলেজ স্থাপন আৰু উচ্চ শিক্ষাৰ উন্নয়নৰ দৰে পদক্ষেপসমূহে অসমৰ শিক্ষা আৰু স্বাস্থ্যখণ্ডক নতুন দিশ প্ৰদান কৰিছে। সেয়েহে অসমৰ উন্নয়নৰ ইতিহাসত ড° হিমন্ত বিশ্ব শৰ্মাক কেৱল বৰ্তমানৰ মুখ্যমন্ত্ৰী হিচাপে নহয়, কংগ্ৰেছ যুগৰ ভেঁটি আৰু বৰ্তমানৰ সম্প্ৰসাৰণৰ মাজৰ এক গুৰুত্বপূৰ্ণ সেতু হিচাপেও দেখা যায়। তেওঁৰ ৰাজনৈতিক জীৱনৰ বিভিন্ন পৰ্যায়ে অসমৰ শিক্ষা আৰু স্বাস্থ্যখণ্ডৰ বিকাশত ধাৰাবাহিকভাৱে প্ৰভাৱ পেলাইছে। এইমছ গুৱাহাটী কাৰ্যকৰী হোৱাৰ ফলত অসমৰ স্বাস্থ্যসেৱাত এক নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি হৈছে। তথাপিও জনসাধাৰণৰ সুবিধাৰ দৃষ্টিৰে কিছুমান ক্ষেত্ৰত অধিক উন্নয়নৰ সুযোগ এতিয়াও আছে। বিশেষকৈ দুপৰীয়া ২ বজাৰ পিছত বহু সেৱা সীমিত হৈ যোৱা, চিকিৎসক আৰু বিভাগীয় কৰ্মচাৰীৰ অভাৱ, সম্পূৰ্ণৰূপে কাৰ্যক্ষম ব্লাড বেংকৰ প্ৰয়োজনীয়তা, OPD ব্যৱস্থাক অধিক সুবিধাজনক কৰাৰ প্ৰয়োজনীয়তা আছে লগতে এপইণ্টমেণ্ট ব্যৱস্থা কেৱল নিৰ্দিষ্ট সময়লৈ সীমাবদ্ধ নাৰাখি অধিক নমনীয় কৰাৰ লগতে সম্ভৱ হ’লে ২৪×৭ সেৱাৰ দিশতো পৰ্যায়ক্ৰমে চিন্তা কৰিলে সাধাৰণ ৰোগীয়ে অধিক উপকৃত হ’ব।

**চিকিৎসা শিক্ষা ঃ এক নতুন বিপ্লৱ**

অসমৰ স্বাস্থ্যখণ্ডত আটাইতকৈ উল্লেখযোগ্য পৰিৱৰ্তন দেখা যায় চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত। ২০১৪ চনত ৰাজ্যখনত মাত্ৰ ৬খন চৰকাৰী চিকিৎসা মহাবিদ্যালয় আছিল। বহু শিক্ষাৰ্থীয়ে চিকিৎসা শিক্ষা লাভৰ বাবে ৰাজ্যৰ বাহিৰলৈ যাবলগীয়া হৈছিল। কিন্তু ২০২৫ চনৰ ভিতৰত অসমত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ১৪খনলৈ বৃদ্ধি পায়। ধুবুৰী, লখিমপুৰ, নগাঁও, নলবাৰী, কোকৰাঝাৰ, তিনিচুকীয়া আৰু প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় এই সম্প্ৰসাৰণৰ উল্লেখযোগ্য উদাহৰণ। National Medical Commission (NMC)-ৰ তথ্য অনুসৰি ২০১৪ চনত অসমত MBBS আসন আছিল প্ৰায় ৭২৬টা। ২০২৫-২৬ শিক্ষাবৰ্ষত এই সংখ্যা ৰ,জ্জ্বচপ্তৰ ওচৰ চাপিছে। এই বৃদ্ধি কেৱল পৰিসংখ্যাৰ বিষয় নহয়; ই অসমৰ ভৱিষ্যৎ চিকিৎসক, স্বাস্থ্যঞ্জযকৰ্মী আৰু চিকিৎসা গৱেষকৰ সংখ্যা বৃদ্ধিৰো সূচক।

**স্বাস্থ্য আন্তঃগাঁথনি ঃ গুৱাহাটীকেন্দ্ৰিক স্বাস্থ্যসেৱাৰ ধাৰণাৰ পৰা জিলালৈ**

এসময়ত উন্নত চিকিৎসাৰ বাবে গুৱাহাটী বা ৰাজ্যৰ বাহিৰলৈ যাবলগীয়া হৈছিল। কিন্তু সাম্প্ৰতিক সময়ত স্বাস্থ্য আন্তঃগাঁথনিৰ বিস্তাৰে এই ছবিখন সলনি কৰিছে। AIIMS Guwahati-ৰ কাৰ্যকৰিতা আৰম্ভ হোৱা, টাটা ট্ৰাষ্টৰ সহযোগত কেঞ্চাৰ চিকিৎসা নেটৱৰ্ক স্থাপন, নতুন নাৰ্চিং কলেজ, চিকিৎসা মহাবিদ্যালয় আৰু জিলা চিকিৎসালয়সমূহৰ উন্নীতকৰণে স্বাস্থ্যসেৱাৰ মান উন্নত কৰিছে। বিশেষকৈ ধুবুৰী, কোকৰাঝাৰ, লখিমপুৰ, নগাঁও আৰু নলবাৰীৰ দৰে অঞ্চলত স্বাস্থ্যসেৱাৰ বিস্তাৰে চিকিৎসাক গুৱাহাটী-কেন্দ্ৰিকতাৰ পৰা বাহিৰলৈ উলিয়াই আনিছে।

**উন্নয়ন আৰু  নিযুক্তি ঃ**

অদৃশ্য কিন্তু গুৰুত্বপূৰ্ণ দিশ উন্নয়নৰ আলোচনা কৰোঁতে আমি সাধাৰণতে নতুন অট্টালিকা, বিশ্ববিদ্যালয় বা চিকিৎসালয়ৰ কথা কওঁ। কিন্তু উন্নয়নৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ হ’ল নিযুক্তি সৃষ্টি। এখন নতুন বিশ্ববিদ্যালয় মানে কেৱল এটা শিক্ষানুষ্ঠান নহয়; ই অধ্যাপক, সহকাৰী অধ্যাপক, গৱেষক, গ্ৰন্থাগাৰিক আৰু প্ৰশাসনিক কৰ্মচাৰীৰ বাবে নতুন কৰ্মসংস্থাপনৰ সুযোগ। একেদৰে এখন নতুন চিকিৎসা মহাবিদ্যালয় মানে শতাধিক চিকিৎসক, নাৰ্চ, ফাৰ্মাচিষ্ট, লেব টেকনিচিয়ান, এক্স-ৰে টেকনিচিয়ান, প্ৰশাসনিক বিষয়া আৰু সহায়ক কৰ্মচাৰীৰ নতুন নিযুক্তি। অসম চৰকাৰৰ শিক্ষা আৰু স্বাস্থ্য বিভাগৰ বিভিন্ন নিযুক্তি বিজ্ঞপ্তি অনুসৰি বিগত কেইবছৰত শিক্ষক, চিকিৎসক, নাৰ্চ আৰু স্বাস্থ্যকৰ্মীৰ হাজাৰ হাজাৰ পদ পূৰণ কৰা হৈছে। ইয়াৰ উপৰিও ব্যক্তিগত স্বাস্থ্যসেৱা, ঔষধ উদ্যোগ, ডায়াগনষ্টিক কেন্দ্ৰ আৰু শিক্ষাখণ্ডতো পৰোক্ষভাৱে বহু কৰ্মসংস্থান সৃষ্টি হৈছে।

**ভেঁটি আৰু গতি ঃ ইতিহাসৰ নিৰপেক্ষ মূল্যায়ন**

একাডেমিক সততাৰ স্বাৰ্থত এটা কথা স্বীকাৰ কৰিব লাগিব যে বৰ্তমানৰ বহু উন্নয়ন স্বাধীনতা-উত্তৰ কালত গঢ়ি তোলা প্ৰতিষ্ঠানসমূহৰ ওপৰত নিৰ্ভৰশীল। গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় বা অসম চিকিৎসা মহাবিদ্যালয়ৰ দৰে প্ৰতিষ্ঠানসমূহ নাথাকিলে বৰ্তমানৰ সম্প্ৰসাৰণৰ ভেঁটিও নাথাকিলহেঁতেন। অৱশ্যে পৰিসংখ্যাই দেখুৱায় যে ২০১৬ চনৰ পিছত শিক্ষা আৰু স্বাস্থ্যখণ্ডত সম্প্ৰসাৰণৰ গতি অধিক দ্ৰুত হৈছে। বিশেষকৈ চিকিৎসা শিক্ষা, MBBS আসন বৃদ্ধি, NAAC স্বীকৃত কলেজৰ সংখ্যা আৰু স্বাস্থ্য আন্তঃগাঁথনিৰ ক্ষেত্ৰত এই পৰিৱৰ্তন স্পষ্ট। সেয়েহে ইতিহাসৰ বিচাৰত কংগ্ৰেছ যুগক ভেঁটি নিৰ্মাণৰ যুগ 'Foundation Era' আৰু বৰ্তমান সময়ক সম্প্ৰসাৰণ আৰু ফলপ্ৰদানৰ যুগ 'Expansion and Delivery Era' বুলি অভিহিত কৰাটো যুক্তিসংগত।

অসমৰ উন্নয়নৰ ইতিহাস কোনো ৰাজনৈতিক প্ৰতিযোগিতাৰ বিষয় নহয়; ই ধাৰাবাহিক জাতি-গঠনৰ কাহিনী।

‘অসমৰ শিক্ষা স্বাস্থ্য আৰু নিযুক্তিখণ্ডৰ সাম্প্ৰতিক ৰূপান্তৰৰ আলোচনাত ড° হিমন্ত বিশ্ব শৰ্মাৰ নাম বিশেষভাৱে উল্লেখযোগ্য। কংগ্ৰেছ চৰকাৰৰ সময়ত শিক্ষা আৰু স্বাস্থ্য মন্ত্ৰী হিচাপে আৰু বৰ্তমান মুখ্যমন্ত্ৰী হিচাপে তেওঁ দুটা ভিন্ন পৰ্যায়ত এই খণ্ডসমূহৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আছিল। সেয়েহে অসমৰ উন্নয়নৰ সাম্প্ৰতিক অধ্যায়ত তেওঁক কেৱল এজন ৰাজনৈতিক নেতা হিচাপে নহয়, বৰং নীতি-নিৰ্ধাৰক, ৰূপায়ণকাৰী আৰু সম্প্ৰসাৰণৰ চালিকাশক্তি হিচাপে মূল্যায়ন কৰিব পাৰি।’

কংগ্ৰেছ যুগে শিক্ষা আৰু স্বাস্থ্যখণ্ডৰ মৌলিক ভেঁটি স্থাপন কৰিছিল। আনহাতে সাম্প্ৰতিক সময়ত সেই ভেঁটিৰ ওপৰত নিৰ্ভৰ কৰিয়েই নতুন বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, স্বাস্থ্য আন্তঃগাঁথনি আৰু নিযুক্তিৰ সুযোগ সৃষ্টি হৈছে। আজিৰ অসমত উন্নয়নৰ প্ৰকৃত মূল্যায়ন কৰিব খুজিলে কেৱল কোনে আৰম্ভ কৰিছিল সেয়া নহয়, বৰং কোনে কিমান বিস্তাৰ ঘটালে আৰু জনসাধাৰণৰ ওচৰলৈ কিমান সুফল লৈ গ’ল-সেই প্ৰশ্নটোৰ উত্তৰ বিচাৰিব লাগিব। তথ্য আৰু পৰিসংখ্যাই দেখুৱায় যে শিক্ষা, স্বাস্থ্য আৰু নিযুক্তিৰ ক্ষেত্ৰত অসমে এক নতুন ৰূপান্তৰৰ পথত আগবাঢ়িছে।

**ম’বাইল ঃ** ৮৮৭৬১-৩৯৩৫৮

## নগাঁৱৰ কলংপাৰ বিদ্যাপীঠত শিক্ষাবিদ

উপস্থিত থাকি প্ৰসিদ্ধ ভাস্কৰ্যশিল্পী নুৰুদ্দিন আহমেদে কয় যে ধনীৰ ঘৰত জন্মগ্ৰহণ নকৰিলেও একাগ্ৰতা আৰু সাধনাৰ মাজেদি প্ৰতিষ্ঠা লাভ কৰিব পাৰি বা জাতীয় জীৱনলৈ সেৱা আগবঢ়াব পাৰি। নিজকে দুখীয়া পৰিয়ালৰ সন্তান বুলি উল্লেখ কৰি শিল্পীজনে কয় তেওঁ কেতিয়াও সন্মান লাভৰ তাগিদাত কাম কৰা নাই। কাম কৰাৰ আনন্দৰ বাবেই তেওঁ কাম কৰি গৈছে। বটদ্ৰৱাৰ শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ ক্ষেত্ৰত গুৰু-আসন, কৃষ্ণলীলা আৰু বিষ্ণুৰ দশাৱতাৰৰ ভাস্কৰ্য নিৰ্মাণৰ যি সুযোগ তেওঁ লাভ কৰিলে, এয়া তেওঁৰ জীৱনলৈ ভগৱানৰ শ্ৰেষ্ঠতম উপহাৰ বুলি তেওঁ মন্তব্য দিয়ে। প্ৰাক্তন অধ্যাপক, প্ৰাক্তন বিধায়ক গিৰীন্দ্ৰকুমাৰ বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত অনুষ্ঠানত ৰাজহুৱা সম্বৰ্ধনা গ্ৰহণ কৰি অলেখ কথাছবি আৰু ভ্ৰাম্যমাণৰ যশস্বী কলা নিৰ্দেশক নুৰুদ্দিন আহমেদে পদ্মশ্ৰী লাভৰ পিছত প্ৰথমটো ৰাজহুৱা সম্বৰ্ধনা লাভ কৰি পৰম আনন্দ লাভ কৰিছে বুলি উল্লেখ কৰি কলংপাৰ বিদ্যাপীঠ পৰিয়াল আৰু নগএগু ৰাইজলৈ কৃতজ্ঞতা জ্ঞাপন কৰে। অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানত ‘ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শংকৰদেৱ অধ্যয়ন আৰু ইয়াৰ প্ৰয়োজনীয়তা’ শীৰ্ষক স্মাৰক বক্তৃতা প্ৰদান কৰি নগাঁও বিশ্ববিদ্যালয় অধ্যাপক ড° কৰবী দেৱীয়ে কয় যে ‘মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ মহান জীৱনাদৰ্শ বিশ্বৰ ভিতৰতে বিৰল। আজি বিশ্বই শ্বেইকছপীয়েৰৰ গুণানুকীৰ্তন কৰে, শ্বেলীৰ প্ৰশংসা কৰে, কিন্তু শ্ৰীমন্ত শংকৰদেৱ এওঁলোকতকৈ কোনোগুণে কম নাছিল। শ্ৰীমন্ত শংকৰ দেৱ নৱবৈষ্ণৱ ধৰ্মৰ এগৰাকী প্ৰচাৰক বা এগৰাকী নাট্যকাৰ, শিল্পী অথবা অনুবাদকাৰীয়েই নাছিল, তেওঁ আছিল এগৰাকী কাৰো সৈতে তুলনা কৰিব নোৱৰা অদ্বিতীয় প্ৰতিভাৰ অধিকাৰী। তেওঁতকৈ কম গুণৰ অধিকাৰীয়েও বিশ্বত স্থান লাভ কৰিছে। অথচ আমাৰ জাতীয় প্ৰেমৰ অভাৱৰ বাবেই গুৰুজনাক আমি বিশ্বত প্ৰতিষ্ঠা কৰিবলৈ অসমৰ্থ হৈছোঁ তেওঁ বুলি আক্ষেপ প্ৰকাশ কৰে। ভাষণৰ মাজতে শংকৰদেৱৰ বৰগীত পৰিৱেশন কৰি তেওঁ পুনৰ কয় যে শংকৰদেৱৰ জীৱনপ্ৰতিভাই মানুহক সংস্কৃত কৰিব পাৰে, সংসাৰপথিকৰ জীৱনবাট সেন্দূৰীয়া কৰিব পাৰে। সেই কাৰণে ল’ৰা-ছোৱালীক শংকৰদেৱ অধ্যয়নৰ বাবে উৎসাহিত কৰিব লাগে।’ বন্তি প্ৰজ্বলন কৰে শিক্ষাবিদগৰাকীৰ দুই পুত্ৰ সপোন গোস্বামী, সঞ্জীৱ গোস্বামী আৰু কন্যা স্নিগ্ধা গোস্বামীয়ে। পুষ্পাঞ্জলি তৰ্পণ কৰে অসম সাহিত্য সভাৰ স্থায়ী বিত্তীয় নিধিৰ আহ্বায়ক গোবিন্দ কলিতা, কেন্দ্ৰীয় সদস্য সুশীল ডেকা, সদৌ অসম কৰ্মচাৰী পৰিষদৰ বিষয়ববীয়া শ্যামন্ত দাস আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক যতীন্দ্ৰনাথ সূতে। অনুষ্ঠানত শংকৰদেৱৰ আৱিৰ্ভাৱ ক্ষেত্ৰত গুৰু আসন আদি নিৰ্মাণত সহযোগী ভাস্কৰৰ ভূমিকা লোৱা ৰাজ আহমেদ আৰু দীপ আহমেদকো সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি শিল্পী নুৰুদ্দিন আহমেদৰ দুই ভাস্কৰ নন্দনে পৰম উৎসাহিত হৈছে বুলি উল্লেখ কৰি কয় যে অসম তেওঁলোকৰ জন্মভূমি।

## ঘগ্ৰাপাৰৰ বিষ্টুপুৰত  অভিনয়ৰ আঠদিনীয়া

আৰু চুটি ছবি নিৰ্মাণ কৰি আহিছে। আঠদিনীয়া অভিনয়  কৰ্মশালাৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণকাৰী প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ’ব বুলি সৃষ্টি মাল্টি ডেভেলপমেণ্ট অৰ্গেনাইজেচনৰ সভাপতি হিৰণ্য বৰ্মনে জানিবলৈ দিয়ে। তদুপৰি ১২ জুলাইৰ পৰা ১৯ জুলাইলৈ প্ৰতিদিনে আবেলি ৩ বজাৰ পৰা অনুষ্ঠিত হ’বলগীয়া অভিনয় কৰ্মশালাত অংশগ্ৰহণৰ ইচ্ছুক প্ৰশিক্ষাৰ্থীসকলে ৪০০ টকা ভৰ্ত্তি মাচুলসহ নিজৰ নাম পঞ্জীয়ণ কৰিব লাগিব। আনহাতে ইচ্ছুক প্ৰশিক্ষাৰ্থীসকলক সবিশেষ তথ্যৰ বাবে ৯৯৫৪১-৪৪৩০৪, ৮৭৬১৮-২৮২০৭ আৰু ৯৮৫৯৬-২৭৩৭৯ ম’বাইল নম্বৰত যোগাযোগ কৰিবলৈ সৃষ্টি সংগীত বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক কালিন্দ্ৰ কুমাৰ বৰ্মন আৰু বিষয়ববীয়া ট্ৰিকেন বৰ্মনে জনাইছে।

## শিৱসাগৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ বিভিন্ন বিদ্যালয় আকস্মিক পৰিদৰ্শন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে ২২ জুন তাৰিখে জিলাখনৰ আঠাবাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়, পানবেচা উচ্চ মাধ্যমিক বিদ্যালয়, ৰাজমাই বাগান মডেল স্কুল, আঠাবাৰি বাগিচা মডেল বিদ্যালয়, পানবেচা উচ্চ মাধ্যমিক বিদ্যালয় আকস্মিক পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে, পৰিদৰ্শন কালত পৰিদৰ্শকগৰাকীয়ে প্ৰতিখন বিদ্যালয়ৰ শ্ৰেণীকোঠাত উপস্থিত হৈ পাঠদান প্ৰক্ৰিয়া প্ৰত্যক্ষ কৰাৰ লগতে যোৱা শৈক্ষিক বৰ্ষৰ ফলাফল, উপস্থিতিৰ হাৰ, পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ অগ্ৰগতি আৰু সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলীৰ নথি-পত্ৰ পুংখানুপুংখভাৱে পৰীক্ষা কৰে। আনহাতে বিদ্যালয়ৰ অধ্যক্ষৰ সৈতে শৈক্ষিক মান উন্নয়নৰ কৌশল সম্পৰ্কে আলোচনা কৰাৰ উপৰি বিভিন্ন শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে প্ৰত্যক্ষভাৱে বাৰ্তালাপ কৰে। তেখেতে শিক্ষাৰ্থীসকলৰ পঢ়া-শুনাৰ সমস্যা, ভৱিষ্যত পৰিকল্পনা, বিদ্যালয়ৰ আন্তঃগাঁথনি সম্পৰ্কীয় অভাৱ-অভিযোগ আৰু পৰামৰ্শৰ বুজ লয়। শৈক্ষিক আৰু প্ৰশাসনিক দিশত উৎকৰ্ষ সাধনৰ বাবে পৰিদৰ্শকগৰাকীয়ে শিক্ষকসকলক কেতবোৰ গুৰুত্বপূৰ্ণ দিহা-পৰামৰ্শ আগবঢ়ায়। একে সময়তে, অধিকাংশ শিক্ষকৰ নিষ্ঠা আৰু বিদ্যায়তনিক সেৱাৰ প্ৰতি তেখেতে গভীৰ সন্তুষ্টি প্ৰকাশ কৰি তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰে। জানিব পৰা মতে পৰিদৰ্শন কালত কেইখনমান বিদ্যালয়ত কিছুমান প্ৰশাসনিক আৰু শৈক্ষিক কাম-কাজত অৱহেলা পৰিলক্ষিত হয়। ৰেকৰ্ড সংৰক্ষণত অসংগতি, মধ্যাহ্ন ভোজনৰ মানদণ্ড আৰু ছাত্ৰৰ উপস্থিতি নিয়মীয়া নোহোৱাৰ দৰে বিষয়ত পৰিদৰ্শকগৰাকীয়ে উদ্বেগ প্ৰকাশ কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা

## ডিজিটেলভাৱে স্বাৱলম্বী ভাৰত গঢ়াৰ দিশে

জন-ধন যোজনা, আধাৰ আৰু মোবাইল সংযোগ-আজি ভাৰতৰ ডিজিটেল শাসন ব্যৱস্থাৰ মূল ভেটি আৰু বিশ্বৰ সৰ্ববৃহৎ আৰ্থিক অন্তৰ্ভুক্তিৰ পৰিকাঠামোত পৰিণত হৈছে। দেশত বৰ্তমান ৫৭.৭৮ কোটি জন ধন বেংক একাউন্ট, ১৪৪ কোটিতকৈ অধিক আধাৰ আৰু ১০৯ কোটিতকৈ অধিক ইণ্টাৰনেট ব্যৱহাৰকাৰীয়ে এক অভূতপূৰ্ব ডিজিটেল পৰিচয় আৰু আৰ্থিক পৰিকাঠামো গঢ়ি তুলিছে। এই ব্যৱস্থাৰ জৰিয়তে ডাইৰেক্ট বেনিফিট ট্ৰেন্সফাৰৰ অধীনত ৫১ লাখ কোটিতকৈ অধিক টকা ১৭৬ কোটি লেনদেনৰ জৰিয়তে পোনপটীয়াকৈ হিতাধিকাৰীৰ একাউণ্টত জমা দিয়া হৈছে। ইয়াৰ ফলত মধ্যভোগী, দুৰ্নীতি আৰু অপচয় উল্লেখযোগ্যভাৱে হ্ৰাস পাইছে আৰু ৰাজকোষীয় স্বচ্ছতা অধিক শক্তিশালী হৈছে।

ড° মেহজাবিনে কয় যে, ডিজিটেল ইণ্ডিয়াৰ অন্যতম সৰ্বাধিক সফল দিশ হৈছে ভাৰতৰ ডিজিটেল লেনদেনৰ বিপ্লৱ। ইউনিফাইড পেমেণ্টছ ইণ্টাৰফেচে ২০১৬-১৭ বৰ্ষত মাত্ৰ ২ কোটি লেনদেনৰ পৰা বৃদ্ধি পাই ২০২৫-২৬ বৰ্ষত ২৪,১৬২ কোটিতকৈ অধিক লেনদেন সম্পন্ন কৰিছে। আজি বিশ্বৰ মুঠ ৰিয়েল-টাইম ডিজিটেল লেনদেনৰ প্ৰায় ৪৯ শতাংশ লেনদেন ভাৰতত হয়। একাধিক দেশত ইউপিআইৰ বিস্তাৰে ভাৰতক কেৱল ডিজিটেল অৰ্থনীতিৰ অংশীদাৰ নহয়, বৰং বিশ্বৰ নতুন প্ৰজন্মৰ ফিনটেক ব্যৱস্থাৰ অন্যতম স্থপতি হিচাপে প্ৰতিষ্ঠা কৰিছে।

তেওঁ উল্লেখ কৰে যে, ডিজিটেল ইণ্ডিয়াই ভাৰতৰ ডিজিটেল আন্তঃগাঁথনিৰ ক্ষেত্ৰতো এক নৱযুগৰ সূচনা কৰিছে। ভাৰতনেট আঁচনিৰ জৰিয়তে দেশৰ প্ৰায় ২.১৫ লাখ গ্ৰাম পঞ্চায়ত, অৰ্থাৎ ৯৭ শতাংশ, প্ৰায় ৭ লাখ কিলোমিটাৰ অপ্টিকেল ফাইবাৰ কেবলৰ জৰিয়তে সংযুক্ত হৈছে। বৰ্তমান ভাৰতত ১০৬.৫৮ কোটি ব্ৰডবেণ্ড গ্ৰাহক আছে। ইয়াৰ উপৰিও ৬.৫ লাখতকৈ অধিক কমন চাৰ্ভিছ চেণ্টাৰ আৰু ১.৬ লাখ ডিজিটেলভাৱে সক্ষম ডাকঘৰে গ্ৰামাঞ্চল আৰু দুৰ্গম অঞ্চলত বেংকিং, স্বাস্থ্য, শিক্ষা, আৰ্থিক অন্তৰ্ভুক্তি আৰু চৰকাৰী সেৱা সফলভাৱে প্ৰদান কৰি ডিজিটেল ভাৰতৰ ভিত্তি অধিক শক্তিশালী কৰিছে।

ডিজিটেল ইণ্ডিয়াই ভাৰতক ইলেক্ট্ৰনিক্স উৎপাদনৰ ক্ষেত্ৰতো বিশ্বৰ অন্যতম শক্তিশালী উৎপাদন কেন্দ্ৰত পৰিণত কৰিছে। ২০১৪-১৫ বৰ্ষৰ ১.৯ লাখ কোটি টকাৰ ইলেক্ট্ৰনিক্স উৎপাদন বৃদ্ধি পাই ২০২৬ চনৰ মাৰ্চ মাহলৈ প্ৰায় ১২ লাখ কোটি টকা হৈছে। ভাৰত আজি বিশ্বৰ দ্বিতীয় বৃহত্তম মোবাইল ফোন উৎপাদনকাৰী দেশ। মেক ইন ইণ্ডিয়া আৰু প্ৰডাকচন লিংকড ইনচেন্টিভ আঁচনিৰ সফল ৰূপায়ণেই এই অভূতপূৰ্ব অগ্ৰগতিৰ মূল চালিকাশক্তি।

ডিজিটেল ইণ্ডিয়াই এক সমন্বিত ডিজিটেল শাসন ব্যৱস্থা গঢ়ি তুলিছে, য'ত ডিজিলকাৰত ৭০.৬৯ কোটিতকৈ অধিক নিবন্ধিত ব্যৱহাৰকাৰী আৰু ৮৫০ কোটিতকৈ অধিক ডিজিটেল নথি-পত্ৰ সুৰক্ষিতভাৱে সংৰক্ষিত হৈছে। উমং, জিএছটিএন, ই-ক'ৰ্টছ, ই-হাস্পতাল, ই-সঞ্জীৱনী, ত্বত্ত গতি শক্তি, জিইএম, অএনডিচি আৰু 'মাই গভ'ৰ দৰে প্লেটফৰ্মসমূহে শাসন ব্যৱস্থাক অধিক স্বচ্ছ, সমন্বিত আৰু জনমুখী কৰি তুলিছে।

ডিজিটেল ইণ্ডিয়াই ভাৰতৰ জনস্বাস্থ্য ব্যৱস্থাকো আমূল ৰূপান্তৰিত কৰিছে। ই-সঞ্জীৱনী টেলিমেডিচিন প্লেটফৰ্মে ৪৮ কোটিতকৈ অধিক চিকিৎসা পৰামৰ্শ আগবঢ়াই গ্ৰামাঞ্চললৈ বিশেষজ্ঞ চিকিৎসা সেৱা কঢ়িয়াই লৈ গৈছে। আনহাতে, বিশ্বজুৰি প্ৰশংসিত ক'উইন প্লেটফৰ্মে ২২০ কোটিতকৈ অধিক কোভিড-১৯ টীকাকৰণ সফলভাৱে পৰিচালনা কৰি ভাৰতৰ ডিজিটেল সক্ষমতাৰ এক বিশ্বমানৰ উদাহৰণ দাঙি ধৰিছে।

যুৱ শক্তিক ৰাষ্ট্ৰ গঠনৰ মূল চালিকাশক্তি হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে 'মাই ভাৰত' প্লেটফৰ্মে ইতিমধ্যে চ.চৰ কোটিতকৈ অধিক যুৱক-যুৱতীক সংযুক্ত কৰিছে। ১.৫২ লাখতকৈ অধিক স্বেচ্ছাসেৱী সুযোগ, ২৮ হাজাৰতকৈ অধিক অভিজ্ঞতাভিত্তিক শিক্ষণ কাৰ্যসূচী আৰু ১.১৯ লাখতকৈ অধিক প্ৰতিষ্ঠানৰ সৈতে সংযোগ স্থাপন কৰি ই দেশৰ সৰ্ববৃহৎ যুৱ ডিজিটেল পৰিকাঠামো হিচাপে আত্মপ্ৰকাশ কৰিছে।

ডিজিটেল ইণ্ডিয়াই কৃষি, শিক্ষা আৰু মানৱ সম্পদ বিকাশতো এক নতুন অধ্যায় সূচনা কৰিছে। এগ্ৰীষ্টেকৰ অধীনত ৯.২ কোটিতকৈ অধিক কৃষক আইডি সৃষ্টি কৰা হৈছে। ডিকচা, স্বয়ম, পিএম ই-বিদ্যা, স্বয়ম প্ৰভা, আপাৰ, পিএমজিডিচা, স্কিল ইণ্ডিয়া ডিজিটেল হাব, ফিউচাৰ স্কিল প্ৰাইম, আৰু ইণ্ডিয়া এআই মিছনে কৃত্ৰিম বুদ্ধিমত্তা, ক্লাউড কম্পিউটিং, চাইবাৰ সুৰক্ষা আৰু উন্নত প্ৰযুক্তিৰ ক্ষেত্ৰত দক্ষ মানৱ সম্পদ গঢ়ি তুলিছে।

ডিজিটেল ইণ্ডিয়াৰ প্ৰভাৱ কেৱল শাসন ব্যৱস্থাত সীমাবদ্ধ নহয়। ই ভাৰতৰ অৰ্থনৈতিক ৰূপান্তৰৰ অন্যতম শক্তিশালী ভেটি। বৰ্তমান ভাৰতৰ ডিজিটেল অৰ্থনীতি দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ (জিডিপি) প্ৰায় ১২-১৪ শতাংশ অৱদান আগবঢ়াইছে আৰু আগন্তুক দশকত এই অৱদান ২০ শতাংশলৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। ২০২৪-২৫ বৰ্ষত ভাৰতৰ আইটি আৰু আইটিইএছ খণ্ডই ২৮৩ বিলিয়ন আমেৰিকান ডলাৰ আয় কৰাৰ লগতে ২,১০০তকৈ অধিক গ্ল'বেল কেপেবিলিটি চেন্টাৰে প্ৰায় ২৬ লাখ উচ্চ দক্ষতাসম্পন্ন পেছাজীৱীক নিয়োজিত কৰিছে।

ভাৰতৰ ডিজিটেল পাব্লিক ইনফ্ৰাষ্ট্ৰাকচাৰ আজি বিশ্বব্যাপী এক আদৰ্শ হিচাপে স্বীকৃত। জি-২০ ৰ সভাপতিত্বকালত India Stack Global আৰু Global DPI Repository মুকলি কৰাৰ লগতে ২৪খন দেশৰ সৈতে ডিজিটেল সহযোগিতা চুক্তি সম্পন্ন কৰি ভাৰত ডিজিটেল কূটনীতিৰ ক্ষেত্ৰতো এক বিশ্বস্ত অংশীদাৰত পৰিণত হৈছে।

ডিজিটেল ইণ্ডিয়াৰ প্ৰকৃত তাৎপৰ্য কেৱল প্ৰযুক্তিগত উৎকৰ্ষত সীমাবদ্ধ নহয়; ই সম সুযোগৰ গণতান্ত্ৰিকীকৰণ, প্ৰতিষ্ঠানগত স্বচ্ছতা আৰু নাগৰিকক উন্নয়নৰ কেন্দ্ৰবিন্দুত প্ৰতিষ্ঠা কৰাৰ এক শক্তিশালী ৰাষ্ট্ৰীয় ব্যৱস্থা। বিগত ১১ বছৰত ভাৰত কেৱল শাসন ব্যৱস্থাক ডিজিটেল ৰূপ দিয়া নাই; বৰং উদ্ভাৱন, আন্তঃসংযোগ, অন্তৰ্ভুক্তিমূলক উন্নয়ন আৰু প্ৰতিষ্ঠানগত স্থিতিস্থাপকতাৰ ওপৰত ভিত্তি কৰি এক নতুন উন্নয়ন মডেল গঢ়ি তুলিছে। তেওঁ লগতে কয় যে, ডিজিটেল শাসনৰ ভৱিষ্যতক লৈ যি সময়ত বিশ্বৰ বহু দেশ এতিয়াও আলোচনা কৰি আছে, সেই সময়ত ভাৰতে আধাৰ, ইউপিআই, জিইএম, অএনডিচি, পিএম গতি শক্তি আৰু 'মাই ভাৰত'ৰ দৰে বিশ্বমানৰ ডিজিটেল প্লেটফৰ্মৰ ইতিমধ্যে ডিজিটেল শাসনৰ অন্যতম স্থপতি হিচাপে আত্মপ্ৰকাশ কৰিছে। দূৰদৰ্শী নেতৃত্ব আৰু জনকল্যাণমুখী নীতিৰে প্ৰযুক্তিয়ে কেনেদৰে সামাজিক ন্যায়, অৰ্থনৈতিক উৎপাদনশীলতা আৰু ৰাষ্ট্ৰীয় পুনৰুত্থানৰ শক্তিশালী মাধ্যম হক্সব পাৰে, ভাৰতে বিশ্বক সেই পথ দেখুৱাইছে।

ড° মেহজাবিনে শেষত উল্লেখ কৰে যে, অসমতো ডিজিটেল ইণ্ডিয়াৰ সুদূৰপ্ৰসাৰী দৃষ্টিভংগী বাস্তৱ ৰূপ লাভ কৰিছে। ডিজিটেল শাসন ব্যৱস্থা আজি অসমৰ প্ৰশাসনিক সংস্কাৰ, স্বচ্ছ জনসেৱা আৰু উন্নয়নমূলক কাৰ্যসূচীৰ অন্যতম ভিত্তিত পৰিণত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমে ডিজিটেল আন্তঃগাঁথনি, ই-গভৰ্নেন্স, ডিজিটেল সেৱা, উদ্যোগ, কৃষি, শিক্ষা, স্বাস্থ্য, কৃত্ৰিম বুদ্ধিমত্তা, ইলেক্ট্ৰনিক্স উৎপাদন আৰু উদ্ভাৱনৰ ক্ষেত্ৰত দ্ৰুত অগ্ৰগতি লাভ কৰিছে। অৰুণোদয়, প্ৰায় ২৯ লাখ কৃষক পিএম কিষান, ৪০ লাখ মহিলাক উদ্যমিতা আঁচনি, আগন্তুক সময়ত ডিজিটেল ইণ্ডিয়া আৰু ৰাজ্য চৰকাৰৰ উন্নয়নমূলক দৃষ্টিভংগীৰ সমন্বয়ে অসমক এখন জ্ঞানভিত্তিক, উদ্ভাৱনমুখী আৰু বিনিয়োগ-আকৰ্ষণকাৰী অৰ্থনীতিত ৰূপান্তৰিত কৰাৰ লগতে 'বিকশিত ভাৰত-২০৪৭'-ৰ সপোন বাস্তৱায়নত অসমৰ ভূমিকাক অধিক শক্তিশালী কৰি তুলিব।

# শিশুৰ মানসিক বিকাশত বাতৰি কাকতৰ অৱদান

■ **শংকৰ দেৱ,** দেৰগাঁও

**অ**তীতৰ পৰাই শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশত বাতৰি কাকতে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। 'আজিৰ শিশু, কাইলৈৰ ভৱিষ্যৎ' অৰ্থাৎ আজিৰ প্ৰতিজন শিশু আগন্তুক দিনৰ দেশৰ একো একোজন বিশিষ্ট ব্যক্তি ৰূপে গঢ় লৈ উঠিব। সেইয়ে শিশুৰ বিকাশৰ ক্ষেত্ৰত পৰিয়াল, বিদ্যালয়, সমাজ লগতে সংবাদ মাধ্যমে এক বিশেষ ভূমিকা পালন কৰাটো অত্যন্তই প্ৰয়োজনীয়। এখন উন্নত, শিক্ষিত আৰু সচেতন পূৰ্ণ সমাজ গঢ়ি তুলিবলৈ হ'লে শিশুসকলৰ মানসিক, বৌদ্ধিক আৰু নৈতিক বিকাশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিবই লাগিব। আজিৰ ডিজিটেল যুগত মোবাইল ফোন, সামাজিক মাধ্যম আৰু ইণ্টাৰনেটৰ ব্যৱহাৰ বহুগুণে বৃদ্ধি পাই আহিছে যদিও বাতৰি কাকতৰ মূল্য আৰু প্ৰয়োজনীয়তা এতিয়াও হ্ৰাস পোৱা নাই। বৰং, সুস্থ তথ্য আৰু নিৰ্ভৰযোগ্য জ্ঞান আহৰণৰ ক্ষেত্ৰত বাতৰি কাকত এতিয়াও অন্যতম গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে পৰিগণিত হৈ আছে।

প্ৰতিজন শিশুৰ ক্ষেত্ৰত ক'ব পাৰি যে নিয়মিতভাৱে বাতৰি কাকত পঢ়িলে তেওঁলোকৰ শব্দ জ্ঞান বৃদ্ধি পায়, পঢ়াৰ অভ্যাস গঢ়ি উঠে, চিন্তাশক্তি, বহু নতুন শব্দ, বাক্য গঠন আৰু ভাষাৰ শুদ্ধ ব্যৱহাৰ শিকে যাৰ ফলত তেওঁলোকৰ উচ্চাৰণ, লিখনী শক্তি আৰু কথোপকথনৰ দক্ষতা বৃদ্ধি পায় আৰু বিশ্লেষণাত্মক ক্ষমতাৰ বিকাশ ঘটে। লগতে, ই তেওঁলোকক সাধাৰণ জ্ঞান অৰ্জন কৰাত আৰু বিশ্বৰ বাতৰি সংগ্ৰহ কৰাৰ ক্ষেত্ৰতো সজাগ কৰি তোলে অৰ্থাৎ ই এক জীৱন্ত শিক্ষকৰ দৰে কাম কৰে। নিয়মিতভাৱে বাতৰি কাকত পঢ়া শিশুৱে সমাজ, দেশ আৰু বিশ্বৰ বিভিন্ন বিষয়ৰ সৈতে পৰিচিত হোৱাৰ এক সুবৰ্ণ সুযোগ লাভ কৰে। ইয়াৰোপৰি মাতৃভাষাৰ বাতৰি কাকত পঢ়িলে ভাষাটোৰ প্ৰতি ভালপোৱা জন্মে আৰু সাহিত্য-সংস্কৃতিৰ সৈতে আত্মিক সম্পৰ্ক গঢ় লৈ উঠে। আনহাতে, হিন্দী-ইংৰাজী বা আন ভাষাৰ কাকত পঢ়িলে বহুভাষিক জ্ঞানৰো বিকাশ ঘটে। ভাষাজ্ঞানৰ এই উন্নতিয়ে শিশুৰ শিক্ষাজীৱন আৰু ভৱিষ্যৎ পেছাগত জীৱনত ইতিবাচক প্ৰভাৱ পেলাব পাৰে। সৰুৰে পৰা গঢ়ি উঠা এই অভ্যাসে ভৱিষ্যতে প্ৰতিযোগিতামূলক পৰীক্ষা আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰতো বিশেষ সহায় কৰে।

আজিৰ এই আধুনিক যুগত কেৱল পাঠ্যপুথিৰ জ্ঞানেই যথেষ্ট নহয়, যুক্তিবাদী চিন্তা আৰু বিশ্লেষণ ক্ষমতাৰো বিশেষ প্ৰয়োজন। সেইয়ে প্ৰতি গৰাকী শিশুক বাতৰি কাকত পঢ়িবলৈ উৎসাহিত কৰিবলৈ অভিভাৱকসকলে প্ৰথমে তেওঁলোকৰ বাবে উপযুক্ত শিতান যেনে খেল-ধেমালিৰ পৃষ্ঠা, কাৰ্টুন আদি বিষয়সমূহ নিৰ্বাচন কৰি দিব লাগে, ইয়াৰ দ্বাৰা শিশুৱে আনন্দ পোৱাৰ লগতে তেওঁৰ মননশীলতাৰো সৰ্বাত্মক বিকাশ ঘটে। বাতৰি কাকত হৈছে সাধাৰণ জ্ঞানৰ এক বিশাল ভাণ্ডাৰ। বিদ্যালয়ৰ পাঠ্যপুথিৰ জ্ঞান সীমিত হ'লেও বাতৰি কাকতে শিশুসকলক বাস্তৱ জগতৰ বিভিন্ন ঘটনা আৰু পৰিস্থিতিৰ সৈতে পৰিচিত কৰায়। দেশ-বিদেশৰ ৰাজনীতি, বিজ্ঞান-প্ৰযুক্তি, স্বাস্থ্য, কৃষি, পৰিৱেশ, খেল-ধেমালি, সংস্কৃতি, ইতিহাস আদি বিভিন্ন বিষয়ৰ খবৰ পঢ়ি শিশুৱে বহুমুখী জ্ঞান লাভ কৰে। ইয়াৰ ফলত তেওঁলোকৰ মানসিক পৰিসৰ বিস্তৃত হয় আৰু বিশ্ব দৃষ্টিভংগী গঢ়ি উঠে। বিভিন্ন ঘটনা বা সমস্যাৰ বিষয়ে পঢ়ি শিশুৱে নিজাকৈ ভাবিবলৈ শিকে আৰু এইবোৰ বিষয়ত তেওঁলোকৰ মন সক্ৰিয় হৈ উঠে। ফলত শিশুৰ যুক্তিবোধ, সিদ্ধান্ত গ্ৰহণ ক্ষমতা আৰু সমালোচনামূলক চিন্তাধাৰাৰ বিকাশ ঘটে। সাধাৰণতে শিশুৰ শিতানত গল্প, কবিতা, কুইজ, বিজ্ঞানভিত্তিক লেখা, চিত্ৰাংকন প্ৰতিযোগিতা আদি থাকে, যিবোৰে শিশুৰ মনোৰঞ্জনৰ লগতে বৌদ্ধিক বিকাশতো সহায় কৰে। কিছুমান শিশুৱে নিজৰ লেখা বা চিত্ৰ প্ৰকাশ কৰাৰ সুযোগ পাই আত্মবিশ্বাস লাভ কৰে। এই আত্মবিশ্বাসেই তেওঁলোকক আগলৈ সৃষ্টিশীল ব্যক্তি হিচাপে আগবঢ়াই নিয়ে।

সমাজত সংঘটিত বিভিন্ন দুঃখজনক ঘটনা, প্ৰাকৃতিক দুৰ্যোগ, দৰিদ্ৰ লোকৰ সমস্যা বা সমাজসেৱামূলক কাৰ্যকলাপৰ বিষয়ে পঢ়ি শিশুৰ মনত সহানুভূতি, মানৱতা আৰু সামাজিক দায়িত্ববোধ গঢ়ি উঠে। তেওঁলোকে বুজিবলৈ শিকে যে সমাজত কেৱল নিজৰ কথা ভাবিলেই নহয়, আনৰ প্ৰতিও দায়িত্ব পালন কৰিব লাগে। এই মূল্যবোধসমূহেই এজন শিশুক ভৱিষ্যতে সুস্থ মানসিকতাৰ নাগৰিক হিচাপে গঢ়ি তোলে।

আধুনিক সমাজত শিশুসকলৰ নৈতিক শিক্ষাৰ ক্ষেত্ৰত এক সংকট দেখা গৈছে। এই ক্ষেত্ৰত বাতৰি কাকতে ইতিবাচক ভূমিকা পালন কৰিব পাৰে। মহান ব্যক্তিসকলৰ জীৱন কাহিনী, সফলতাৰ গল্প, সমাজসেৱামূলক কাৰ্যকলাপ বা দেশপ্ৰেমমূলক লেখা শিশুৰ মনত নৈতিকতা আৰু আদৰ্শবোধ জাগ্ৰত কৰে। ই তেওঁলোকক সুস্থ মূল্যবোধেৰে জীৱন গঢ়িবলৈ অনুপ্ৰাণিত কৰে।

বিদ্যালয় সমূহতো 'বাতৰি পঢ়া' সংস্কৃতি গঢ়ি তোলাৰ পৰিৱেশ সৃষ্টি কৰি ল'ব লাগে। এই ক্ষেত্ৰত ঠাই বিশেষে বৰ্তমানে বহু বিদ্যালয়ত 'নিউজ পেপাৰ ৰিডিং কৰ্ণাৰ' স্থাপন কৰা দেখা পোৱা গৈছে, য'ত শিক্ষাৰ্থীয়ে নিয়মিতভাৱে বাতৰি কাকত পঢ়াৰ সুযোগ লাভ কৰিবলৈ সক্ষম হৈছে। এনে পদক্ষেপে শিশুসকলৰ মানসিক বিকাশত যথেষ্ট ইতিবাচক প্ৰভাৱ পেলায়। লগতে, সংবাদপত্ৰৰ মাধ্যমে শিশুসমূহক ডিজিটেল মাধ্যমৰ ভুৱা খবৰ আৰু অপপ্ৰচাৰৰ পৰা সজাগ হোৱাতো সহায় কৰে। তথাপিও, শিশুৰ বাবে উপযুক্ত বাতৰি নিৰ্বাচন কৰাৰ ক্ষেত্ৰত অভিভাৱক আৰু শিক্ষকৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। সকলো বাতৰি শিশুৰ বাবে উপযোগী নহ'বও পাৰে। সহিংসতা, অপৰাধ বা নেতিবাচক খবৰৰ প্ৰভাৱ কোমল মনত বেয়া প্ৰভাৱ পেলাব পাৰে। সেয়ে অভিভাৱকে শিশু উপযোগী শিতানসমূহ যেনে-বিজ্ঞান, শিক্ষা, খেল-ধেমালি, শিশু সাহিত্য, প্ৰেৰণাদায়ক কাহিনী আদি পঢ়িবলৈ উৎসাহিত কৰিব লাগে।

শেষান্তৰত ক'ব পাৰি যে বাতৰি কাকত হৈছে শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ এক শক্তিশালী মাধ্যম। ই শিশুক জ্ঞানী, সচেতন, যুক্তিবাদী, সৃষ্টিশীল আৰু দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তুলিবলৈ সহায় কৰে। সঠিক দিশ-নিৰ্দেশনা আৰু নিয়মিত পাঠৰ অভ্যাসে শিশুৰ জীৱনত এক ইতিবাচক পৰিৱৰ্তন আনিব পাৰে। সেয়েহে পৰিয়াল, বিদ্যালয়, সমাজ আৰু চৰকাৰ-সকলোৰে দায়িত্ব হ'ল শিশুসকলক বাতৰি কাকত পঢ়াৰ প্ৰতি উৎসাহিত কৰা আৰু এক সুস্থ পাঠ সংস্কৃতি গঢ়ি তোলা।

**ম'বাইল ঃ** ৭০০২৭-৮১৮৪১

# ২নং পূৰ্ব বংশৰ সমন্বয় সমিতিৰ বিশেষ অভিনন্দন অনুষ্ঠান



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** বংশৰ গাঁও পঞ্চায়ত শাখা সমন্বয় সমিতি, গন্ধমৌ গাঁও পঞ্চায়ত শাখা সমন্বয় সমিতিৰ যৌথ উদ্যোগত সদৌ বংশৰ দুৰ্গা পূজা মণ্ডপ প্ৰাঙ্গণত অনুষ্ঠিত হয় এখনি বিশেষ অভিনন্দন অনুষ্ঠান। গন্ধমৌ গাঁও পঞ্চায়ত শাখা সমন্বয় সমিতিৰ সভাপতি গোলোক চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত বিশেষ অভিনন্দন অনুষ্ঠানটিত বংশৰ আৰু গন্ধমৌ শাখা পঞ্চায়ত এলেকাৰ সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিধ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকলক অভিনন্দন জনোৱা হয়। সভাৰ আৰম্ভণিতে সমিতিৰ পতাকা উত্তোলন কৰে সভাপতি অতুল চন্দ্ৰ বৈশ্যই। শ্বহীদ তৰ্পণ কৰে বংশৰ গাঁও পঞ্চায়ত শাখা সমন্বয় সমিতিৰ সম্পাদক নৰেন দাস আৰু গন্ধমৌ গাঁও পঞ্চায়তৰ শাখা সমন্বয় সমিতিৰ সম্পাদক দিগম্বৰ দাসে। সভাখনি উদ্বোধন কৰে ২নং পূব বংশৰ সমন্বয় সমিতিৰ সহঃ সম্পাদক মৃণাল ডেকাই। অঞ্চলটোৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ৭৫ শতাংশৰো ওপৰত নম্বৰ লাভ কৰা মুঠ ৪৩ গৰাকীৰো অধিক ছাত্ৰ-ছাত্ৰীক একোখন ফুলাম গামোচা আৰু মানপত্ৰৰে অভিনন্দন জনোৱা হয়। অভিনন্দন অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে ছাত্ৰ-ছাত্ৰী সকলক সমাজৰ প্ৰতি দায়িত্বশীল হৈ শিক্ষা জীৱনত আগুৱাই যোৱা বাবে আহ্বান জনায়। আনহাতে আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে ২৪ জুলাইত মুক্তি লাভ কৰিবলগীয়া অসমীয়া বোলছবি 'এক্স ৱাই জেদ'ৰ প্ৰযোজক, বিশিষ্ট সমাজকৰ্মী হেমন্ত কলিতা। আমন্ত্ৰিত অতিথিৰ ভাষণত কলিতাই ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্য কৰি সুমধুৰ ভাষণ প্ৰদান কৰি কয় যে, 'অকল বিদ্যায়তনিক দিশত সফল হ'লেই জীৱন সফল নহয়। জীৱন সফল কৰি তুলিবলৈ হ'লে নিজৰ সংস্কৃতিৰ দিশৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিব লাগিব। কাৰণ সংস্কৃতিয়েহে আমাৰ সভ্যতা,পৰম্পৰাক জীয়াই ৰাখে। বিদ্যায়তনিক ক্ষেত্ৰখনত লাভ কৰা সংখ্যাই জীৱনৰ মান নিৰ্ণয় নকৰে। জীৱনৰ মান নিৰ্ণয় কৰে সমাজে। সেয়েহে নিজ লক্ষ্যত উপনীত হ'বলৈ সমাজৰ লগত সম্পৰ্ক ৰক্ষা কৰি বিদ্যায়তনিক দিশত আগুৱাই যাব পাৰিলেহে জীৱনত সফলতা লাভ কৰিবলৈ সহজ হয়।' সভাত বিশিষ্ট শিক্ষাবিদ তথা কামৰূপ জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি কনক দাস, বিশিষ্ট সমাজকৰ্মী নাৰায়ন চন্দ্ৰ বৈশ্য, বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ মদন মোহন দাস, জিলা কৃতী শিক্ষক বঁটা প্ৰাপক ইন্দ্ৰকান্ত বৈশ্য,ৰাজ্যিক কৃতী শিক্ষক বঁটা প্ৰাপক ভগৱান বৈশ্য, সনাতন বৈশ্যকে আদি কৰি কেইবাগৰাকীও আদৰ্শ শিক্ষকৰ লগতে যথেষ্ট সংখ্যক গুণী মানি ব্যক্তি উপস্থিত থাকে।

# শিৱসাগৰ অসামৰিক চিকিৎসালয় আকস্মিক পৰিদৰ্শন জিলা আয়ুক্ত মৃদুল য়াদৱৰ

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত মৃদুল য়াদৱে যোৱা ২৬ জুন তাৰিখে জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয় আকস্মিক পৰিদৰ্শন কৰে। উল্লেখ যে, জিলা আয়ুক্তগৰাকীৰ পৰিদৰ্শন কালত তেখেতে চিকিৎসালয়খনৰ বিভিন্ন কাম-কাজ, সামগ্ৰিক ব্যৱস্থাপনা, চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ উপস্থিতি, আন্তঃগাঁথনিমূলক সা-সুবিধা, বিভিন্ন ৰোগনিৰ্ণায়ক উপকৰণৰ স্থিতি তথা ব্যৱহাৰ, ৰোগীক চিকিৎসাসেৱা প্ৰদানৰ মান তথা তৎপৰতা, চিকিৎসালয় চৌহদ আৰু পৰিসৰৰ চাফ-চিকুণতা তথা স্বচ্ছতাৰ ব্যৱস্থা, বৈদ্যুতিক উপকৰণ যেনে লাইট-ফেন আদিৰ ব্যৱস্থা ইত্যাদি সামৰি বিভিন্ন বিষয় সন্দৰ্ভত পুংখানুপুংখ খতিয়ান লয়। আনহাতে জিলা আয়ুক্তগৰাকীযে পৰিদৰ্শন কালত চিকিৎসালয়খনত প্ৰয়োজনীয় স্বাস্থ্যসন্মত তথা স্বচ্ছ- নিকা পৰিৱেশ বাহাল আৰু উন্নীতকৰণৰ লগতে ফেন-লাইটৰ দৰে বৈদ্যুতিন সা-সুবিধা উন্নীতকৰণৰ দিশত তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) ৰনন্ময় ভৰদ্বাজ আৰু চিকিৎসালয়খনৰ অধীক্ষক ডাঃ সাধন বৰাক নিৰ্দেশ প্ৰদান কৰে। লগতে জিলা আয়ুক্তগৰাকীয়ে চিকিৎসালয়খনৰ বিভিন্ন বিভাগ তথা ৱাৰ্ডত চিকিৎসাধীন হৈ থকা ৰোগীসকলৰ সৈতেও মত-বিনিময় কৰে। জিলা আয়ুক্তগৰাকীৰ পৰিদৰ্শনৰ সময়ত অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) ৰনন্ময় ভৰদ্বাজ, শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ সাধন বৰা প্ৰমুখ্যে চিকিৎসালয়খনৰ চিকিৎসক, বিভাগীয় বিষয়াসকল আৰু বিভিন্ন পৰ্যায়ৰ স্বাস্থ্যকৰ্মীসকল উপস্থিত থাকে।




# লংকা মহাবিদ্যালয়ত হোজাই জিলাৰ শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ উদ্যোগত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন

**মুকুল গোস্বামী ঃ** ২৯ জুন, ২০২৬ তাৰিখে হোজাই জিলা উচ্চতৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ তৰফৰ পৰা এটি বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। লংকা মহাবিদ্যালয়ৰ সভাগৃহত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত উপস্থিত থাকে লংকা মহাবিদ্যালয়ৰ উপাধ্যক্ষ অমল ভৌমিক, হোজাই জিলাৰ জিলা আঁচনি বিষয়া অশোক গগৈ, হোজাই জিলাৰ উচ্চতৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ সমূহ বিষয়ববীয়া, হোজাই জিলাৰ সমূহ মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষসকল, অধ্যাপক অধ্যাপিকা সকল, স্নাতকোত্তৰ শিক্ষকসকল, কৃতী শিক্ষাৰ্থীসকলৰ লগতে অভিভাৱকসকলকে ধৰি প্ৰায় দুই শতাধিক ব্যক্তি। হোজাই জিলা উচ্চতৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ সহকাৰী সম্পাদক তথা বিষয় শিক্ষক পল্লৱ কুমাৰ নাথ আৰু যুটীয়া সম্পাদক অংগন জ্যোতি হাজৰিকাই আঁত ধৰা এই অনুষ্ঠানটিৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে লংকা মহাবিদ্যালয়ৰ উপাধ্যক্ষ অমল ভৌমিক আৰু সন্থাৰ সভাপতি সত্যব্ৰত চৰকাৰে লগতে বৰগীত পৰিৱেশন কৰে বিষয় শিক্ষক অংগন জ্যোতি হাজৰিকাই। আৰম্ভণিতে আদৰণি ভাষণ প্ৰদান কৰি সন্থাৰ সম্পাদক দীপাংকৰ বৰকটকীয়ে হোজাই জিলা উচ্চতৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ দায়বদ্ধতা আৰু ২০২২ চনৰে পৰা জিলাখনৰ শৈক্ষিক উত্তৰণৰ বাবে সন্থাই কৰি অহা বিভিন্ন কাৰ্যসূচীৰ বিষয়ে উল্লেখ কৰে। উক্ত অনুষ্ঠানত ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিশেষ সফলতা অৰ্জন কৰা কৃতী শিক্ষাৰ্থীসকল, পথ প্ৰদৰ্শক কৃতী শিক্ষকসকল, শিক্ষা প্ৰতিষ্ঠানৰ অধ্যক্ষসকলৰ লগতে হোজাই জিলাত নতুনকৈ যোগদান কৰা স্নাতকোত্তৰ শিক্ষকসকলক সম্বৰ্ধনা জনোৱা হয়। হোজাই জিলাৰ চৰকাৰী প্ৰাদেশীকৃত মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ ভিতৰত কলা, বাণিজ্য আৰু বিজ্ঞান শাখাত সৰ্বোচ্চ নম্বৰ লাভ কৰা শিক্ষাৰ্থীকেইগৰাকীৰ লগতে সেই শিক্ষা প্ৰতিষ্ঠানৰ অধ্যক্ষকেইগৰাকী, হোজাই জিলাৰ সমূহ শিক্ষা প্ৰতিষ্ঠানৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা শিক্ষাৰ্থীৰ লগতে শিক্ষা প্ৰতিষ্ঠানৰ অধ্যক্ষগৰাকী, প্ৰতিটো বিষয়তে সৰ্বোচ্চ নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলৰ লগতে সেই বিষয়ৰ শিক্ষকসকলক আৰু স্বাস্থ্য সেৱা বিষয়ত অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা শিক্ষাৰ্থী সকলক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত প্ৰায় ৫৭ গৰাকী কৃতী শিক্ষাৰ্থী, ৪২ গৰাকী কৃতী শিক্ষক, ৭ গৰাকী অধ্যক্ষৰ লগতে নৱ-নিযুক্ত ৩২ গৰাকী স্নাতকোত্তৰ শিক্ষকক সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত হোজাই জিলা আঁচনি বিষয়া অশোক গগৈয়ে সমূহ শিক্ষকলৈকে কৃতজ্ঞতা প্ৰকাশ কৰে আৰু শিক্ষাৰ্থী সকলক এই সফলতাৰ বাটেৰে বহুদূৰ আগুৱাই ভৱিষ্যতে আৰু অধিক কৃতকাৰ্য হোৱাৰ আহ্বান জনায়। লংকা মহাবিদ্যালয়ৰ উপাধ্যক্ষ অমল ভৌমিকে এনে এটি অভিনৱ পদক্ষেপ গ্ৰহণ কৰি শিক্ষাৰ্থীসকলক উৎসাহিত কৰাৰ লগতে শিক্ষক আৰু শিক্ষা প্ৰতিষ্ঠানসমূহক স্বীকৃতি দিয়াত অনুষ্ঠানটিৰ আয়োজকসকলক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। হোজাই জিলাৰ বিষ্ণু ৰাভা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ তথা গল্পকাৰ সিদ্ধাৰ্থ শংকৰ বেজবৰুৱাই নৱ প্ৰজন্মৰ শিক্ষকসকলৰ শৈক্ষিক উত্তৰণৰ বাবে যি কৰ্ম উদ্যম আৰু দায়বদ্ধতা তাৰ শলাগ লয় লগতে হোজাই জিলা উচ্চতৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ এনে কাৰ্যসূচীৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। সেই অনুষ্ঠানতে পিএম শ্ৰী নীলবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ফাইজ মহম্মদ বৰভূঞাই শিক্ষাৰ্থীসকলৰ এনে ফলাফলৰ বাবে শিক্ষক সকলক অৱদান অনন্য বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত ভালুকমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ গীতা ফুকন বৈদ, বিষয় শিক্ষক অৰ্চাদুজ জামান আনচাৰি, ভাস্কৰজ্যোতি বৰা আদিয়েও ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই প্ৰদান কৰে হোজাই জিলা উচ্চতৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ সহকাৰী সম্পাদক পল্লৱ কুমাৰ নাথে।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা